# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

THIRTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## No. 4

**The 13th February, 2001**

Price Rs. 30.00

CONTENTS

# BUDGET SESSION

## No. 4

**Dated, the 13th February, 2001**


| | | page |
|---|---|---|
| 1. | Questions and Answers | 1-27 |
| 2. | Announcement from the Chair | 27-28 |
| 3. | Discussion during Zero Hours | 28-39 |
| 4. | Report of the Business Advisory Committee | 40-41 |
| 5. | Call Attention Notice | 41-43 |
| 6. | Matter under Rule 301 | 43-46 |
| 7. | General Discussion on the Budget | 46-82 |
| 8. | Adjournment | 82-82 |
| 9. | Annexures - 1 to IV | 83-92 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
## Tuesday, the 13th February, 2001

The House met at 4 P.M. of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Kutum, Speaker in the Chair.

### Starred
### Questions And Answers
(To which oral replies were given.)

**Mr. Speaker :** Now Starred Question No. 41. Hon'ble Member Shri Ali Akbar Miah, Hon'ble Minister Education is to reply.

**বিষয় ঃ শিক্ষক নিলম্বিতকৰণৰ বিষয়।**

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

*৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত ১৯৯৬ ইং চনৰ পৰা আজিলৈ কোন কোন M.E., M.E.M., M.V. আৰু L.P. স্কুলৰ শিক্ষকক কোন কোন তাৰিখত কি কি দোষৰ বাবে চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে? (বিধান সভা সমষ্টি ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) নিলম্বিত শিক্ষক সকলৰ দোষৰ বিপৰীতে "প্ৰছিডিংছ ড্ৰ" কৰা হলনে আৰু তাৰ উত্তৰ পোৱা হলনে? ('প্ৰছিডিংছ ড্ৰ'ৰ চিঠিৰ কপি আৰু তাৰ বিপৰীতে দিয়া উত্তৰৰ কপি সহ তথ্য সদনৰ মেজত দাখিল কৰিব)

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ধুবুৰী জিলাত ১৯৯৬ ইং চনৰ পৰা আজিলৈকে

| | | |
|---|---|---|
| এম,ই | - | ৪ জন |
| এম,ভি | - | ৪ জন |
| এম,ই,এম | - | ১ জন |
| এল,পি | - | ৮ জন, ২৬ নং পশ্চিম বিলাসীপাৰা সমষ্টিৰ |

এল,পি - ৬ জন, ধুবুৰী

মুঠ ২৩ জন শিক্ষক/শিক্ষয়িত্ৰীক চাকৰীৰ পৰা নিলম্বিত কৰা হৈছিল।

সংলগ্নিত তালিকা - ১, ১(ক), ১(খ)ত দেখুৱা হৈছে।

(খ) নিলম্বিত শিক্ষক সকলৰ প্ৰচ্ছিডিং ড্ৰ কৰা হৈছে আৰু তাৰ উত্তৰ পোৱা হৈছে। প্ৰচ্ছিডিং ড্ৰ কৰা আৰু তাৰ ওপৰত পোৱা উত্তৰ সমূহৰ কপি সংলগ্নিত তালিকাত দিয়া হৈছে।

*** শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আলী আকবৰ মিঞা ঃ** অধ্যক্ষ মহোদয়, ইয়াত এনকচাৰটো দিয়া নাই গতিকে মই চাপলিমেন্টৰী কিহৰ ভিত্তিত কৰিম?

*** শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আলী আকবৰ মিঞা ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ধুবুৰী জিলাত ১৯৯৬ চনৰ পৰা আজিলৈ কোন কোন এম,ই, এম,ভি, এম,ই,এম আৰু এল,পি স্কুলৰ শিক্ষকক কোন কোন তাৰিখত কি কি দোষৰ বাবে চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে আৰু নিলম্বিত শিক্ষক সকলৰ দোষৰ বিপৰীতে প্ৰচিডিং ড্ৰ কৰা হ'ল নেকি? কিয়নো নিলম্বিত কৰা ৬ মাহৰ ভিতৰত প্ৰচিডিং দ্ৰ নকৰিলে তেওঁলোকে হাইকোৰ্টলৈ গৈ ৰিইনষ্টেট অৰ্ডাৰ লৈ আহে, গতিকে ডিউ টাইমত প্ৰচিডিং নকৰাৰ দোষৰ কাৰণেই এইটো সুবিধা পায়, গতিকে এই দোষৰ কাৰণে বিহিত ব্যৱস্থা লব নে?

*** শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ১৯৯৬ৰ পৰা মুঠ ২৩ জন শিক্ষক-শিক্ষয়িত্ৰীক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল আৰু প্ৰচ্ছিডিং ড্ৰ কৰা হৈছিল আৰু তাৰ উত্তৰো পোৱা হৈছে। বিষয়টো এতিয়া বিবেচনাধীন হৈ আছে।

*** শ্ৰী আলী আকবৰ মিঞা ঃ** মোৰ প্ৰশ্নটো হৈছে কাৰ দোষৰ কাৰণে এই নিলম্বিত শিক্ষক সকলক ডিউ টাইমত প্ৰচ্ছিডিং ড্ৰ কৰা নহ'ল? ইয়াৰ কাৰণে যিয়ে দোষী তেওঁলোকৰ ওপৰত কি ব্যৱস্থা লোৱা হব মন্ত্ৰী মহোদয়ে জনাবনে?

*** শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** এই বিষয়ে তদন্ত কৰি বিহিত ব্যৱস্থা লোৱা হব। কিন্তু মাননীয় বিধায়ক মহোদয়ে মন কৰাটো ভাল হব তেখেতৰ

---
* Speech not corrected

সমষ্টিৰ শিক্ষক সকল বেচিঁকৈ নিলম্বিত হৈ আছে।

* **শ্ৰী আলী আকবৰ মিঞা ঃ** চাচপেনচন কৰাৰ কাৰণে আমি বেয়া পোৱা নাই কিন্তু চাচপেনচন কৰাৰ পিচত অনতিপলমেই প্ৰছিডিং ড্ৰ কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে যি দোষৰ কাৰণে নিলম্বিত কৰা হৈছে তাৰ পৰা যাতে সাৰি যাব নোৱাৰে। আমবাৰী স্কুলৰ পৰা লৈ গৈ চৰকাৰী এম,ই মাদ্ৰাছাত এডজাষ্ট কৰিছে, ন্যায়ালয়ৰ আগত দিব লাগে। এইটো অনিয়ম হৈছে, এইক্ষেত্ৰত কি ব্যৱস্থা লোৱা হব মন্ত্ৰী মহোদয়ে জনাব নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** তদন্ত কৰি বিহিত ব্যৱস্থা লোৱা হব।

* **শ্ৰী গৌতম ৰয় ঃ** কিছুমান শিক্ষকক এৰেষ্ট কৰিছে আৰু চাৰ্জচিট দিছে, অথচ এওঁলোকক ৰিইনষ্টেট কৰা হ'ল, কি ভিত্তিত ৰিইনষ্টেট কৰা হ'ল, জনাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** স্পেচিফিক প্ৰশ্ন হলে ভাল হয়, উত্তৰ দিব পৰা যাব।

**Mr. Speaker :** Now Starred Question No. 42. Hon'ble Member Shri Bimolangshu Roy, Hon'ble Minister Education is to reply.

## Re.: Inspectpor of Schools and others.

**Shri Bimolangshu Roy asked :**

* 42. Will the Minister of Education be pleased to state:

(a) Will the Government be pleased to furnish the names of Inspector of Schools, District Elementary Education Officers, Dist. Non-Formal Education Officer, Adult Education Officer and all Block Education Officers in the District of Cachar?

**Shri Thaneswar Boro (Minister) replied :**

(a) Name of Officers are :-

1. Inspector of Schools, Cachar - Md. Jalaluddin Majumdar.
2. District Elementary Education Officer - Md.

* Speech not corrected

Jalaluddin Majumdar, Cachar is in-charge.

3. Dist. Non-Formal Education Officer - Sri Aftar Uddin Laskar.

4. Dist. Adult Education Officer - Sri Moinuddin Borbhuyan.

Block Elementary Education Officers :-

1. Shri Jahiruddin Borbhuyan (Salchapra Block)
2. Shri Tafazul Ali Laskar (Lakhipur Block)
3. Shri Jamaluddin Ahmed (Norsingpur Block)

Name of Sub-Inspector of Schools holding the charge of Block Elementary Education Officers :-

1. Shri Bidyut Jyoti Purkayastha - Udarbond Block.
2. Shri Abdul Wahid - Sonai Block
3. Shri Bidit Bhusan Sarma Charjee-Rajabazar Block.
4. Shri Mizanur Rahman Borbhuyan-Katigorah Block.

* **Shri Bimolangshu Roy :** Hon'ble Speaker, Sir, very often we talk about reflection of population pattern in the matter of appointment, etc. May I know whether in the matter of posting of officers also this population pattern will be reflected or not because Sir, from the reply given by the Hon'ble Minister it appears that out of 11 officer only two belong to a particular community and the rest nine others belong to different community. That is why I want to know from the Hon'ble Minister whether population pattern will be reflected in the matter of posting of officers or not?

* শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এপইন্টমেন্টৰ

* Speech not corrected

ক্ষেত্ৰত পপুলেচন পেটাৰ্ণ চোৱা যায়। কিন্তু বিষয়া পোষ্টিংৰ ক্ষেত্ৰত পপুলেচন পেটাৰ্ণ চোৱাত অসুবিধা হয়। এপন্টমেন্টৰ ক্ষেত্ৰত পপুলেচন পেটাৰ্ণ লক্ষ্য কৰা যায় যদিও বৰাক ভেলীত পোষ্টিংৰ ক্ষেত্ৰতো পপুলেচন পেটাৰ্ণ চোৱা হৈছে। ডি,আই, ডি,ই,ই,অ আৰু ইনচ্পেক্ট এই কেইটা ইমপোৰটেন্ট গতিকে এই পোষ্ট কমিউনিটি বেচিচত চোৱা হৈছে। অৱশ্যে হানড্ৰেট পাৰচেন্ট কৰিব নোৱাৰি।

* **Shri Bimolangshu Roy :** I entirely agree with the Hon'ble Minister that hundred per cent population pattern cannot be reflected in the matter of posting but the ratio 9:2 is not proper. So, I would request the Hon'ble Minister to see that in the matter of posting officers population pattern is reflected. Mr. Speaker, Sir, my second question is why the D.I. of Schools, Silchar has recently been transferred to Nagaon?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিজনৰ কথা কোৱা হৈছে কলিয়াবৰলৈ বদলি কৰা হৈছে। সেইটো এতিয়ালৈকে এফেক্ট হোৱা নাই। তেওঁ ২৮ ফেব্ৰুৱাৰীত অৱসৰ লব। এই তথ্যটো এতিয়া মোৰ হাতত নাই। গতিকে মই এতিয়া এইটো বিষয়ত কব নোৱাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন ফালৰ ৰিকুৱেষ্ট আছে। সেই কাৰণে তেনেকুৱা বদলি কৰা হয়। কেতিয়াবা খাতিৰতো বদলি কৰা হয়। ট্ৰেনচ্ফাৰ কৰা হৈছিল। কিন্তু জইন কৰিছিল নে নাই সেইটো এতিয়াই কব নোৱাৰিম।

* **Shri Bimolangshu Roy :** Sir, Minister has said that D.I. of Schools is due to retire on 28th February, 2001. I do not know why a person who is on the verge of retirement and that too only 15 days left for his retirement transferred to Kaliabor? Anyway may I know who has been posted in his place that is at Silchar?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত দিয়া নাই। শৰ্ম্মা আছিল নেকি?

* **Shri Bimolangshu Roy :** May I know from the Minister the name of the person who has been posted

* Speech not corrected

as D.I. of Schools, Silchar.

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মই চালেহে কব পাৰিম। ইয়াত তথ্য নাই।

* **শ্ৰী গৌতম ৰয়** ঃ পোষ্টিং পপুলেচন পেটাৰ্ণত নহয়। একে কমিনিটিৰ মানুহেই ডি.আই.ডি.ই.ইঅ হৈ আছে। গতিকে সেইটো চাব লাগে।

**Mr. Speaker** : Now Starred Question No. 43. Hon'ble Ministers Shri Wazid Ali Choudhury, Hon'ble Minister Education is to reply.

## বিষয় ঃ স্কুল চৰকাৰীকৰণ।

**শ্ৰী ওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

*৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান বিত্তীয় বছৰত কিমান প্ৰাথমিক বিদ্যালয় আৰু মজলীয়া বিদ্যালয় চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে?

(খ) উক্ত বিদ্যালয়বোৰে প্ৰাদেশীকৰণ কি ভিত্তিত কৰা হ'ব?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰৰ বিবেচনাধীন।

(খ) প্ৰচলিত নিয়ম মতেই ব্যৱস্থা গ্ৰহণ কৰা হব।

* **শ্ৰী ওৱাজেদ আলী চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি চাৰি বছৰ ধৰি চৰকাৰে কৈ আছে যে এল.পি. স্কুল আৰু এম.ই. স্কুল চৰকাৰীকৰণ কৰাতো চৰকাৰৰ বিবেচনাধীন হৈ আছে। আজি উত্তৰ দিওতেও মাননীয় মন্ত্ৰী মহোদয়ে সেই কথাটোকেই কৈছে। এই চৰকাৰৰ আৰু মাত্ৰ ১ মাহ সময় বাকী আছে। গতিকে ১ মাহৰ ভিতৰত বেচৰকাৰী এল.পি. আৰু এম.ই. স্কুল চৰকাৰীকৰণ কৰা হব নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা নাই কিন্তু প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা আছে। যোৱা বিধান সভাৰ অধিবেশনত প্ৰতিটো সমষ্টিত ৫ খনকৈ এল.পি. স্কুল আৰু ৫ খনকৈ এম.ই. স্কুল প্ৰাদেশীকৰণ কৰাৰ কাৰণে ব্যৱস্থা লোৱা হব বুলি কোৱা হৈছিল। কিন্তু বিত্তিয় নাটনিৰ কাৰণে অসুবিধা হৈছে। আমাৰ চৰকাৰ হওতেই বা নহাকেই এইটো

কৰাৰ কাৰণে ব্যৱস্থা লোৱা হ'ব।

**ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই দয়া কৰি মনত পেলাব নেকি যে ১০/০৯/৯৯ তাৰিখে সদৌ অসম শিক্ষক কৰ্ম্মচাৰী সমন্বয় সমিতি আৰু অসম চৰকাৰৰ মাজত এটা চুক্তি হৈছিল আৰু এই চুক্তিৰ আইটেম নং থ্ৰিত স্পষ্ট ভাবে তেখেতে কৈছিল - It was decided at the meeting dated 13/03/99 that Government agreed to provincialise High Schools and High Madrassa recognised in 1992 and 1993 and in case of middle school M.E. M.E.M. recognised in the year 1991-1992 and to L.P. Schools on seniority basis in each constituency w.e.f. 01/03/2000. তেখেতে এইটো এগ্ৰিমেন্ট কৰিছে। যিদিনা এগ্ৰিমেন্ট হৈছিল সেইদিনাখন মই ইয়াত আপোনাক সুধিছিলো যে আপোনালোকৰ বাজেটত ইয়াৰ প্ৰভিজন আছে নেকি? তেতিয়া তেখেতে সদনত কৈছিল যে নেক্সট্ বাজেটত প্ৰভিজন কৰা হৈছে। সেই বাজেট গ'ল, এতিয়া আকৌ এটা বাজেট হৈছে। বাজেটতো এইটো ক্ষেত্ৰত একো নাই। তেখেতে এগ্ৰিমেন্ট কৰি তেখেতেই ভায়োলেট কৰিছে। তেখেতে যদি বুজি পাইছে যে বিত্তীয় নাটনিৰ কাৰণে নহ'ল তেতিয়াহলে তেখেতে কিয় এগ্ৰিমেন্ট কৰিছে। আৰু বহুত এগ্ৰিমেন্ট তেখেতে কৰিছে।

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আলোচনা কৰা হৈছিল আৰু এটা সন্মতি দিয়া হৈছিল। তেনেকুৱা এগ্ৰিমেন্ট নহয়। অহা মাৰ্চৰ পৰা প্ৰাদেশীকৰণ কৰা হ'ব বুলি কোৱা হৈছিল। কিন্তু বিত্তীয় দিশৰ কথা আছে। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা এটা নতুন আঁচনি আহিছে। সেইটো হ'ল সৰ্ব্ব শিক্ষা অভিযান আঁচনি। এই আঁচনিটোত সেইটো কভাৰ কৰিব পৰা যাব। ইতিমধ্যে আমি ৪ খন জিলা বাচি লৈছো। চিনিয়ৰিটি বেচিচত, এনৰোলমেন্ট বেচিচত আৰু প্ৰচলিত নিয়ম মতেই এল.পি. আৰু এম.ই. স্কুল প্ৰাদেশীকৰণ কৰা হ'ব।

**Mr Speaker :** I request the Hon'ble Members not to provoke anything. What Mr. Barkataki given the data for information of the House, large number of schools were provincialised during 1985-89?

* Speech not corrected

## Questions And Answers

**Shri Bharat Chandra Narah :** Hon'ble Speaker cannot use 'MICHA KHATA'.

**Mr. Speaker :** I withdraw the word.

* **শ্রী গহীন চন্দ্র দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্রী মহোদয়ে স্পষ্ট ভাবে উত্তৰ দিব লাগে। আমি যি দেখিবলৈ পাইছো, আমাৰ দিনত এই কাম বিলাক নহব নেকি? তেখেত যি ধৰণে কৈছে এইটো ২০০৩ চন মানৰ ভিতৰত হে হবগৈ। তেখেতে এতিয়া নিযুক্তি বা পেঞ্চন নহব বুলি কওক।

* **শ্রী থানেশ্বৰ বড়ো (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কে কিয় আমাৰ দিনত কাম নহব বুলি কৈছে। আমি আকৌ আহি চৰকাৰ গঠন কৰিম কাম বিলাক হৈ থাকিব।

* **শ্রী শৰৎ বৰকটকী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্রী মহোদয়ে আমাক বহুতবাৰ কৈছে টকা পইচা নাই বুলি। যদি টকা পইচা নাই স্কুল-কলেজ প্রাদেশীকৰণ কেনেকৈ কৰিব। ১৯৮৫ চনটো তেখেতসকলৰ চৰকাৰ আছিল,তেতিয়া এখনো এল পি, এম ই, হাই স্কুল প্রাদেশীকৰণ কৰা নাছিল।

(সদনত হুলস্থুল)

মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো এখনো স্কুল প্রাদেশীকৰণ কৰা নাছিল। আচলতে তেখেতসকল 'মেচিৰ্বড' নহয় বাবে আজি এনে হৈছে।

* **শ্রী যতীন মালী ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই আজি এই কথা কবলৈ বিচাৰিছো যে আমি 'ইম' 'মেচিওড' হৈ কাম কৰা নাই আৰু তেখেতসকল 'মেচিৰড' হৈ কাম কৰা নাই।

* **শ্রী চিলভিউছ কন্দপান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কবলৈ বিচাৰিছো, মাননীয় মন্ত্রীক জনাবলৈ বিচাৰিছো। Government is a Continuous process. He wants to say that in our time the work has not been done. Subsequent Government will do this. এই কথাকে তেখেতে পাকে প্রকাৰে কৈছে, হয়নে নহয়?

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰৰ দিনত কি হৈছে। এইখন ফটো চাওঁক (অগ্রদূত বাতৰি কাকত দেখুৱাই) ইয়াত শিক্ষকক কলাৰত ধৰি টানি লৈ গৈছে। আমি দেখিবলৈ পাইছো ইয়াত বহুত অত্যাচাৰ

* Speech not corrected

হৈছে।

**মাননীয় অধ্যক্ষ ঃ** I request the Hon'ble Member not to provoke anything. মই মালী ডাঙৰীয়াৰ কথাটো কৈছো। মই এটা স্পষ্টীকৰণ দিছো যে, what Mr. Barkataky given the data for the information of that large number of Schools were provincialised during 1985-89. এম.এল.এ. আছে মাননীয় সদস্য বৰকটকীয়ে মিছা কথা কৈছে।

*** শ্ৰী শৰৎ বৰকটকী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মিচা কথা বুলি কৈছে এইটো অ-সাংবিধানিক।

*** Shri Bharat Chandra Narah :** Hon'ble Speaker cannot use 'MICHA KATHA'

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়া বহক, I withdraw the word.

**Mr Speaker :** Now, Starred Question No. 44, Hon'ble Member Shri Mohan Das.

## বিষয় ঃ কলেজ শিক্ষকৰ বাবে পেঞ্চন আঁচনি।

**শ্ৰী মোহন দাসে সুধিছে ঃ**

*৪৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ শিক্ষক সকলক পেঞ্চন দিয়াৰ আঁচনি চৰকাৰে ঘোষণা কৰিছিল নে?

(খ) যদি কৰিছিল তেন্তে পেঞ্চন দিয়াৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছিলনে আৰু কেতিয়া এই আঁচনি কাৰ্য্যকৰী কৰিব?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) পেঞ্চন আগ বঢ়োৱাৰ বাবে আঁচনি নহয়, এখন আইনহে বিধান সভাত পাচ হৈছিল।

(খ) কলেজ শিক্ষক সকলে নিৰ্দিষ্ট সময়ৰ ভিতৰত Option নিদিয়াৰ বাবে "The Assam Non-Govt. Deficit College Central

---

* Speech not corrected

Pension and Provident Fund Act, 1997" আইনখনৰ কাৰ্য্যকৰীকৰণ হোৱা নাই। গতিকে এখন নতুন আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

*** শ্ৰী মোহন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল-অসমত ঘাটি মজুৰী প্ৰাপ্ত কলেজ শিক্ষক সকলৰ পেঞ্চন দিয়াৰ আঁচনি চৰকাৰে ঘোষণা কৰিছিলনে আৰু যদি কৰিছিল তেন্তে পেঞ্চন দিয়াৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছিলনে এইখন বিধান সভাত পাচ কৰা হৈছিলনে। মই জনাত এই আইনখন পাচ কৰা হৈছে। মোৰ প্ৰশ্নৰ উত্তৰত কৈছে যে কলেজ শিক্ষক সকলে নিৰ্দিষ্ট সময়ৰ ভিতৰত 'অপচন' নিদিয়াৰ বাবে আইনখন কাৰ্য্যকৰীকৰণ হোৱা নাই। গতিকে এখন নতুন আঁচনি প্ৰস্তুত কৰিবলগীয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো-এই আইনখন পাচ হবৰ ৪ বছৰ অতিক্ৰম কৰিলে তথাপি আইনখন কাৰ্য্যকৰি কৰা হোৱা নাই। এই আইনখন কাৰ্য্যকৰী কৰিবলৈ গলে কিবা অসুবিধা যদি হয় তাক দূৰ কৰি কাৰ্য্যকৰি কৰাৰ ব্যৱস্থা লবনেকি? যি নতুন আইন প্ৰস্তুত কৰি থকা হৈছে সেই আইনখনৰ লগত জড়িত। সেই আইনখন ৰূপায়ন কৰিবলৈ নকৰে সেইটো স্পষ্ট কৰি দিব লাগে।

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডেফিচিত গ্ৰাণ্ট পোৱাৰ বাবে কৰ্মচাৰী সকলৰ অৱসৰ পোৱাৰ পিচত অসুবিধা আহি পৰে। সেই কাৰণে আলোচনা কৰি এখন এক্ট বনোৱা হৈছিল। কিন্তু এইটো কাৰ্য্যকৰী কৰিবলৈ যাওঁতে কিছু অসুবিধা আহিছে। সেই অসুবিধা বিলাক হৈছে 'অপচন' দিয়াক লৈ। শিক্ষক সকলে 'পেঞ্চন' গ্ৰহণ কৰিব নে চি.পি.এফ. লব। আইনমতে যি কোনো এটাহে লব পাৰে। ইতিমধ্যে এচ.চি.আৰ. টি. ৰ ফালৰ পৰা পৰামৰ্শ আহিছে এইটো সংশোধন কৰিব লাগে। এইটো কাৰ্য্যকৰী কৰাৰ 'ৰোলচ' আছে। নতুন ইউ.জি.চি. স্কেল দিয়াৰ কথা ভবা হৈছে আগতে ২২ শ স্কেল আছিল। এতিয়া পশ্চিম বঙ্গৰ টাইপত পেঞ্চন স্কীম প্ৰস্তুত কৰিবলৈ দিছো। কিন্তু কথা হল এইক্ষেত্ৰত কলেজ বিলাকত এটা 'একাউন্ট' থাকিব লাগে। সেইটো একাউন্ট ঠিকমতে ৰখা নাই, সেই কাৰণে আঁচনিখন প্ৰস্তুত কৰিব পৰা নাই। এইটো হলে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব লগা ৪৯ কোটি টকা পোৱাটো অসুবিধা হব। এইটো প্ৰস্তুত কৰিবৰ কাৰণে কাম চলি আছে।

* Speech not corrected

## Questions And Answers

* **শ্বেখ আব্দুল হামিদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৯৭ চনতে আইন পাচ কৰা হয়। অসমৰ কলেজ শিক্ষকৰ মাজত প্ৰিলিমিনাৰী এক্ট আছে। এতিয়া তেখেতে কৈছে এইক্ষেত্ৰত নতুন আঁচনি প্ৰস্তুত কৰি থকা হৈছে। এই আইনখন কেতিয়া ৰূপায়ন কৰা হব? আৰু ৰুলচৰ যি কথা কোৱা হৈছে, এচ.চি.ই.আৰ.টি.ৰ পৰা কোৱা হৈছে। কলেজ শিক্ষক সকলে যিখিনি সুবিধা পাব লাগে সেইখিনি নাপায়। চৰকাৰী বিষয়া আৰু কলেজ শিক্ষকৰ মাজত পাৰ্থক্য আছে। এইটো আমি জানো। এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে স্পষ্টীকৰণ দিব নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিষয়টো এচ. চি. ই. আৰ. টিৰ মাজতে সীমাবদ্ধ হয় তেনেকুৱা নহয়। কলেজ বিলাকৰ পৰা একাউন্টচ আহোতে যথেষ্ট দেৰি হৈছে, ১৫ দিন আগলৈকে কলেজ বিলাকৰ পৰা আহি আছে। এইক্ষেত্ৰত প্ৰচেচ্ কৰা হব আৰু এমাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিম বুলি ভাবিছো।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে কলেজ বিলাকে একাউন্ট দিয়াত দেৰী হৈছে, ১৫ দিন আগতে দিছে। প্ৰচেজ সম্পূৰ্ণ হলে এমাহৰ ভিতৰত হব বুলি কৈছে। কিন্তু পশ্চিমবঙ্গৰ আৰ্হিত ফৰ্মুলা গ্ৰহণ কৰিছে নেকি মন্ত্ৰী মহোদয়ে জনাব নে? দ্বিতীয়তে কলেজ বিলাকৰ পৰা যি সময়ত কাগজ পাতি পাব লাগিছিল পোৱা নাই। এইক্ষেত্ৰত কলেজ শিক্ষক সন্থাৰ লগত আলোচনা কৰিছে নেকি জনাব নে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিষয়ে আমি অলপতে কলেজ শিক্ষক সন্থাৰ লগত আলোচনা কৰিছো, তেখেত সকলে আলোচনাত সহায় কৰিছে আৰু ভৱিষ্যতেও কৰিব। কিন্তু পেঞ্চন দিয়াৰ কাৰণে ভাৰতবৰ্ষৰ কতো তেনে আইন পোৱা নেযায় কেৱল পশ্চিমবঙ্গতহে আছে। পশ্চিমবঙ্গৰ আৰ্হি লব লাগে বুলি এচ.আই.আৰ.টি.ক পৰামৰ্শ দিয়া হৈছে। আৰু সেইমতে কাম কৰি আছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ২৬ তাৰিখে হব লাগিছিল, যদি নহয় তেতিয়া হলে পৰীক্ষা বৰ্জন কৰা হব বুলি কৈছে। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ হৈছে নে?

---

* Speech not corrected

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰীক্ষা বন্ধ নহয়। এই বিষয়ে চোৱা হব।

*** Shri Sukhendu Sekhar Dutta :** Whether within the tenure of this Govt?

*** Shri Thaneswar Boro (Minister) : Yes Sir.** মাননীয় অধ্যক্ষ মহোদয়, নতুন বছৰ হিচাবে জানুৱাৰী মাহটো ধৰা হয়, সঠিক তাৰিখটো কোৱা টান হব। প্ৰচেজ সম্পূৰ্ণ হোৱাৰ লগে লগে কৰা হব।

**Mr. Speaker :** Now, Starred Question No. 45, Hon'ble Member Dr. Ardhendu Kumar Dey.

## Re.: Allotment of Fund for F.D.R.

**Dr. Ardhendu Kumar Dey asked :**

* 45. Will the Minister of Irrigation be pleased to state:

(a) The total amount of fund allotted for F.D.R. in Jamunamukh L.A.C. and Hojai L.A.C. for the year 1998-1999 and 2000. (Please mention separately)

(b) Where these amounts were utilised?

**Shri Abdul Muhib Mazumdar (Minister, Irrigation) replied :**

(a) The total amount of fund allotted for F.D.R. in Jamunamukh L.A.C. and Hojai L.A.C. was Rs.61.48 Lakhs for the year 1998-1999 and 2000 (Jamunamukh L.A.C.Rs. 48.568 Lakhs and Hojai L.A.C. Rs. 12.915 Lakhs)

(b) These amount were utilised in following schemes under Jamunamukh L.A.C. and Hojai L.A.C. for the year 1998-1999 & 2000 respectively. A statement is placed on the table of the House.

(See the annexure-I)

*** ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ইৰিগেশ্বনৰ

---

* Speech not corrected

ক্ষেত্রত যি টকা দিয়া হৈছে তাত মই আপত্তি কৰা নাই। কিন্তু হোজাই সমষ্টিত বহুত কাম কৰিব লগা আছিল, সেই মতে টকা দিয়া নাই কিয়? লঙ্কাজানত মাইনৰ ইৰিগেশ্বনৰ কাম আছিল, তাত কেনেলৰ পাৰ ভাঙি নাইকীয়া হ'ল। সেইকাৰণে কিয় টকা দিয়া হোৱা নাই? এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে?

*** শ্ৰী আব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে, এইক্ষেত্ৰত মই কব খোজো যে আগতকৈ বেছি টকা দিয়া হ'ল।

*** ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৮ চনত টকা দিয়া নাই। কেনেকৈ আগতকৈ বেছি দিয়া হ'ল? মাননীয় মন্ত্ৰী মহোদয়ে এতিয়া সমাজ পাৰ্টিৰ অংশীদাৰ হৈছে। এনেকুৱা উত্তৰ দিলে কেনেকৈ হব? অধ্যক্ষ মহোদয়, আপুনি জানে যে এই সদনত এক মিনিট খৰচ কৰিলে বহুত টকা ব্যয় হয়। গতিকে মন্ত্ৰী মহোদয়ে তেনেকুৱা উত্তৰ দিলে সদনৰ গুৰুত্ব নাইকীয়া হয়। তেখেতে ভালকৈ উত্তৰ দিয়া উচিত।

*** Shri Abdul Muhib Mazumdar (Minister) :** I am grateful to the Hon'ble Member for expressing his sentiments and telling me to be serious. The question is about the allotment of money and the money was limited. The amount expected by the Hon'ble Member could not possibly be given. I assure the Hon'ble Member with all seriousness that money will be given from the next allotment year. I can assure him that he will get his share.

**Mr. Speaker :** Now Starred Question No. 46. Hon'ble Member Smti Pramila Rani Brahma.

## Re.: Provincialisation of M.E. School

**Smti. Pramila Rani Brahma asked :**

* 46. Will the Minister of Education be pleased to state:

(a) The total number M.E. Schools or Assamese medium and Bodo medium in Assam and furnish

* Speech not corrected

the names separately.

(b) How many recognised M.E. Schools are there to be provincialised? (the number of Assamese medium and Bodo medium in Assam may be given separately)

(c) Whether the Government has taken any steps for their provincialisation?

(d) Whether the Government will take a separate initiative for provincialisation of M.E. School located at international Boundary (Indo-Bhutan boundary)

**Shri Thaneswar Boro (Minister) replied :**

(a) No. of Assamese medium Middle schools is 1478 (6 districts).

No. of Bodo medium Middle schools is 36 (6 district).

(b) Total No. of recognised Middle schools is 1688 (all medium).

No. of Assamese medium Middle schools is 1234.
No. of Bodo medium recognised Middle schools is 101.

(c)
(d) } Matter is under process.

* **শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সোধা প্ৰশ্নৰ উত্তৰ আমাৰ আগৰ হাউচত দিয়া ৰিপ্লাই আছিল কাৰণ মই সুধিছো - যে অসমত কিমান খন অসমীয়া মেডিয়াম এম.ই. স্কুল আৰু কিমানখন বড়ো মেডিয়াম এম.ই. স্কুল আছে নাম সহকাৰে তালিকা এখন দিবলৈ কোৱা হৈছিল কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে - মন্ত্ৰী মহোদয়ে উত্তৰত পুনৰবাৰ কৈছে যে অসমৰ ৬ খন জিলাতহে কৰা হৈছে। অসমত অসমীয়া মেডিয়াম এম.ই. স্কুল আৰু বড়ো মেডিয়াম এম.ই. স্কুল কিমানখন আছে যোৱা বাজেট চেচনতো ইয়াৰ উত্তৰ আমি পোৱা নাই। তেখেতে যি ৬ খন জিলাৰ কথা

* Speech not corrected

কৈছে, অসমত কেৱল ৬ খন জিলাহে আছে নেকি? মাননীয় মন্ত্ৰী মহোদয়ে সদনত এই উত্তৰটো দিব লাগে।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে মাননীয় সদস্যা গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেইমতে উত্তৰ দিয়াত কিছু অসুবিধা আহি পৰিছে। অসমত জিলা ২৩ খন আছে। অসমীয়া মেডিয়াম আৰু বড়ো মেডিয়ামৰ এম.ই. স্কুল কেইখন আছে বুলি সোধা প্ৰশ্নৰ উত্তৰত কওঁ যে বড়ো অটনমাচ কাউন্সিল এলেকাত বড়ো মেডিয়ামৰ এল.পি., এম.ই. আৰু হাইস্কুল আছে। গোটেই অসমত ৩০,১৪৫ এল.পি. স্কুল আৰু ৬ হেজাৰ খন এম.ই. স্কুল হব। এতিয়া মই ৬ খন জিলাৰহে তথ্য পাইছো। বাকী কেইখন পোৱা নাই।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ অসমত যি কেইখন জিলা আছে গোটেই কেইখনৰ তথ্য কিয় দিব নোৱাৰে? বিভাগীয় মন্ত্ৰী মহোদয়ে বাকী তথ্যখিনি সদনত দিব পাৰিব লাগিছিল।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২৩ খন জিলাৰ পৰা তথ্য আনি গোটেই বিলাকৰ নাম দিয়াটো সম্ভৱ নহয়। বিশেষকৈ বেলেগ বেলেগ কৈ তথ্য বিচৰাৰ কাৰণেহে আমাৰ অসুবিধা হৈছে। যিহেতু গোটেই নামৰ তালিকাখন আমাৰ ইয়ালৈ অহা নাই। যি ৬ খন জিলাৰ পৰা আহিছে সেই কেইখনৰ তথ্যখিনিহে দিয়া হৈছে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে গোটেই কেইখন জিলাৰ পৰা তথ্য সংগ্ৰহ কৰি আনিব নোৱাৰে? আমি মুঠ সংখ্যা আৰু নামৰ তালিকাখনহে বিচাৰিছো।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সংখ্যাটো নিশ্চয় দিম। মোৰো জনাৰ প্ৰয়োজন আছে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমানখন অসমীয়া মেডিয়াম স্কুল আৰু কিমানখন বড়ো মেডিয়ামৰ স্কুল আছে সেই তথ্যটো সদনত দিব পাৰিব লাগিছিল।

* **শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, জিলা কেইখনৰ হিচাপ দিছে কিন্তু জিলা কেইখনত কি কি মেডিয়ামৰ স্কুল আছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে উল্লেখ কৰা নাই। বি.এ.চি. এলেকা অসমৰ ৭ খন

* Speech not corrected

জিলাত আছে। এই বি.এ.চি. এলেকাৰ বাদেও বড়ো লোক আছে। যোৱা বাজেট চেচনত উত্তৰ দিব নোৱাৰিলে আৰু এতিয়াও এই বাজেট চেচনত দিব পৰা নাই। কিয় দিব নোৱাৰে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে মাননীয় সদস্য সকলক তথ্য দিব পৰা হব বুলি কোৱা হৈছে। তথ্য আছে। কিন্তু সংগ্ৰহক কৰি আনোতে কিছু পলম হব। কাৰণ বি.এ.চি. এলেকাৰ পৰা অনাটো অসুবিধা হৈছে।

* **শ্ৰী শৰৎ বৰকটকী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি.এ.চি. এলেকাত কিমান খন স্কুলত বড়ো মিডিয়াম আৰু কিমানখন অসমীয়া মিডিয়াম আছে তথ্যখিনি আনি সদনত দাখিল কৰিলে ভাল হয়।

**Mr. Speaker :** Hon'ble Minister has already assured that the answer will be furnished by him to the House.

Now Starred Question No. 47. Hon'ble Member Shri Jyotish Das.

## বিষয় ঃ গোৱালপাৰা জিলাত বিদ্যালয়ৰ সংখ্যা।

**শ্ৰী জ্যোতিষ দাসে সুধিছে ঃ**

*৪৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাত মুঠ কিমান খন L.P., M.V., Sr. Basic/Jr. Basic School আছে?

(খ) কোনখন School ত কিমানজন শিক্ষক আছে? (শিক্ষকৰ নামসহ স্কুলৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) গোৱালপাৰা জিলাত L.P., M.V., Sr. Basic আৰু Jr. Basic School ৰ মুঠ সংখ্যা এনে ধৰণৰ।

| | | |
|---|---|---|
| এল.পি | - | ৯৪০ খন |
| নিম্ন বুনিয়াদী | - | ৪৬ খন |

* Speech not corrected

এম.ই./এম.ভি - ২১৮ খন
ছিনিয়ৰ বেছিক

(খ) বিদ্যালয়ত কাম কৰা শিক্ষকৰ নাম সহ বিদ্যালয়ৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হল।

* **শ্ৰী জ্যোতিষ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰৰ লগতে তালিকাখন দিছে ঠিক আছে, কিন্তু কোনখন স্কুলত কিমানজন শিক্ষক আছে তাৰ তালিকাখন সদনৰ মজিয়াত দাখিল কৰা হৈছে যদিও ইয়াক খেলিমেলি কৰি দিছে। শিক্ষা বিভাগৰ চৰকাৰ অৰ্ডাৰবোৰ ডি.পি.আইৰ কাগজতে সোমাই আছে। এইটো নোহোৱা হলে নিশ্চিত ভাবে কব পাৰিলেহেঁতেন যে কোন কোন স্কুলত কোন কোন শিক্ষক আছে। এতিয়া দেখা যায় যে স্কুলত শিক্ষকৰ পদ খালি থাকক বা নাথাকক নিজৰ নিজৰ সুবিধা অনুসৰি স্কুললৈ যোৱা দেখা যায়। এনেকুৱাও হৈছে কিছুমান স্কুলত ৯ জনলৈকে শিক্ষক নাহে আৰু কিছুমান স্কুলত এজন শিক্ষকে কাম চলাই আছে। মোৰ সমষ্টি গোৱালপাৰা জিলাত এনেকুৱা হৈছে। এই ব্যৱস্থা বিলাক লবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আটা ভল'মিনাচ তথ্য স্কুল বিলাকৰ নামত দিয়া হৈছে। শিক্ষকসকলৰ নাম দিয়া হৈছে। কিছু সংখ্যক থাকিব পাৰে। তাৰ ভিতৰত বদলি হোৱা বা অৱসৰ পোৱা সকলৰ কথাও আছে। সেই কাৰণে কিছুমানত বেছি থকা কাৰণে এতিয়া গাইডলাইন কৰা হৈছে। গাইডলাইন কৰা শেষ হোৱাৰ পিচত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক-শিক্ষয়িত্ৰীৰ কথা বিলাক পৰিস্কাৰ হব।

* **শ্ৰী জ্যোতিষ দাস ঃ** ১৯৯৬ চনতে চাহনাজ বেগম বুলি এগৰাকীৰ নিযুক্তি হৈছিল কিন্তু তেওঁৰ বিয়া হৈ গৈছে আৰু ভনীয়েকে কাম কৰি আছে। ইয়াত দিয়া কাগজ ইমান সাকাৰ সদৃশ যে ইয়াত নাম বিচাৰি উলিওৱা অসুবিধা হব।

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিজেই বিচাৰি পোৱা নাই লগত দিয়া সত্বেও। গতিকে মই বিচাৰিব লাগিলেও সমানে সময় যাব। ইয়াৰ উপৰিও বহুত স্কুলত প্ৰক্সি টিচাৰ আছে। বিলাসীপাৰা আৰু আন আন ঠাইতো এনে অৱস্থা হৈছে। বহুত ঠাইত শিক্ষকৰ সলনি বেলেগ কাম কৰি আছে আৰু এটা ৰেমুনাৰেশ্বন লৈ আছে। বহুত প্ৰক্সি টিচাৰ আছে।

---

* Speech not corrected

* **শ্ৰী নিজামুদ্দিন খান ঃ** প্ৰক্সি টিচাৰ আছে বুলি মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে চৰকাৰে সেই সকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিছে বা কৰিব মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** সকলো ঠাইতে হোৱা নাই। কিছু ঠাইত হৈছে। এইটো নিৰ্দ্দেশ দিয়া হৈছে। এইটো বন্ধ কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা লব দিয়া হৈছে। আমি লিখিত আপত্তি পাইছো।

* **শ্ৰী নিজামুদ্দিন খান ঃ** মাননীয় সদস্যই কৈছে যে কিছুমান স্কুলত ৯ জনকৈ শিক্ষক আছে আৰু আন কিছুমান স্কুলত এজনকৈ শিক্ষক আছে। ইয়াৰ ফলত শিক্ষাৰ পৰিবেশ নষ্ট হৈছে। বিষয়া পৰ্য্যায়ত নিবিড় সম্বন্ধ ৰাখি শিক্ষকসকলে এই পৰিবেশ চলাই আছে। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব জনাৱনে?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** কোনো কোনো ঠাইত তেনেকোৱা শিক্ষক বেছি হোৱাৰ তিনিটা কাৰণ আছে। এটা কাৰণ হ'ল তেওঁলোক গাওঁত থাকিব নিবিচাৰে আৰু টাউনত থাকি ইংৰাজী মাধ্যমত নিজৰ ল'ৰা-ছোৱালীক পঢ়াব বিচাৰিছে, দ্বিতীয় কাৰণ হ'ল আজিকালি দেশৰ অৱস্থাৰ কাৰণে ইনচিকিউৰড় অনুভৱ কৰে। আৰু তৃতীয়তে ঃ ডাব'ল চাৰ্ভিচ ওৱাইফ আৰু হাষ্টবেণ্ড দুয়ো একেলগে চাকৰি জীৱন বিচাৰে আৰু ফলত একেখন জিলালৈ বদলি কৰিবলগীয়া হয়। এনেকুৱা এল.পি. স্কুল আছে য'ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৭৫ জন আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা ২১ জন। দুজন পুৰুষ আৰু বাকীখিনি মহিলা।

* **শ্ৰী গহীন চন্দ্ৰ দাস ঃ** এই যে বেমাৰটো চলি আছে চিকিৎসাৰ কি ব্যৱস্থা কৰিছে জনাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** তেনেকুৱা অৱস্থা নিবাৰণৰ কাৰণে প্ৰস্তুতি চলি আছে।

(Starred Question No. 48 was not taken up as the questioner was not present when called for.)

**Mr. Speaker :** Now Starred Question No. 49. Hon'ble Member Dr. Kalyan Kumar Gogoi.

---

* Speech not corrected

## বিষয় ঃ জিলা পুথিভঁৰাল।

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

*৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ডিব্ৰুগড় জিলা পুথিভঁৰালখন আজি পৰ্য্যন্ত পূৰ্ণ পৰ্য্যায়ৰ হৈ নুঠাৰ কাৰণ কি?

(খ) জিলা পুথিভঁৰাল সমূহক বছৰি কিতাপ-পত্ৰ ক্ৰয় কৰিবৰ বাবে চৰকাৰে অনুদান আগবঢ়ায় নেকি?

(গ) ডিব্ৰুগড় জিলা পুথিভঁৰালখন বহুদিন মেৰামতিৰ অভাৱত জহিখহি যোৱাৰ বিষয়ে চৰকাৰ অৱগত নে?

(ঘ) যদি অৱগত তেন্তে মেৰামতিৰ বাবে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ডিব্ৰুগড় জিলা পুথিভঁৰাল এটা পূৰ্ণ পৰ্য্যায়ৰ পুথিভঁৰাল।

(খ) নবঢ়ায়।

(গ) হয়, অৱগত।

(ঘ) গড়কাপ্তানি বিভাগৰ সৈতে যোগাযোগ কৰি থকা হৈছে।

* **ডাঃ কল্যান কুমাৰ গগৈ ঃ** ডিব্ৰুগড় জিলা পুথিভঁৰালটো পূৰ্ণ পৰ্য্যায়ৰ বুলি মন্ত্ৰী মহোদয়ে কৈছে। কিন্তু আমি জনাত এতিয়ালৈকে এইটো উন্নত পৰ্য্যায়ৰ হোৱা নাই কাৰণ আজি লৈকে তাত প্ৰয়োজনীয় কিতাপ-পত্ৰ আদি কিনা হোৱা নাই। চৰকাৰৰ ফালৰ পৰা কোনো অনুদানো পোৱা নাই। চৰকাৰৰ ফালৰ পৰা কিবা অনুদান আদি পোৱা হবনে মন্ত্ৰী মহোদয়ে জনাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলা পুথিভঁৰালটো ১৯৪৮ চনৰ পৰা পূৰ্ণ পৰ্য্যায়ত চলি আছে। নিজা ভৱনতে চলি আছে কিন্তু এচ.এল.ই.চিৰ অনুদান নোহোৱাৰ বাবে কেইটামান পদ পূৰণ কৰিব পৰা নাই। পদ কেইটা হ'ল জিলা গ্ৰন্থাগাৰিক, উচ্চবৰ্গৰ সহায়ক, তথা হিচাপ ৰক্ষক আৰু গাণিতিক। জিলা গ্ৰন্থাগাৰৰ অৱস্থা সন্তোষজনক নহলেও শোচনীয় অৱস্থা প্ৰাপ্ত হোৱা নাই। যোৱা দুবছৰ বিত্তীয় সংকটৰ কাৰণে জিলা গ্ৰন্থাগাৰ সমূহৰ বাবে কিতাপ ক্ৰয় কৰিব পৰা নাই যদিও কেন্দ্ৰীয় ভাবে পুথিভঁৰাল সঞ্চালকালয়ৰ ক্ৰয় কমিটিৰ অন্য মান সাপেক্ষে কিতাব কিনি জিলা মহকুমা গ্ৰন্থাগাৰলৈ পঠোৱা হয়। ডিব্ৰুগড় জিলা পুথিভঁৰালৰ মেৰামতিৰ কাম গড়কাপ্তানী বিভাগৰ পৰা কৰা হয়। এই সম্পৰ্কে জিলা গ্ৰন্থাগাৰিকৰ পৰা উক্ত বিভাগৰ ওচৰত জনাই থকা হৈছে।

* Speech not corrected

* **ডাঃ কল্যান কুমাৰ গগৈ ঃ** তাত বহুদিন ধৰি লাইব্ৰেৰিয়ান নাই। অতি সোনকালে নিযুক্তি দিয়া ব্যৱস্থা কৰিবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। অতি সোনকালে ব্যৱস্থা লোৱা হ'ব।

**Mr. Speaker :** Now Starred Question No. 50, Mustafa Sahidul Islam to raise.

## বিষয় ঃ ধিং ক্ৰাপচ পেপাৰ উদ্যোগ।

**মোস্তাফা শ্বহীদুল ইচলামে সুধিছে ঃ**

*৫০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং ক্ৰাপচ (Crafts) পেপাৰ উদ্যোগৰ নামত কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) উক্ত আঁচনিৰ নামত কিমান টকা খৰচ হৈছে?

**শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ চৰকাৰৰ পৰিকল্পনা মতে হাতত লোৱা ধিং ক্ৰাপচ কাগজ প্ৰকল্পটোৰ কাম বিত্তীয় অনুস্থানে (আই.ডি.বি.আই) টাৰ্ম লোন (term laon) বিত্তীয় সাহায্য দিয়াৰ পৰা বিৰত থকাৰ বাবে সম্পূৰ্ণ হিচাবে বন্ধ ৰখা হৈছে। সেইয়ে ইয়াক পুনৰাই কাৰ্য্যক্ষম কৰিবলৈ, যুটীয়াখণ্ড বা ব্যক্তিগত খণ্ডত প্ৰতিস্থা কৰাৰ মানসেৰে চেষ্টা চলাই থকা হৈছে। যুটীয়া বা ব্যক্তিগত খণ্ডত প্ৰকল্পটোৰ কাম-কাজ আৰম্ভৰ বাবে কোনো উদ্যোগীক প্ৰতিস্থানৰ লগত সম্পূৰ্ণ ভাবে বুজাবুজি হোৱাৰ পিচতহে এই বিষয়ে আঁচনি প্ৰস্তুতিৰ কাম হাতত লোৱা হ'ব।

(খ) আগেয়ে প্ৰকল্পটোৰ কাম কাজ (আন্তঃ গাঁথনি), কৰ্মচাৰীৰ দৰ্মহা, ভূমি উন্নয়ন, গৃহ নিৰ্মান আদিৰ বাবে হোৱা প্ৰায় ১২ কোটি টকাৰ বাহিৰে, আন কোনো পৰৱৰ্ত্তী আঁচনিৰ বাবে টকা খৰচ কৰা হোৱা নাই।

* **মোস্তাফা শ্বহীদুল ইচলাম ঃ** তাত বহু হাজাৰ বিঘা মাটি আছে কিন্তু ইমান টকা খৰচ হৈ থকা স্বত্বেও কাম একো হোৱা নাই, মন্ত্ৰী মহোদয়ে জনাবনে?

* **শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী) ঃ** প্ৰকল্পটোৰ কাম-কাজ অসম চৰকাৰৰ পৰিকল্পনা অনুসৰি পুনৰ মেৰামতিৰ চেষ্টা চলাই থকা হৈছে।

---

* Speech not corrected

সম্পূৰ্ণভাৱে চলাবলৈ পূৰ্ণ প্ৰস্তুতি চলাই থকা হৈছে।

*** শ্ৰী দেৱকান্ত ৰামচিয়াৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখাত সদনৰ কাম-কাজ ঠিক মতে চলা দেখা নাই। মই নিজে আজি সদনত উপস্থিত থাকি এইদৰে অনিয়ম অনীতি সহ্য কৰিব নোৱাৰো। সেয়ে ইয়াৰ প্ৰতিবাদত মই সদন কক্ষ ত্যাগ কৰিলো।

(মাননীয় সদস্যজনে সদন কক্ষ ত্যাগ কৰে।)

(Starred Question Nos. 51 to 57 could not be taken up as the Question Hour was over, flowever the replies of the said question deemed to have been laid on the table of the House.)

## Re.: Appointments of Teacher.

**Shri Bimolangshu Roy asked :**

*51. Will the Minister of Education be pleased to state:

(a) Is it a fact that no teacher has been appointed in L.P. Schools of Cachar district though in all other district thousands of teachers have been appointed?

(b) What is the reason for such discrimination and what Government proposes to do as remedial measures?

(c) Will the Government appoint teachers to L.P. Schools of Cachar district and if so, when?

**Shri Thaneswar Boro (Minister) replied :**

(a) Yes.

(b) There has been no discrimination.

(c) Yes, when ban on appointment will be lifted and nex Sub-Divisional Level Advisory Board is re-constituted.

## বিষয় ঃ স্কুলৰ চৰকাৰীকৰণ ব্যৱস্থা।

**শ্ৰী ওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

*৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান বিত্তীয় বছৰত বে-চৰকাৰী হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী

---

* Speech not corrected

স্কুলবোৰ চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নে?

(খ) যদি লৈছে, কি ভিত্তিত লোৱা হ'ব?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰীকৰণৰ কোনো প্ৰস্তাৱ নাই।

(খ) প্ৰশ্নই নুঠে।

## Re.: Vacancies of Principals and Vice-Principals.

**Smti. Pramila Rani Brahma asked :**

*53. Will the Minister of Education be pleased to state:

(a) Whether the vacant posts of Principal and Vice Principal have been filled up by giving appointment in the Kokrajhar Government Multipurpose Higher Secondary School?

(b) If not, the reason of keeping these posts vacant since long?

**Shri Thaneswar Boro (Minister) replied :**

(a) The vacant post of Principal in Kokrajhar Govt. Multipurpose and Higher Secondary School has been filled up recently. Steps are being taken to fill up the post of Vice-Principal.

(b)
(c) } Does not arise.

## বিষয় ঃ জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

*৫৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৪/৪/২০০০ ইংৰাজীৰ তৰাবিহীন প্ৰশ্নৰ (গ) নং ৰ উত্তৰত শিলঘাগৰী বান্ধৰ বিপৰীতে দেখুৱা খৰচৰ হিচাবৰ কামবোৰ প্ৰকৃতাৰ্থত কৰা হৈছেনে? (কাম কৰা/নকৰাৰ মন্তব্য সহ (Item wise) খৰছৰ

বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) (i) ধুবুৰী জিলাৰ ঘোঘাবিল (বৰকান্দা)ৰ চুইচ গেটৰ জৰীপ কাৰ্য্য শেষ হ'লনে?

(ii) জৰীপ কাৰ্য্য শেষ হৈ থাকিলে "চুইচ গেট"টোৰ কাম কেতিয়া আৰম্ভ কৰা হব আৰু শেষ হৈ নাথাকিলে এই জৰীপৰ কাম কেতিয়ালৈ শেষ হব?

**শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, কামবোৰ কৰা হৈছে। ইয়াৰ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰা হ'ল। Annexure-A (See the Annexure-II)

(খ) (i) জৰীপ শেষ হৈছে।

(ii) প্ৰয়োজনীয় প্ৰশাসনীক অনুমোদন আৰু বিত্তীয় পৰিস্থিতিৰ সাপেক্ষে কামটো আৰম্ভ কৰিব পৰা যাব।

## বিষয় ঃ বিষয় শিক্ষক নিযুক্তি।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

*৫৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান ৰাজ্য চৰকাৰে শাসনভাৰ লোৱা পাছৰে পৰা আজি তাৰিখলৈ ডিব্ৰুগড় জিলাত কিমান গৰাকী বিষয় শিক্ষক নিযুক্তি দিয়া হ'ল জনাবনে? (সমষ্টি সহ নামৰ সৈতে তালিকা সদনৰ মেজত দিবৰ বাবে অনুৰোধ কৰা হ'ল)

(খ) ডিব্ৰুগড় সমষ্টিত বৰ্ত্তমানেও কিমান বিষয় শিক্ষকৰ পদ খালি হৈ আছে? (স্কুল সহ পদৰ সংখ্যা জনাবলৈ অনুৰোধ কৰা হ'ল)

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৬ (ছয়) গৰাকী বিষয় শিক্ষক নিযুক্তি দিয়া হৈছে। (উক্ত ৬ গৰাকী বিষয় শিক্ষকৰ নাম তালিকা দাখিল কৰা হ'ল Annexure-A (See the Annexure-III)

(খ) ডিব্ৰুগড় জিলাৰ পৰিদৰ্শকৰ পৰা পোৱা তথ্যৰ পৰা দেখা যায় যে ৫ (পাঁচ) খন বিদ্যালয়ত ৫ (পাঁচ) টা বিষয় শিক্ষক পদ খালী আছে। (তালিকা সংলগ্ন কৰা হ'ল Annexure-B (See the Annexure-III-A)

## বিষয় ঃ কনিষ্ঠ মহাবিদ্যালয়ৰ সংখ্যা।

**মোস্তাফা শ্বহীদুল ইছলামে সুধিছে ঃ**

*৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমানে কিমান সংখ্যক কনিষ্ঠ মহাবিদ্যালয় আছে আৰু সেইবোৰৰ নাম কি কি?

(খ) উক্ত কনিষ্ঠ মহাবিদ্যালয়বোৰ চৰকাৰী কৰণৰ কাৰণে চৰকাৰে কিবা আচনি লৈছে নে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমানে অসমত ৯৮ খন কনিষ্ঠ মহাবিদ্যালয় আছে। নামৰ তালিকা সন্নিবিষ্ট কৰা হ'ল। (See the Annexure-IV)

(খ) মহাবিদ্যালয়বোৰ চৰকাৰী কৰণৰ কাৰণে চৰকাৰে কোনো আঁচনি লোৱা নাই।

## বিষয় ঃ গেছ ক্ৰেকাৰ।

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

*৫৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ লেপেট কটাত স্থাপন কৰিবলগীয়া গেছ ক্ৰেকাৰ প্ৰকল্পৰ নিৰ্ম্মাণৰ কাম আৰম্ভ কৰা হৈছে নে?

(খ) যদি হোৱা নাই কি পৰ্য্যায়ত আছে জনাবনে?

(গ) এই প্ৰকল্পৰ নিৰ্ম্মাণৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব?

**শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হোৱা নাই।

(খ) গেছ ক্ৰেকাৰ প্ৰকল্পৰ কাম আৰম্ভ কৰাৰ আগতে Reliance Industries Ltd. এ সম্পূৰ্ণ মাটি হস্তান্তৰ কৰা কাম আৰু Oil India Ltd. আৰু ONGC ৰ মাজত গেছ যোগান চুক্তি সম্পূৰ্ণ যোৱাটো বিচাৰে। ইতিমধ্যে যোৱা বছৰৰ October মাহৰ ১৯ তাৰিখে Oil India Ltd. আৰু Reliance Assam Petrochemicals Ltd. ৰ মাজত কেঁচামাল চুক্তি সম্পাদন কৰা হৈছে।

ভাৰত চৰকাৰে ইতিমধ্যে Gas Cracker Project ৰ কাম সোনকালে আৰম্ভ কৰাৰ বাবে বিভিন্ন কাম তলত দিয়া নিৰ্ধাৰিত সময় সূচী বান্ধি দিছে ঃ

(১) ONGC আৰু Reliance Assam Petrochemicals ৰ মাজত কেঁচামালৰ চুক্তি - 15th March, 2001.

(২) মাটি অধিগ্ৰহণ আৰু হস্তান্তৰ কাৰ্য্য - 31/3/2001

(৩) প্ৰকল্পৰ প্ৰাথমিক সকলো কাম সম্পূৰ্ণ কৰাৰ তাৰিখ (Zero date) 1st April, 2001.

(গ) ভাৰত চৰকাৰে গেছ্ ক্ৰেকাৰ প্ৰকল্পৰ কাম আৰম্ভ কৰাৰ বাবে জুন মাহৰ ২০০১ ৰ সময়সীমা বান্ধি দিছে।

## Unstarred Questions and Answers

## বিষয় ঃ পানী যোগান আঁচনি।

**শ্ৰী জ্যোতিষ দাসে সুধিছে ঃ**

২৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা Irrigation Deptt. ৰ অন্তৰ্গত হাটীগাওঁৰ পথাৰত পানী যোগান আঁচনি অৰ্দ্ধনিৰ্মিত হৈ থকাৰ কাৰণ কি?

(খ) উক্ত আঁচনি কিমান টকাৰ আছিল আৰু এই আঁচনিখনৰ কাম সম্পূৰ্ণ কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গোৱালপাৰা জলসিঞ্চন সংমণ্ডলৰ অন্তৰ্গত হাতীগাওঁ প্ৰৱাহিত জলসিঞ্চন আঁচনিটো বিত্তীয় আৱন্টনৰ অভাৱৰ বাবে অৰ্দ্ধনিৰ্মিত হৈ আছে।

(খ) উক্ত আঁচনিখনৰ বাবে মুঠ অনুমোদিত ধন আছিল ৬৪·১৫ লাখ টকা। ননলেপচেৰল চেন্ট্ৰেল পুল - ৩ য় খণ্ডৰ সহায়ত আঁচনিখনৰ বাকী কামখিনি সম্পূৰ্ণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

## Re.: Canal of Champamati Irrigation Project.

**Smti Pramila Rani Brahma asked :**

24. Will the Minister of Irrigaton be pleased to state:

(a) Why the right bank Canal of Champamati Irrigation Project is not functioning?

(b) Whether the estimate of crossing the 31 N.H. way

of the right bank canal has been approved and sanctioned by the Government?

(c) If not why and the hindrances of not sanctioning?

**Shri Abdul Muhib Mazumdar (Minister of Irrigation) replied :**

(a) The right bank Canal of Champamati Irrigation Project is not functioning due to non-completion of bridge at the N.H. (31c) Crossing at 61-st Km given to state P.W.D. (N.H.) for construction as deposit work.

(b) The estimate of the National Highway (NH 31c) submitted by the P.W.D. (N.H.) has not yet been technology approved by the Ministry of surface Transport Govt. of India.

(c) Not known to this department.

**বিষয় ঃ চিগাৰেট উৎপাদন কেন্দ্ৰ।**

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

২৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমানলৈকে অসমত কেইটা চিগাৰেট উৎপাদন কেন্দ্ৰ স্থাপন কৰা হৈছে?

(খ) উক্ত কেন্দ্ৰ সমূহত বছৰি কিমান পৰিমাণৰ চিগাৰেট উৎপাদন হয়?

(গ) উক্ত চিগাৰেট উৎপাদন কেন্দ্ৰ সমূহক বছৰি কিমান টকাৰ আবকাৰী শুল্ক ৰেহাই দিয়াৰ ব্যৱস্থা আছে আৰু অসম চৰকাৰে বছৰি কিমান ৰাজহ উক্ত কেন্দ্ৰ সমূহৰ পৰা আহৰণ কৰে?

**শ্ৰী গুণীন হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৬ টা চিগাৰেট উদ্যোগ।

(খ) বৰ্ত্তমান এবছৰ নহওতে বন্ধ হোৱা বাবে তথ্য দিব পৰা নগল।

(গ) বৰ্ত্তমান নাই। কিন্তু উদ্যোগ গোট সমূহে আৰম্ভনিৰে পৰা ২০০০ চনৰ আগষ্ট মাহলৈকে ২০২·২২ কোটি টকা আবকাৰী শুল্ক ৰেহাই পাইছে আৰু লগে লগে অসম চৰকাৰে ১৪·৪৭ কোটি ৰাজহ পাইছে।

Re.: **Subject Teacher.**

**Smti. Pramila Rani Brahma asked :**

26. Will the Minister of Education be pleased to state:

(a) Whether the vacancies of Subject Teachers in Kokrajhar Government B.Ed. College have been filled up?

(b) If not, the reason for keeping the posts vacant for many years?

**Shri Thaneswar Boro (Minister) replied :**

(a) There is no post of Subject Teacher in Kokrajhar Govt. B.Ed. College.

(b) Does not arise.

## Announcement From The Chair

**Mr. Speaker :** A question was raised before the House on 9/2/2001 that in the event of a rule being issued by the Hon'ble High Court against the Speaker, whether the Speaker should not function as Speaker. Though I have yet to receive such notice from the Court, however, presuming that such rule has been issued I would like to inform the House that there is no rule or provision whereby a Speaker is disentitled to seat in the House in the event of a rule being issued by the High Court. The only provision whereby the Speaker can be removed is contained under Rule 135 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly which provides for a resolution for removal of a Speaker.

However, as the matter involves a complicated question of law and propriety, viz, whether the High Court can issue rule against a Speaker who enjoys the

## Announcement From The Chair

confidence of the House and whether the Speaker is under an obligation to vacate the chair in such a situation and other such related aspects may be looked into by a Committee of the House. The point for examination before the Committee will be scope and ambit of powers of the judiciary to interfere with the functioning of the Speaker/Legislature vis-a-vis the independence of the Legislature under the provisions of the Indian Constitution.

A Committee is constituted with the following Members.

1. Shri Hitendra Nath Goswami - Chairman.
   Hon'ble Minister for Parliamentary Affairs.
2. Shri Abdul Muhib Mazumdar - Member.
   Hon'ble Minister, Irrigation.
3. Shri Dilip Kumar Saikia, MLA - Member.
4. Shri Prithibi Majhi, MLA - Member.
5. Shri Bimolangshu Roy, MLA - Member.
6. Dr. Deba Kanta Ramchiary, MLA- Member.
7. Shri Holi Ram Terang, MLA - Member.

The Committee will submit report on 22nd February, 2001 afternoon.

## Discussion During Zero Hour

**Mr. Speaker :** Now Zero Hour. I have received as many as 7 Zero Hour Notices for to-day from the following Hon'ble Members :

1. Shri Dileswar Tanti
2. Shri Ali Akbar Miah
3. Shri Bimolangshu Roy
4. Shri Girindra Kumar Barua
5. Shri Nizamuddin Khan

6. Dr. Ardhendu Kumar Dey
   Shri Sarat Barkataky
   Shri Ajit Singh
   Shri Girindra Mallik
   Shri Misbahul Islam Laskar
   Shri Prithibi Majhi
   Dr. Nazrul Islam
7. Dr. Hemoprova Saikia

As per rule, I have selected 3 Zero Hour Notices for raising before the House to-day.

Now, I request the Hon'ble Member, Shri Dileswar Tanti to raise his Zero Hour Motion which was published in "Amar Asom" dated 1/2/2001 under the caption "সংকটজনক অৱস্থাত টঙলা চাহ-বাগিছাৰ শ্ৰমিক"।

* **শ্ৰী দিলেশ্বৰ তাতী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা এক ফেব্ৰুৱাৰী তাৰিখৰ আমাৰ অসম কাকতত ওলোৱা 'সংকটজনক অৱস্থাত টংলা চাহ-বাগিছাৰ শ্ৰমিক' নামৰ বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। টঙলা চাহ বাগিচাখন তিনিচুকীয়া সমষ্টিৰ মৰোৱা মৌজাৰ অন্তৰ্গত বাগিছা। আজি ছয় সাত মাহ ধৰি এই বাগিছাখন বন্ধ হৈ আছে আৰু বাগিছাৰ পৰিচালণ সঞ্চালক বা বাগিছাৰ মেনেজমেন্টৰ মানুহ বাগিছাৰ পৰা পলাই ফুৰিছে। চাৰি পাচ মাহ ধৰি কৰ্ম্মচাৰী সকলে দৰমহা পোৱা নাই। শ্ৰমিক সকলে প্ৰায় ছ মাহ ধৰি তেওঁলোকে ৰেচন, দৰমহা আদি একো পোৱা নাই। যোৱা বছৰৰ পাবলগীয়া বনাচো আজিলৈকে পোৱা নাই। লেবাৰ ডিপাৰ্টমেন্টৰ কমিশ্বনাৰ গৈ বাগিছা পৰিদৰ্শন কৰিছে আৰু স্থানীয় ট্ৰেড ইউনিয়নৰ বিষয়া সকলে ডি.চিৰ লগত মালিকক হেঁচা দিবলৈ চেষ্টা কৰি আছে। মালিকে তেওঁলোকৰ প্ৰতিনিধিৰ হাতত দুই মাহৰ দৰমহা দি তেওঁলোক পলাই আছে। নিজে আহি উপস্থিত হোৱাহি নাই। এইটো এটা গুৰুত্বপূৰ্ণ ঘটনা। ইতিমধ্যে কেবাজনো শ্ৰমিক বৃদ্ধ অৱস্থাত পৰি বা দৰমহাৰ অভাৱত ভোকত আৰু চিকিৎসাৰ অভাৱত মৃত্যু মুখত পৰিছে। লেবাৰ কমিশ্বনাৰ চেক্ৰেটাৰী তালৈ যাব লাগিছিল বা মন্ত্ৰী মহোদয়

* Speech not corrected

তালৈ যাব লাগিছিল কিন্তু যোৱা নাই। তেতিয়া মালিকক দিশপুৰলৈ মতাই আনি আলোচনা আদি কৰিব পাৰিলেহেঁতেন। এই বাগিছাখনৰ চাৰি হাজাৰতকৈ অধিক শ্ৰমিক আছে। ল'ৰা-ছোৱালীৰ সংখ্যা সাত আঠ হাজাৰ মান হব। আমাৰ আজি এখন নিজ চৰকাৰ থকা সত্বেও আৰু এটা বিভাগ থকা সত্বেও বাগিছাখন বন্ধ হৈ যোৱাটো অতি গুৰুত্বপূৰ্ণ কথা। কাৰণ এই সময়তে প্লেনিং নকৰিলে অহা বছৰত চাহপাত পোৱা নাযাব। এই বাগিছাখনৰ জৰিয়তে ১০/১২ হাজাৰ মানুহৰ জীয়াই থকাৰ সম্বল। সেইকাৰণে এই বিষয়টোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ যাতে অন্ততঃ চৰকাৰে বাগিছাৰ মালিকক মতাই আনি দিছপুৰতে হলেও আলোচনা আদি কৰি সমসাটোৰ সমাধান কৰে। প্ৰয়োজন হলে পশ্চিমবঙ্গ চৰকাৰৰ লগত যোগাযোগ কৰি হলেও মালিকক মতাই অনাৰ ব্যৱস্থা কৰিব লাগে কাৰণ বাগিছাৰ মালিক কলিকতাতহে থাকে।

পশ্চিমবঙ্গ চৰকাৰৰ লগত যোগাযোগ কৰি হলেও দিছপুৰলৈ যাতে মাতি অনাৰ ব্যৱস্থা কৰা হয় তাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। এনে ধৰণৰ পৰিস্থিতি চৰাইদেউ বাগিচাতো হৈছে বুলি জানিব পাৰিছো। এনেকুৱা পৰিস্থিতি প্ৰতিখন চাহ বাগিছাত হব পাৰে। অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত সোণৰ মুদ্ৰা অৰ্জণ কৰা শিল্প মৰাৰ উপক্ৰম হৈছে। আৰম্ভণীতে হস্তক্ষেপ কৰি বিহিত ব্যৱস্থা নলয় তেন্তে অদূৰ ভৱিষ্যতে অন্যান্য চাহ বাগিছা কৰ্ত্তৃপক্ষই বাগিছাবোৰ বন্ধ কৰি পলাই যোৱাৰ উপক্ৰম কৰিব। আমাৰ প্ৰদেশৰ অৰ্থনীতিৰ স্বাৰ্থত, চাহ কৰ্ম্মচাৰী, মজদুৰৰ স্বাৰ্থত মালিক পক্ষক মাতি আনি ব্যৱস্থা লব লাগে। যদি তেওঁলোকে চলাব নোৱাৰে তেন্তে চাহ বোৰ্ডৰ ৰেজিষ্ট্ৰেচন কেন্সেল কৰি চৰকাৰে অধিগ্ৰহণ কৰি চাহ বাগিছা চলোৱাৰ ব্যৱস্থা লবৰ কাৰণে অনুৰোধ জনালো।

*** শ্ৰী ফণী ভূষণ চৌধুৰী (শ্ৰম মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১/২/২০০১ তাৰিখে আমাৰ অসম বাতৰি কাকতত 'সংকটজনক অৱস্থাত টংলা চাহ বাগিছাৰ শ্ৰমিক' শিৰোনামাত প্ৰকাশিত বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোটৰ হৈছে। এই বাগিছাখন সম্পৰ্কত তেখেতে ভালকৈ জ্ঞাত। এই যিটো বেমাৰ চলি আছে ইয়াৰ আগতেও এই বাগিছাখনত হৈছিল। এই বাগিচাখনৰ বিৰুদ্ধে গোচৰ ৰুজ্জু কৰা হৈছে। এই বাগিছাখনৰ শ্ৰমিক কৰ্ম্মচাৰীক লৈ তেখেত যেনেকৈ চিন্তিত চৰকাৰো সেই ধৰণেই চিন্তিত। শ্ৰমিক, কৰ্ম্মচাৰীসকলৰ দুৰৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰম বিভাগে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। দৰ্ম্মহা আদায়, স্বাস্থ্য

* Speech not corrected

আদিকে ধৰি ২০০০-২০০১ চনলৈ ৫টা কেচ ৰুজু কৰা হৈছে। বাগান কৰ্তৃপক্ষই যি ধৰণে গুৰুত্ব আৰোপ কৰিব লাগিছিল সেই ধৰণে গুৰুত্ব দিয়া নাই। তেখেতৰ পৰামৰ্শ নিশ্চয় গ্ৰহণ কৰিম আৰু শ্ৰম আয়ুক্ত, শ্ৰম সচিবক জড়িত কৰি মালিক পক্ষক মাতি অনাৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা লম। লগতে এই অৱস্থাটো নাইকিয়া কৰিব কাৰণে প্ৰয়োজনীয় ব্যৱস্থা লম।

**Mr. Speaker :** Now, I request the Hon'ble Member Shri Girindra Kumar Barua to raise his Zero Hour motion which was published in the Dainik Agradoot dated 11/02/2001. under the caption "মাচুল ৫০ৰ ঠাইত ৬০০-পাব্লিক স্কুলৰ প্ৰৱঞ্চনাৰ বলি হল ৪৩ জন ছাত্ৰ-ছাত্ৰী"।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়; যোৱা কালি দৈনিক অগ্ৰদূত কাকতত প্ৰকাশ পাইছে মাচুল ৫০ৰ ঠাইত ৬০০-পাব্লিক স্কুলৰ প্ৰৱঞ্চনাৰ বলি হল ৪৩ ছাত্ৰ-ছাত্ৰী সেই একে বাতৰি আজি চেন্টিনেল কাকতত প্ৰকাশ পাইছে। বাতৰিটোত লিখা হৈছে দিশপুৰৰ গাতে লাগি থকা ৰাজধানী পাব্লিক ইংৰাজী স্কুলৰ কৰ্তৃপক্ষৰ কাণ্ডজ্ঞানহীনতাৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হব লগা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অন্ধকাৰ হৈ পৰিছে। এই বিদ্যালয়খন চি.বি.এচ.ইৰ ৰিকগনিচন কৰা হৈছে। মেট্ৰিক পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে ফৰ্ম্ম ফিলাপ কৰিছিল। এডমিট কাৰ্ড অহা নাই। এডমিট কাৰ্ড নাপাই বিদ্যালয় চৌহদৰ স্কুটাৰ, ঘৰ দুৱাৰ ভাঙি পেলায়। অভিভাৱকে ঘৰ, স্কুটাৰ ভঙাটো ডাঙৰ বিষয় নহয়। যি বিলাক পাব্লিক বিদ্যালয় আছে সেই বিলাক চৰকাৰৰ নিয়ন্ত্ৰণলৈ অনাটো শিক্ষা মন্ত্ৰীৰ মনত আছে যোৱা বাৰ বাজেট অধিবেশনত উত্থাপন কৰা হৈছিল যে লিটল ফ্লাৱাৰ স্কুলে কোনো কাৰণ নোহোৱাকৈ ১০জন শিক্ষকক বিদায় দিছে। ইয়াৰ ফলত অনিৰ্দ্দিষ্ট কাললৈ স্কুল বন্ধ আছিল। আমি ৫/৬ গৰাকীয়ে বিধায়কে আলোচনাত অংশ গ্ৰহণ কৰিছিলো। তেতিয়া স্বীকাৰ কৰিছিল যে ব্যক্তিগত স্কুল বিলাক কাঠ ফুলাৰ দৰে গঢ়ি উঠিছে আৰু আইন প্ৰণয়ণ কৰি ব্যৱস্থা লোৱাৰ চিন্তা কৰিছো। এইবিষয়ত আশ্বাস দিয়া হৈছিল। এই বিষয়টোৰ প্ৰতি মই চৰকাৰৰ পুনৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ প্ৰাথমিক, হাইস্কুল পাতিব লাগিলে নিৰ্দ্দিষ্ট নীতি নিয়মৰ ভিতৰত পাতিব লাগে। ঘৰ, মাটিৰ নিৰ্দ্দিষ্ট পৰিমাণ আছে। কিন্তু ব্যক্তিগত স্কুলৰ ক্ষেত্ৰত দেখা যায় তলত মানুহ থাকে, দোকান

* Speech not corrected

থাকে ওপৰত দুটা খালি কোঠাত বিদ্যালয় আৰম্ভ কৰিছে। তেখেতে কি উত্তৰ দিব গম পাইছো। এঘন্টা শুনিলো। কেন্দ্ৰীয় চৰকাৰে মানৱ সম্পদ বিকাশ বিভাগ বুলি কয়। যদি ব্যক্তিগত স্কুলৰ ক্ষেত্ৰত আইন প্ৰনয়ণ নকৰে তেন্তে শিক্ষা বিভাগ অথলে গল। অসমীয়া স্কুলৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লৈছে। কিন্তু ইংৰাজী মাধ্যমৰ স্কুলৰ ক্ষেত্ৰত ব্যৱসায়, প্ৰতিষ্ঠান আৰম্ভ কৰিছে। এই বিদ্যালয় বিলাক নীতি নিয়ম বহিৰ্ভূত ভাবে হৈছে।

মাননীয় অধ্যক্ষ মহোদয়,ব্যক্তিগত বিদ্যালয়সমূহ এটা নীতি নিৰ্দেশনা, আইনৰ গণ্ডীৰ ভিতৰলৈ আনিব লাগে। তাৰ কাৰণে চৰকাৰক আইনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছো। এই কথাটো মই যোৱাবাৰো কৈছিলো। বিষয়টো গুৰুত্বৰ আৰু অপ্ৰাসংগিক বুলি নধৰিব। দুৰ্ভাগ্যৰ কথা এয়ে যে শ্ৰী বৃন্দাবন গোস্বামী শিক্ষামন্ত্ৰী হৈছিল। তেখেতক গুণি-জ্ঞানী বুলি বিবেচনা কৰোঁ। তাৰ পিছত শ্ৰী শৰৎ চন্দ্ৰ বৰকটকী শিক্ষামন্ত্ৰী হৈছিল। এতিয়াৰ শিক্ষামন্ত্ৰী গৰাকী হাহিঁ মুখেৰে কথা পাতে। আমি কোৱা শুনিছিলো ব্ৰহ্মপুত্ৰ সভ্যতা পাঁচ হাজাৰ বছৰ পূৰ্বে আৰম্ভ হৈছিল। এই আটাইকেইজন পণ্ডিত স্তৰলৈ যোৱা লোক। তথাপিও শিক্ষা বিভাগটো ইমান তললৈ গৈছে। ইয়াৰ এটা ব্যৱস্থা কৰা হোৱা নাই। দুমাহ আগতে মোৰ পৰিবাৰে শিক্ষকৰ দৰ্মহা বিচাৰি শিক্ষা বিভাগৰ কাৰ্য্যালয়লৈ যাওঁতে কাৰ্য্যালয়ৰ কেৰাণী নিৰঞ্জন বৰুৱাই জনালে আপুনিতো এম.এল.এ.ৰ পৰিবাৰ, এনেয়ে ১৫ হাজাৰ টকা দিয়ে আপুনি ৫ হাজাৰ দিলেই হ'ব। আপোনাৰ শিক্ষা বিভাগৰ কাম-কাজ দেখি সকলোৰে ধৈৰ্য্যচ্যুতি ঘটিছে। অকল অসমীয়া মাধ্যমৰ স্কুল খোলাতো দশ বছৰৰ কাৰণে বন্ধ কৰি দিছে। শিক্ষক নিযুক্তি বন্ধ কৰিছে। কিন্তু ব্যক্তিগত পৰ্য্যায়ত এইটো কৰা হোৱা নাই। যদি এই বিদ্যালয়বোৰ আৰম্ভনিতে আইনৰ গণ্ডিৰ ভিতৰলৈ আনিব নোৱাৰে তেনেহলে আপোনাৰ বিভাগৰ উন্নতি কেতিয়াও নহয়। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক পুনৰ অনুৰোধ কৰিছোঁ এই সম্পৰ্কত ব্যৱস্থা লব লাগে।

*** শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰুৱা ডাঙৰীয়াই যিটো বিষয় উৎথাপন কৰিছে আমাৰ বিভাগৰ ফালৰ পৰা তদন্ত কৰি কিছু তথ্য উৎথাপন কৰিছো। সেইটো যথেষ্ট নহয়। মই নিজাববীয়াকৈ অন্য প্ৰকাৰে খবৰ লৈছো। গুৱাহাটীত যথেষ্ট সংখ্যক ব্যক্তিগত স্কুল খুলিছে। এই স্কুলবোৰ চি.বি.এছ.চি কোৰ্চৰ। চি.বি.এছ.চি কোৰ্চত ছাত্ৰই পৰীক্ষা পাছ কৰাত

* Speech not corrected

সুবিধা আছে। নম্বৰ বেছিকৈ পায়। আনহাতে অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰ 'চেৱা' কোৰ্চৰ অধীনত। সেই কাৰণে এটা অসুবিধা হৈছে। এই পাৰ্থক্য নাইকীয়া কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা চেষ্টা কৰা হৈছে। চি.বি.এছ.চিয়ে নিয়ন্ত্ৰণ কৰা পৰীক্ষাসমূহত মুঠ নম্বৰ ৫০০ হোৱা বাবে ছাত্ৰ-ছাত্ৰীয়ে ৩০০ নম্বৰ পালেই শতকৰা ৬০ ভাগ নম্বৰ পাই প্ৰথম শ্ৰেণী লাভ কৰে। কিন্তু 'চেৱা'ৰ অন্তৰ্গত মেট্ৰিক পৰীক্ষাত ৯০০ নম্বৰৰ ভিতৰত ৩০০ নম্বৰ পালে শতকৰা ৩৩ ভাগ নম্বৰ পাই তৃতীয় বিভাগতহে পায়। এতিয়া প্ৰতিযোগিতা হৈছে। ইয়াৰ ফলত অভিভাৱকসকলে চি.বি.এচ.চিত নাম ভৰ্ত্তি কৰাবৰ বাবে হেতা ওপৰা লগাইছে। ফলত ব্যক্তিগত স্কুল সংখ্যা বৃদ্ধি পাইছে।

যোৱাবাৰৰ পৰা নৱমমান শ্ৰেণীৰ পাঠ্যক্ৰমৰ ওপৰত নৱমমানতে চূড়ান্ত পৰীক্ষা লোৱা হৈছে। আৰু অকল দশম মান শ্ৰেণীৰ পাঠ্যক্ৰমৰ ওপৰত মেট্ৰিক পৰীক্ষাৰ চূড়ান্ত পৰীক্ষা লোৱা হব। এই ব্যবধান দূৰ কৰিবৰ বাবে ১২ তাৰিখৰ পৰা অনুষ্ঠিত হব লগীয়া মেট্ৰিক পৰীক্ষাৰ নম্বৰ ৬০০ কৰা হৈছে। ৰাজধানী পাব্লিক স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ বিষয়ে উৎথাপিত হৈছে। স্কুলখনৰ অধ্যক্ষই ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ বাবে অনুমতি বিচাৰি দিল্লীলৈ গৈছে। তাতেই কোনো মধ্যস্থতাকাৰীয়ে চি.বি.এচ.চিৰ অনুমতি লৈ দিব। তাৰ কাৰণে প্ৰতিজন ছাত্ৰৰ পৰা এক হাজাৰ, দুহেজাৰ টকা লৈছে। আনকি তাতকৈও অধিক শকত পৰিমাণৰ ধন বিচাৰিছে বুলি ওলাই পৰিছে। বাছনি পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলক ইতিমধ্যে পৰীক্ষা দিবলৈ অনুমতি দিছে। বাছনি পৰীক্ষাত উত্তীৰ্ণ নোহোৱাসকলক লৈ সমস্যা হৈছে। স্কুলৰ অধ্যক্ষ গৰাকী দিল্লীতে আছে। এতিয়ালৈকে আহি পোৱা নাই। এইটোৰ এটা কিবা ব্যৱস্থা কৰিব তেওঁলোকে পৰীক্ষা দিব পাৰে। ইংৰাজী মাধ্যমৰ ব্যক্তিগত স্কুলবিলাক নিয়ন্ত্ৰণ কৰিবৰ কাৰণে মালি ডাঙৰীয়া শিক্ষামন্ত্ৰী থাকোতে কেবিনেটত উৎথাপিত হৈছিল। লেবাৰ ওৱেজৰ মতে নিম্নতম দৰ্মহা আঢ়ৈ হাজাৰ নিৰ্ধাৰণ কৰিব লাগে। সেইখিনি সময়তে পশ্চিম বংগৰ পৰা কোনো এজন লিডাৰ শ্ৰম মন্ত্ৰীৰ ওচৰলৈ আহিছিল। তেওঁ কলে যে শ্ৰম বিভাগে কেনেকৈ শিক্ষকৰ দৰ্মহা নিৰ্ধাৰণ কৰিব। শিক্ষকসকলতো লেবাৰ নহয়। শিক্ষা বিভাগে এইটো নিৰ্ধাৰণ কৰিব লাগে। এইধৰণে ব্যক্তিগত স্কুলৰ শিক্ষকৰ মাজত পাৰ্থক্য আহিছে। আমাৰ চৰকাৰৰ পৰা নিশ্চয় অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব।

**Shri Bimolangshu Roy :** Sir, one point, you have assured earlier that suitable steps will be taken for

management of the privately managed schools. What about it? Mr. Barua has specially asked about it whether you will be able to place before the Assembly as assured by the Hon'ble Minister Education earlier?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া বিল উৎথাপন কৰাৰ সময় নাই। এইটো অধ্যাদেশ দি হয়তো কৰিব পৰা যায়। গতিকে এইক্ষেত্ৰত ব্যৱস্থা লোৱা হ'ব।

**Mr. Speaker :** Now, I request the Hon'ble Member Shri Nizamuddin Khan and Dr. Hemoprova Saikia to raise their Zero Hour motion.

Now Shri Nizamuddin Khan to raise his Zero Hour Motion.

*** শ্ৰী নিজামুদ্দিন খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ১৩/২/২০০১ তাৰিখৰ 'আজি' নামৰ বাতৰি কাকতত প্ৰকাশিত "মহানগৰী কপালে প্ৰতিবাদী শিক্ষকে" নামৰ বাতৰিটো মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। যোৱা কালি গোটেই অসমতে এটা শিক্ষকৰ আন্দোলন সংঘটিত হৈছিল আৰু আন্দোলনৰ মূল কথা আছিল যে, ৰাজ্যৰ শিক্ষক কৰ্ম্মচাৰী সকলক মহন্ত চৰকাৰে চৰম প্ৰতাৰণা কৰিছে আৰু এই প্ৰতাৰণাৰ প্ৰতিবাদ হিচাবেই অসম শিক্ষক কৰ্ম্মচাৰী সমন্বয় সমিতিয়ে গুৱাহাটীত এই সমাবেশৰ আয়োজন কৰে। মই এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, শিক্ষক সকলে কি অভিযোগ উৎথাপন কৰিছিল আৰু এই অভিযোগ কিমান দূৰ সচা? এই কথাখিনিৰ জৰিয়তে চৰকাৰৰ ভাৱমূৰ্ত্তি ম্লান কৰিবলৈ বিচৰা হৈছে তেওঁলোকৰ দাবীৰ সম্পৰ্কত এই সদনত প্ৰশ্নোত্তৰ কালত এটা কথা উল্লেখ হৈছিল যে, সমন্বয় সমিতিৰ লগত চৰকাৰে আলোচনা আৰু বুজাপৰা কৰিছিল। চৰকাৰে যদি প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে তেনেহ'লে কি কাৰণত আজি শিক্ষক সকল ৰাজপথলৈ ওলাই আহিব লগা হ'ল? তেওঁলোকৰ লগত যি চুক্তি পালন কৰাৰ সিদ্ধান্ত হৈছিল সেই চুক্তি কিয় পালন কৰা হোৱা নাই? চৰকাৰৰ ওপৰত সাংঘাটিক ধৰণে এটা অভিযোগ কৰা হৈছে আজি শিক্ষক সকল প্ৰতাৰণা কৰা হৈছে। দ্বিতীয়তে কোৱা হৈছে যে, আজি ২০ মাহ মান শিক্ষক সকলে দৰমহা পোৱা

* Speech not corrected

নাই। দৰমহা নোপোৱা কথাটো আজিৰ নহয় প্ৰতিবাৰ বিধান সভাৰ মজিয়াত উৎথাপন কৰা হয় আৰু তেতিয়া বিবেচনা কৰা হব, আদায় দিয়া হব তেনে ধৰণৰ প্ৰশ্নোত্তৰ দিয়া হয়। দূৰ্ভাগ্যৰ কথা আজি কিছু শিক্ষক দা দৰমহা পোৱাৰ পৰা বঞ্চিত হৈ আছে। দৰমহা আদায় দিব পৰা নাই। অৰ্থনৈতিক সংকট হৈছে বুলি কৈছে। শিক্ষক সকলে কাম কৰে কিন্তু দৰমহা নাপায়। যদি শিক্ষক সকলে দা দৰমহা পাই থাকে তেনেহলে কিয় এনে অভিযোগ উৎথাপিত হৈছে? যোৱা বিধান সভাতে মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিল যে, গোৱালপাৰা জিলাত যি সকল শিক্ষকক অবৈধভাবে নিযুক্তি দিছিল সেই সকল বাতিল কৰা হব আৰু যি গৰাকী বিষয়াই নিযুক্তি দিছিল তেওঁৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহন কৰা হব আৰু যি সকলক নীতি নিয়মৰ মাজেৰে নিযুক্তি দিয়া হৈছে সেই সকলক দৰমহা দিয়া হব আজি বৰপেটা জিলাতো একে অৱস্থাই হৈছে! ৫০০০ নিযুক্তি পোৱা শিক্ষক সকলে যদি দৰমহা নাপায় তেনেহলে কিয় অভিযোগ উৎথাপিত নহব? আজি এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে, এখন স্কুলত মাত্ৰ এজনহে শিক্ষক আছে আৰু ছাত্ৰ-ছাত্ৰী আছে ৭৫ জন। এই সম্পৰ্কে শিক্ষা বিভাগে বিহিত ব্যৱস্থা গ্ৰহন কৰা উচিত। নীতি প্ৰনয়ণ কৰা উচিত যাৰ ফলত ৰাজ্য জুৰি শিক্ষক সকলৰ মাজত যি ক্ষোভৰ সৃষ্টি হৈছে সেই ক্ষোভ যাতে নাইকীয়া হয়। গণতান্ত্ৰিক দেশত তেওঁলোকে দাবী উৎথাপন কৰিব পাৰে এই সমস্যাটো আলাপ আলোচনাৰ মাধ্যমেৰে সমাধান কৰাৰ ৰাষ্টা আছে কিন্তু আজিৰ এই আন্দোলনক গণতান্ত্ৰিক ভিত্তিত আন্দোলন কৰা বুলি কৈ পুলিচৰ দ্বাৰা নিৰ্য্যাতন চলোৱা হৈছে। আপোনালোকে তেওঁলোকক দৰমহা নিদিব আৰু তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাব এইটো গণতান্ত্ৰিক পৰম্পৰা হব নোৱাৰে। মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, বিগত সময় ছোৱাতো দৰমহা দিয়া হব বুলি বাৰে বাৰে প্ৰতিশ্ৰুতি দিয়াৰ পিচতো কিয় দিয়া হোৱা নাই আৰু তাৰ কাৰণে কি ব্যৱস্থা গ্ৰহন কৰিছে এই সম্পৰ্কে মই শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ড° হেমপ্ৰভা শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ১৩/২/২০০১ তাৰিখৰ 'আমাৰ অসম' বাতৰি কাকতত 'বঞ্চিত শিক্ষক কৰ্ম্মচাৰীৰ প্ৰতিবাদেৰে মুখৰ দিছপুৰ' নামৰ শিৰোনামাৰে প্ৰকাশিত বাতৰিৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। যোৱা কালি শিক্ষক সকলে তেওঁলোকৰ নিযুক্তিৰ দাবী প্ৰতিপন্ন কৰিবলৈ সমবেত হৈছিল আৰু তেতিয়া চৰকাৰৰ ফালৰ পৰা পুলিচ নিৰ্য্যাতন চলোৱা হৈছেল। বিষয়টো গণতান্ত্ৰিক দেশৰ কাৰণে বৰ দূৰ্ভাগ্যজনক।

বৃটিছ্‌ৰ দিনত হোৱা নিৰ্য্যাতনৰ কথা শুনিছিলো, পঢ়িছিলো। কিন্তু আমাৰ স্বাধীন দেশত গণতান্ত্রিক অধিকাৰ সাব্যস্ত কৰাৰ বাবে অহা জনসাধাৰণৰ ওপৰত যেতিয়া নিৰিহ জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰা হয়, গণতান্ত্রিক অধিকাৰ কেনেকৈ ৰক্ষা কৰিব পাৰিব? সেইসকল লোক শিক্ষক, তেওঁলোকৰ হাতত কোনো অস্ত্র নাছিল। তেওঁলোকে দাবী উৎথাপন কৰি ভাগৰি পৰিছিল এইবাবেই যে, এই বিধান সভাই বাৰে বাৰে প্রতিশ্রুতি দিয়াৰ পিচতো তেওঁলোকে ন্যায্য প্রাপ্ত আদায় পোৱা নাই। বাৰম্বাৰ প্রতিশ্রুতি দিয়াৰ পিচতো সেই প্রতিশ্রুতি যদি পালন নকৰে তেনেহলে এই বিধান সভাৰ প্রতি তেওঁলোকৰ আস্থা হেৰাই যাব। মই বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰি কব বিচাৰিছো যে, তেওঁলোকে অর্থাৎ এই বঞ্চিত শিক্ষক সকলে তেওঁলোকৰ দাবী আপোনালোকৰ হাতত অৰ্পন কৰিবলৈ সুযোগ নাপালে কাৰণ তেওঁলোকক এৰেষ্ট কৰা হল। চৰকাৰৰ সেই সাহস কিয় নহল তেওঁলোকৰ দাবী কি আছিল জানিবৰ বাবে? চৰকাৰে সাহস হেৰুৱাই পেলাইছে যাৰ কাৰণে যোৱা কালিৰ সমৰ সজ্জা প্ৰত্যক্ষ কৰিছো। এই শিক্ষক সকলৰ দাবী আমি কেইবাবাৰো উৎথাপন কৰিছো যে, এল.পি/এম.ই/এম.ভি/হাইস্কুল পৰ্য্যায়ত যিসকল শিক্ষকক নিযুক্তি দিয়া হৈছিল তেওঁলোকক অবৈধ বুলি ৪/৫ বছৰ দৰমহা পোৱাৰ পৰা বঞ্চিত কৰি ৰাখিছে। তেওঁলোকৰ ৫টা বছৰৰ জীৱনৰ মূল্য হেৰাই গৈছে। আপোনালোকে তেওঁলোকক ক্ষতিপূৰণ দিব পাৰিবনে? কোনো চৰকাৰী চাকৰিৰ বাবে তেওঁলোকৰ বয়সৰ যোগ্যতা থাকিব নোৱাৰে। আনকি শিৱসাগৰ জিলাতে হাইস্কুলৰ স্থায়ী শিক্ষকেও দৰমহা পোৱা নাই। তেওঁলোকৰ ৰিটেইনচন আছে। ১৯৯৬ চনত যেতিয়া দৰমহা বৃদ্ধি হল সেই অংশটোও চৰকাৰে তেওঁলোকক নিদিলে। আৰু কলে যে, অৰ্থনৈতিক নাটনি হৈছে। সেই টকা প্ৰভিডেন্ট ফাণ্ডত জমা হব বুলি একাউন্টচ খুলি দিলে কিন্তু পাছ বুক এতিয়ালৈকে দিয়া নাই। শিক্ষক সকলৰ মনত সন্দেহ হৈছে যে, টকা কত জমা আছে? ৰিটায়াৰমেন্টৰ পিচত টকা পাবনে নাপায়, এইটো অত্যাৰশ্যকীয় কথা। চৰকাৰে বাৰে বাৰে চুক্তি কৰি পিচলি আহে। এই কথাখিনি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। লগতে তেওঁলোকে যি ১২ দফীয়া দাবী আনিছে সেই সকলোবোৰ দাবীয়েই যে আমি মানিব লাগিব মই নাভাবো কিন্তু তাৰ ভিতৰত অত্যাৰশ্যকীয় যি কেইটা দাবী আছে সেই কেইটা চৰকাৰে ভালদৰে বিবেচনা কৰি চাব পাৰে। শিক্ষক সকলক নিয়মিত দৰমহা অৱসৰ পোৱা শিক্ষকৰ লৰা-ছোৱালীক যোগ্যতা অনুসৰি চাকৰিত নিযুক্তি দিয়া আদি কথা চিন্তা কৰিব লাগে।

তেওঁলোকৰ লগত বাৰম্বাৰ চুক্তি কৰিও তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ নোহোৱাৰ কাৰণে এতিয়া তেওঁলোকৰ মনত সন্দেহ হোৱাতো স্বাভাৱিক। গতিকে চৰকাৰে এইক্ষেত্ৰত স্পষ্ট নীতি গ্ৰহন কৰিব বুলি বিষয়টো মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। লগতে আৰু এটা কথা হ'ল - তেওঁলোকে এখন ১২ দফীয়া স্মাৰক পত্ৰ দিছে। তেওঁলোকৰ এই আটাইবিলাক দাবী চৰকাৰে মানি লব নোৱাৰিলেও তাৰ ভিতৰত যি কেইটা অতি আৱশ্যকীয় দাবী সেই কেইটা মানি লবলৈ চৰকাৰে চেষ্টা কৰা উচিত। তেওঁলোকৰ মূল দাবীৰ ভিতৰত যেনে - শিক্ষা বছৰৰ প্ৰথম তাৰিখৰ পৰাই পাঠ্যপুথি যোগান ধৰা, প্ৰথম মাহৰ পৰাই শিক্ষক সকলক নিয়মীয়াকৈ দৰমহা দিয়া, অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰী সকলক পৰিয়ালৰ একোজনক নিযুক্তি দিয়াৰ কাৰণে এটা নীতি হিচাবত ব্যৱস্থা ৰখা আদি ব্যৱস্থা কৰিবলৈ চৰকাৰে চেষ্টা কৰা উচিত। শিক্ষক সকলে গোটেই জীৱনটো চাকৰি কৰোতে এটা বিশেষ জীৱন ধাৰাৰে দিন কটাবলগীয়া হয়। শিক্ষকতা কৰি পোৱা পইচা কেইটাৰ বাহিৰে তেওঁলোকৰ উপাৰ্জনৰ অন্য পথ নাই। কোনো এজন শিক্ষকৰ মৃত্যু হলে পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থা হয়। গতিকে এটা নিৰ্দ্ধাৰিত সংখ্যাত তেওঁলোকৰ লৰা ছোৱালীক চাকৰি দিয়াৰ ব্যৱস্থা ৰাখিব লাগে। ইয়াৰোপৰি হিন্দী শিক্ষক সকলো নিয়মীয়াকৈ দৰমহা দিয়া হব বুলি চৰকাৰে দিয়া প্ৰতিশ্ৰুতি আমাৰ মনত পৰে। কিন্তু আজিলৈকে তেওঁলোকে দৰমহা পোৱা নাই। শিৱসাগৰ জিলাত ১৯৯৬ চনত হাইস্কুল চৰকাৰীকৰণ কৰি ১১৫ জন শিক্ষকক নিযুক্তি দিয়া হৈছিল কিন্তু তেওঁলোকে এতিয়াও দৰমহা পোৱা নাই। তেওঁলোকক দৰমহাও দিয়া নাই আৰু এইটোও কোৱা নাই যে তেওঁলোকৰ চাকৰি নাথাকিব। তেওঁলোকৰ ভৱিষ্যতে কি হব সেইটো চৰকাৰে স্পষ্টকৈ কব লাগে। আমি বাজেটত দেখিছো ৮ হাজাৰ শিক্ষকক নিয়মীয়া কৰা হব বুলি। এই ৮ হাজাৰ শিক্ষক কোন? চৰকাৰে কৈছে যে ইৰিগুলাৰ আৰু ইলিগেল শিক্ষকখিনিক ৰেগুলাৰ কৰি দৰমহা দিয়া হব। কিন্তু আমাৰ প্ৰশ্ন হৈছে কোনখিনি ইৰিগুলাৰ আৰু ইলিগেল শিক্ষক। সেইটো স্পষ্ট কৰি দিলে ভাল হয়। 'কোনখিনি irregular, কোনখিনি illegal তাৰ list আমাৰ হাতত নাই। শিক্ষক সকলেও নাজানে। এই অজ্ঞতাৰ সুযোগ লৈ কোনো লোকে দুৰ্নীতি কৰাতো অসম্ভৱ নহয়। সেয়ে সেই list আমাক প্ৰতিনিধি সকলক দিব লাগে। মই মোৰ ভাষণ আৰু দীঘলীয়া নকৰো। এইখিনিতে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

## Discussion During Zero Hour

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য শ্ৰীনিজামুদ্দিন খান আৰু ডঃ হেমপ্ৰভা শইকীয়া ডাঙৰীয়ানীয়ে ১৩/২/২০০১ তাৰিখৰ 'আজি' আৰু 'আমাৰ অসম' কাকতত প্ৰকাশিত - "মহানগৰী কপালে প্ৰতিবাদী শিক্ষকে' আৰু 'বঞ্চিত শিক্ষক কৰ্মচাৰীৰ প্ৰতিবাদীৰে মুখৰ দিশপুৰ' বাতৰি কেইটা চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই দুয়োটা বিষয়ৰ উত্তৰ একেধৰণৰ হব কাৰণে মই দুয়োটাৰে উত্তৰ একেলগে দিবলৈ ওলাইছো। ইয়াৰ আগতে মই এটা কথা স্পষ্ট কৰিব খুজিছো যে শিক্ষা বিভাগত শিক্ষকতা কৰাৰ লগে লগে তেওঁলোকক দৰমহা লাগে আৰু চাকৰি নিয়মীয়াকৰণ কৰিব লাগে। কিন্তু অন্যান্য বিভাগত ১০/১৫ বছৰ মাষ্টাৰ ৰোলত কাম কৰি থাকিলেও তাত কোনেও মাত নামাতে। আজি পি.এইচ.ই/পৰিবহন আদি বিভাগত হাজাৰ হাজাৰ লোক আছে কিন্তু সেইবিলাক বিষয় সদনত কোনেও উৎথাপন কৰা নাই। শিক্ষা বিভাগত চাকৰিটো পোৱাৰ পিচতে দৰমহা লাগে আৰু আমাৰ বিধায়ক সকলেও তেনে ধাৰণা লয়। তথাপিও মই আপোনালোকৰ জ্ঞাতাৰ্থে এইখিনি কথা দাঙি ধৰিলো।

A memorendum of settlement was signed by the Assam Sikhak Karmachari Samanway Samiti and Govt. of Assam on 10/05/99 regarding fulfilment of 12 Point Charter of Demands of the Association, Govt. of Assam, have already taken steps for fulfilment of the 12 Point Charter of Demands. In the meantime, Govt. have fulfilled some demands in consultation with concerned departments and some demands are under process. Some demands of the Association could not be materalised due to financial constraint in the State. Provincialisation of Schools could not be implemented as Govt. of India has put down ban on taking over new institutions, regarding bringing of 48 Junior Colleges of the State under deficit system of Grant-in-Aid, Govt. have taken up the matter with Finance department for concurrence to 822 posts of teaching

* Speech not corrected

and non-teaching staff of 48 Junior Colleges concurrence of Finance department is awaited.

The following demands have been fulfilled:

1. Govt. have reserved 10% vacancies for the family members of the retired teachers.
2. An amount of Rs. 75/- have granted to the Headmaster of L.P. School as special pay per month.
3. Govt. have extended the benefit for appointment on compassionate ground to son and unmarried daughter in tne post of School teachers also.
4. 8153 posts of OBB teachers have been brought under Non-Plan and 401 Hindi teachers have been regularised under Non-Plan.
5. Consolidated pay of Stipendary teachers (now fixed pay teachers) have been increased from Rs.900/- to Rs.1800/-
6. The teaching and non-teaching staff have been given G.P.F. facilities (About 90%) and for the rest 10% it is under process.

* **শ্ৰী হেমন্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিক্ষা বিভাগত সকলো ব্লকতে ৪০৪ হেডত কিছুমান শিক্ষক নিযুক্তি দিয়া হৈছিল যদিও তেওঁলোকে বহু দিন ধৰি দৰমহা পোৱা নাই। এই ৪০৪ হেডত কেন্দ্ৰীয় চৰকাৰে যিখিনি পোষ্ট দিছিল সেই পোষ্টৰ শিক্ষক সকলে কিয় দৰমহা পোৱা নাই সেইটো শিক্ষা মন্ত্ৰী মহোদয়ে সদনক অৱগত কৰিব নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** এই বিষয়টো ইয়াৰ লগত সংগতি নাই। গতিকে এই ক্ষেত্ৰত এতিয়া কব পৰা নহব। There is no relevancy in this regard.গতিকে মাননীয় সদস্য সকলক এইখিনি কথা অৱগত কৰা হ'ল। ধন্যবাদ।

* Speech not corrected

## Report of the Business Advisory Committee

**Mr. Speaker :** Now item No. 2.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee in the Conference Room of my Office Chamber at Dispur at 12 Noon to-day, the 13th Feb, 2001 to discuss about the allocation of time to different Legislature Parties and Groups as well as independent Members for participating in the General Discussion on the Budget and to decide the priority on the Supplementary Demands for Grants for 2000-2001 and Voting on Demands for Grants for the Budget for 2001-2002.

After a threadbare discussion the Committee decided that the discussion on the Supplementary Demands for Grants for 2000-2001 would be taken up serially as well as the discussion on the Demands for Grants for the Budget for 2001-2002 would also be taken up serially.

The Committee further discussed about the allocation of time to different Legislature Parties, Groups and Independent Member for general discussion on the Budget and decided to allocate time to different Parties , Groups and Individual Members as shown below:

| | | |
|---|---|---|
| 1. | AGP | : 80 minutes (including the reply of Chief Minister) |
| 2. | I.N.C. | : 42 minutes. |
| 3. | A.S.D.C.(both faction) | : 10 minutes. |
| 4. | B.J.P. | : 8 minutes. |
| 5. | C.P.I. | : 6 minutes. |
| 6. | CPI(M) | : 4 minutes. |

**Call Attention Notice**

7. U.M.F. : 2 minutes.

8. PDF : 10 minutes.

9. Independent : 8 minutes.

I would like to inform the House that Shri Sarat Barkotoky, Chief Whip of the Congress(I) Legislature Party and the Member of the BAC has stated in the meeting that since they are not agreable for presentation of the full Budget for 2001-2002 they may refrain in particiating in the discussion of the Budget for 2001-2002. He has also stated that they will participate in the Discussion for Supplementary Demands for Grants for 2000-2002.

I hope this has the approval of the House.

**Call Attention Notice**

Now item No.3 Shri Dilip Kumar Saikia to raise. Since he is absent, Shri Ali Akbar Miah will raise on his behalf.

**শ্ৰী আলী আকবৰ মিঞা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বন্ধু সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়াই অনা অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০০১ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত "ধেমাজী জিলাত তীব্ৰ প্ৰতিক্ৰিয়া ৩ লাখ টকা ব্যয়ৰে বালি-চাপৰিত বসন্ত উৎসৱ বীচ ভলিবলৰ পৰা সুন্দৰী প্ৰতিযোগীতালৈ" শীৰ্ষক বাতৰিটোৰ প্ৰতি ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণী, সমূহৰ কল্যাণ মন্ত্ৰীক অৱগত কৰিব বিচাৰিছো, এই বিষয় সন্দৰ্ভত চাৰ, মই এটা কথাই কব বিচাৰিছো যে এই সুন্দৰী প্ৰতিযোগিতাকে আদি কৰি এই প্ৰগ্ৰামটোৰ বাবদ প্ৰায় ১০ লাখ টকা খৰচ হব বুলি জানিব পৰা গৈছে। কিন্তু যি সময়ত মিচিং ৰাইজ বা মিচিং সম্প্ৰদায়ৰ জনসাধাৰণৰ সমাজ জীৱনৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি মিচিং স্বায়ত্ত্ব শাসন পৰিষদক কোটি কোটি টকা আৱন্টন দিয়া হৈছে, কিন্তু প্ৰকৃতাৰ্থত আমি কি দেখিবলৈ পাইছো, মিচিং জনসাধাৰণৰ আশা-আকাংখাক জলাঞ্জলী দি তেওঁলোকে আজি এই ব্যয়বহুল সুন্দৰী প্ৰতিযোগিতা আদি পাতিবলৈ আয়োজন

কৰিছে। চাৰ, আপুনি জানে আজি এই সুন্দৰী প্ৰতিযোগিতা পাতিবলৈ বিচৰা হৈছে ক'ত? ধেমাজীত য'ত প্ৰতি বছৰেই প্ৰলয়ংকাৰী বানপানীয়ে তাণ্ডৱ লীলা সৃষ্টি কৰি মিচিং সমাজক জুৰুলা কৰিছে, আৰ্থিক দুৰৱস্থা তেওঁলোকৰ ভয়াবহ হৈ পৰিছে, পানীত হাঁহ নচৰা অৱস্থা হৈছে, তেওঁলোকৰ দৈনন্দিন অৱস্থা - খাবলৈ এমুঠি অন্নৰ কাৰণে য'ত হাহাকৰ, য'ত পিন্ধিবলৈ কাপোৰৰ অভাৱ, থাকিবলৈ এটুকুৰা মাটি, ঘৰ নোহোৱা হৈছে, বানপানীয়ে সমূলি উঠাই নিছে তেনে এটা সময়তেই এই সকল দূৰ্ভগীয়া লোকৰ কল্যাণৰ কাৰণে কাৰ্য্যসূচী লোৱাতকৈ তাত বিনোদনৰ কাৰণে লক্ষ্য লক্ষ্য টকা খৰচ কৰি সুন্দৰী প্ৰতিযোগিতা আয়োজন কৰাটো এক হাস্যকৰ ঘটনা হৈছে। এই প্ৰগ্ৰামৰ আয়োজনকাৰী সকলৰ গোহাৰি মতেই এই প্ৰতিযোগিতাৰ বিষয়ে কাগজত ওলাইছে, তাত ১০ লাখ টকা খৰচ হব বুলি কৈছে যদিও পাকে-প্ৰকাৰে তাত ৩০ লাখতকৈ বেচিহে খৰচ হব। এনেধৰণৰ সুন্দৰী প্ৰতিযোগিতাৰ কাৰ্য্যসূচী নলৈ যদি একোজন মানুহ বা একোটা পৰিয়ালক এক বাণ্ডিলকৈ টিনপাত দিয়া হলেহেঁতেন তেতিয়া প্ৰতিটো পৰিয়ালে অন্তত আশ্ৰয় লবলৈ এটা ঘৰবান্ধি লব পাৰিলেহেঁতেন, পৰিয়ালে প্ৰতি ১৪ কেজি চাউল দিয়া হলে অন্তত এসপ্তাহ কাল খাই জীৱন নিৰ্ব্বাহ কৰিব পাৰিলেহেঁতেন। কিন্তু তেনেধৰণৰ কল্যাণমূলক আচঁনিৰ কথা চিন্তা নকৰি সুন্দৰী প্ৰতিযোগিতাৰ প্ৰোগ্ৰাম লৈছে। আজি পৃথিবীৰ বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত সুন্দৰী সকলক লৈ প্ৰতিযোগিতা পাতিছে সেইটো সূকীয়া কথা। কিন্তু অসমৰ ধেমাজীৰ নিচিনা আওহতীয়া, অৱহেলিত আৰু অনুন্নত অঞ্চলত য'ত মানুহে জীয়াই থকাৰ কাৰণে সংগ্ৰাম কৰিবলগীয়া হৈছে, দুবেলা-দুমুঠি খোৱাৰ যোগাৰ নাই, তাত এনেধৰণৰ কাৰ্য্যসূচী লোৱাটো বাৰু কেনে ধৰণৰ হৈছে? সেয়ে সভাপতি মহোদয়, আপোনাৰ জৰীয়তে বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো, অৱশ্যে ভৈয়াম জনজাতি উন্নয়ন আৰু পিচপৰা কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয় সদনত বৰ্ত্তমান নাই তেখেতৰ হৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব, তেখেতক অনুৰোধ জনাইছো যাতে এই ব্যয়বহুল সুন্দৰী প্ৰতিযোগিতাৰ যি কাৰ্য্যসূচী লৈছে সেইটো ধেমাজীৰ দুখীয়া ৰাইজৰ কল্যাণৰ কথা চিন্তা কৰি অনতিপলমে বন্ধ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দ্দেশ দিব লাগে যাতে এই দুৰ্ব্বল ৰাজ্যখনত অবাবতে লাখ লাখ টকা খৰচ কৰাৰ পৰা বিৰত থাকে, আৰু এনেধৰণৰ ধন অপচয়ৰ পৰা ৰক্ষা পৰে। এইখিনিকে অনুৰোধ জনাই মোৰ চমু বক্তব্যৰ সামৰণি

মাৰিলো।

**Mr. Chairman** - I would like to request Minister of Public Health Engineering Shri Utpal Dutta in absence of W.P.T. & B.C. Minister to reply.

**শ্ৰী উৎপল দত্ত (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, "ধেমাজী জিলাত তীব্ৰ প্ৰতিক্ৰিয়া" তিনি লাখ টকা ব্যয়ৰে বালি চাপৰিত বসন্তোসৱ বীচ ভলীবলৰ পৰা সুন্দৰী প্ৰতিযোগীতালৈ" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। এই বিষয়ত উপযুক্ত ব্যৱস্থা লোৱা হব।

## Matter Under Rule 301

**Mr. Chairman (Shri Andrias Hajoary) :** Let us go on to the next item No. 4.

**শ্ৰী শুকুৰ আলী ঃ** মাননীয় সভাপতি মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০০১ চনৰ ৮ জানুৱাৰী তাৰিখৰ "দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত সুলভ মূল্যৰ নিমখ নকল পেকেট কৰি মুকলি বজাৰত, মন্ত্ৰী বেপাৰীৰ দুখীয়াক মাধমাৰ, লুটিছে কোটি কোটি" এই বিষয়টো খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো।

কেন্দ্ৰীয় ৰাজহুৱা ব্যৱস্থাৰ অধীনত ৰাজ্যখনলৈ প্ৰেৰণ কৰা চাউল, চেনি, ঘেহু আদিত কেলেংকাৰী ঘটিছে। ইয়াৰ ফলত ৰাজ্যখনত লাখ লাখ দৰিদ্ৰ মানুহ সূলভ মুল্যৰ পৰা বঞ্চিত হৈছে।

সভাপতি মহোদয়, প্ৰতি মাহে জয়পুৰীয়া নিমখ ৪৪ বেক পায় আমাৰ ৰাজ্যখনে সূলভ মূল্যৰ দোকান সমুহে ঠায়ে ঠায়ে এই নিমখ দুটকা আৰু তিনি টকাত বিতৰণ কৰিছিল। কিন্তু এচাম ধুৰন্ধৰ ব্যৱসায়ীয়ে মুকলি বজাৰত অধিক দামত বিক্ৰী কৰে লাখ লাখ টকা লুটিছে। এই ধুৰন্ধৰ ব্যৱসায়ী সকলে নকল মাৰ্কা যেনে টাটা, বাজাজ আদি নামেৰে প্ৰতি কেজিত সাত আঠ টকাকৈ বিক্ৰী কৰি টকা লুটিছে। যত এজন ব্যৱসায়ীয়ে ১ বেক বা ২ বেক পায় তাত ২০ ৰ পৰা ২৫ বেকৰ অনুজ্ঞাপত্ৰ লৈ তাৰ জৰিয়তে চৰা দামত বিক্ৰী কৰি টকা লুটিছে এই বিষয়ত যোগান মন্ত্ৰীয়ে কোনো ব্যৱস্থা লোৱা নাই।

আজি এই সদনত আপোনাৰ জড়িয়তে বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিয়ে এই ধৰণৰ সূলভ মূল্যৰ নিমখ যাতে চোৰাং বজাৰত বিক্ৰী নহয় আৰু

জনসাধাৰণ যাতে সূলভ মুল্যৰ পৰা বঞ্চিত নহয় এই বিষয়ত গভীৰ ভাবে ব্যৱস্থা লবলৈ মই চৰকাৰক অনুৰোধ জনালো।

**Mr. Chairman** : This will also follow the some suit in the absence of Hon'ble Minister of the Department concerned, the Minister of Cooperation will give the reply.

**শ্ৰী নুৰুল হুচেইন (মন্ত্ৰী)** ঃ মাননীয় সভাপতি মহোদয়, ৰাজ্য চৰকাৰে Zonal Quota ৰ নিমখৰ বিপৰীতে ১২০ B.G. ৱেক নিমখ কেন্দ্ৰীয় চৰকাৰৰ পৰা বছৰেকীয়া ভিত্তিত আৱন্টন পায়। প্ৰতি তিনিমাহত ত্ৰিশটাকৈ B.G. ৱেক আৱন্টন দিয়া হয়। বাতৰিত প্ৰৰিবেশন কৰাৰ দৰে ৪৪ টা ৱেক নহয়। এই ৱেক সমূহ নিবিদা যোগে নিমখ আমদানিৰ অনুজ্ঞাপত্ৰধাৰী লোকক গুজৰাটৰ পৰা অসমলৈ আমদানি কৰিবলৈ আৱন্টন দিয়ে। অনুজ্ঞাপ্ৰাপ্ত আমদানিকাৰী সকলে আমদানি কৰা নিমখৰ ৪০ শতাংশ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি উপভোক্তাৰ মাজত বিতৰণৰ বাবে জিলাৰ উপায়ুক্ত সকলক চমজাই দিব লাগে, ৫০ শতাংশ আমদানীকাৰী সকলে মুকলি বজাৰত বিক্ৰী কৰিব পাৰে আৰু বাকী থকা ১০ শতাংশ ৰিজাৰ্ভ হিচাবে আমদানিকাৰী সকলৰ হাতত থাকে। ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু খোলা বজাৰত বিক্ৰী কৰিবলগীয়া দুয়োবিধ নিমখৰ দাম চৰকাৰে নিৰ্দ্ধাৰিণ কৰি দিয়ে। বৰ্ত্তমান Zonal Quota নিমখৰ নিৰ্দ্ধাৰিত মূল্য খোলা প্ৰতি কিলোগ্ৰাম ২ টকা হিচাপে আৰু প্ৰতি কিলোগ্ৰাম পেকেটত ৩(তিনি) টকা হিচাপে চৰকাৰে FSA,481/99/67 Sl.13/C dt.22/11/00 & FSA.481/99/68 Sl.14/C dt.22/11/2000 হুকুম মতে নিৰ্দ্ধাৰণ কৰিছে। নিমখ আমদানিৰ কাৰণে অনুজ্ঞাপত্ৰ Assam Trade Articles(L&C) Order,1982 ৰ বিধি মতে প্ৰদান কৰা হয়। বাতৰিটোত পৰিবেশন কৰা মতে যোগান মন্ত্ৰীৰ ঘনিষ্ট লোকসকলক নিমখৰ লাইচেন্স দিয়া বা মুকলি বজাৰত নিমখ বিক্ৰী কৰা কথাটো সত্য নহয়। সংশ্লিষ্ট জিলা উপায়ুক্ত বা মহকুমাধিপতিৰ চুপাৰিশ মৰ্মে যোগান সঞ্চালকে আবেদনকাৰীক নিমখৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হয়। আবেদনকাৰীৰ আবেদনৰ তথ্যৰ ওপৰত বিভাগীয় বিষয়াৰ দ্বাৰা তদন্ত কৰোৱাই প্ৰতিবেদনৰ ওপৰত সন্তুষ্ট হৈহে জিলা উপায়ুক্ত বা সদৰ মহকুমাধিপতি সকলে অনুজ্ঞাপত্ৰ চুপাৰিশ কৰে। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে বিতৰণ কৰিবলগীয়া নিমখ উপায়ুক্ত আৰু মহকুমাধিপতিসকলে গাঁও পঞ্চায়ত সমবায় সমিতি আৰু সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৰাইজৰ মাজত

বিতৰণ কৰে। ইয়াৰ বাহিৰেও Refined Free Flow (Non-zonal) নামৰ নিমখো খোলা বজাৰত অনুজ্ঞাপত্ৰধাৰী ব্যৱসায়ীসকলে বিক্ৰী কৰিব পাৰে। বাজাজ, টাটা, অন্নপূৰ্না, কেপ্তেইন কুক, প্ৰাইমটাইম আদি পেকেটযুক্ত নিমখ এই শ্ৰেণীত পৰে। এই নিমখ পোন্ পোটিয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ নিমখ আয়ুক্তই অনুজ্ঞাপত্ৰধাৰী সকলক আবণ্টন দিয়ে, আৰু ইয়াৰ আবণ্টনত আৰু দাম নিৰ্দ্ধাৰণত ৰাজ্য চৰকাৰৰ কোনো হাত নাই। Zonal Quota-ৰ নিমখ চোৰাং ভাবে Free Flow Category-ত পেকেটযুক্ত কৰি বিক্ৰী যাতে কৰিব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰে জিলা উপায়ুক্ত আৰু মহকুমাধিপতি সকলৰ জৰিয়তে কড়া নজৰ দি আহিছে। তদুপৰি বিভাগে পোৱা অভিযোগৰ ভিত্তিত যোৱা চেপ্তেম্বৰৰ মাহত Zonal Quota-ৰ নিমখ প্ৰতি কিলোগ্ৰাম ৩.০০ (তিনি) টকাৰ অধিক দামত বিক্ৰী নকৰাটো নিশ্চিত কৰিবলৈ উপায়ুক্ত আৰু মহকুমাধিপতি সকলক নিৰ্দ্দেশ দিয়া হয়। (চৰকাৰী আদেশ নং FSA. 481/99/Pt/29 dt. 27.9.2000 ইয়াৰ পিছত যোগান সঞ্চালকালয়ৰ পৰা ও ১৫ নৱেম্বৰ' তাৰিখে পঠোৱা নিৰ্দ্দেশ যোগে জিলা উপায়ুক্ত আৰু মহকুমাধিপতি সকলক আমদানীকাৰী/পাইকাৰী বিক্ৰেতা সকলে যাতে তেওঁলোকৰ লগত জমা থকা সকলোবোৰ নিমখৰ ১ কেজিৰ পেকেটত খুচুৰা বিক্ৰীৰ দাম ৩.০০ (তিনি) টকাৰ লেবেল লগাই মূল্যটো সুনিশ্চিত কৰিবলৈ কোৱা হৈছিল। ইতিমধ্যে উপৰোক্ত সঞ্চালকৰ নিৰ্দ্দেশৰ বিপৰীতে দুজনমান অনুজ্ঞাপত্ৰধাৰী ব্যৱসায়ীয়ে মহামান্য উচ্চ ন্যায়ালয়ত আপীল কৰে আৰু আদালতে তেওঁলোকৰ সপক্ষে ৰায় দি ৩.০০ (তিনি) টকা মূল্যৰ Price tag পাইকাৰী বিক্ৰেতা বা অনুজ্ঞাপত্ৰধাৰী ব্যৱসায়ী সকলৰ বিপৰীতে খুচুৰা বিক্ৰেতা সকলৰ পৰ্য্যায়ত লগোৱাৰ নিৰ্দ্দেশ দিয়ে। Zonal Quota-ৰ নিমখ নকল পেকেট কৰি মুকলি বজাৰত অত্যাধিক দামত বিক্ৰী কৰাৰ তেনেকুৱা সুস্পষ্ট অভিযোগ ৰাজ্য চৰকাৰৰ হাতত নাই।

অন্যান্য Refined Free Flow নিমখৰ Brand অনুযায়ী প্ৰতি কেজি পেকেটৰ মূল্য হ'ল ঃ-

| | | |
|---|---|---|
| টাটা | - | Rs. 7.00 |
| কেপ্টেইন কুক | - | Rs. 7.00 |
| বাজাজ | - | Rs. 7.00 |
| প্ৰাইম | - | Rs. 5.00 |
| অন্নপূৰ্ণা | - | Rs. 7.00 |

এইবিলাক Brand-ৰ মূল্য ৰাজ্য চৰকাৰৰ মূল্য নিৰূপণত কোনো ভূমিকা নাই যিহেতু নিমখ আয়ুক্তই মূল্য নিৰ্দ্ধাৰণ কৰে।

## General Discussion on the Budget

**Mr. Chairman (Shri Andrias Hajoary) :** Let us move now to the next item.

* **Shri Silvius Condpan :** Sir, before the discussion begins, I have a submission, Sir, you know that yesterday the Congress Legislature Party had vehemently opposed the presentation of a full-fledged budget by the Hon'ble Chief Minister who is also in-charge of the Finance Department because of the fact that, we want to reiterate here that they have no democratic and ethical right to present the budget because their term of office is going to be over with-in a couple of week time. This Government has no moral right to present the budget for the whole year and that is why we are again expressing our resentment today for the discussion on this budget and in protest we are going out.

(Congress Members walked out of the House)

**Mr. Chairman :** Now, item No.5, General Discussion on the Budget. I call upon Shri Hemanta Kalita to speak on the budget.

* **শ্ৰী হেমন্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি যিখন বাজেট অসম বিধান সভাৰ সদন কক্ষত দাখিল কৰিছে সেই বাজেটৰ সমৰ্থনত মই কব বিচাৰিছো যে এই বাজেটখন অসমৰ জনসাধাৰণৰ কাৰণে সু-পৰিকল্পিত ভাবে বনোৱা হৈছে আৰু এই বাজেটখন অসমৰ জনজীৱনৰ লগত অতিকৈ পৰিচিত। সেই কাৰণেই এই বাজেটখন সকলো জনগোষ্ঠীৰ কাৰণে এখন উপযুক্ত বাজেট হৈছে বুলি কব বিচাৰিছো। যিখন বাজেটত জনসাধাৰণৰ জীৱন ধাৰণাৰ মানদণ্ড

* Speech not corrected

উন্নত কৰাৰ কাৰণে প্ৰচেষ্টা চলোৱা হৈছে সেইখন বাজেটত সকলো জনগোষ্ঠীৰ সামাজিক সুৰক্ষা আৰু নিৰাপত্তাৰ দিশখিনি প্ৰতিফলিত হৈছে। সৰ্ব্ব শিক্ষা অভিযান আচঁনিৰ জৰিয়তে অনুসূচিত জাতি আৰু জনজাতিৰ লোক সকলক শৈক্ষিক ভাবে আগবঢ়াই লৈ যোৱা ব্যৱস্থা কৰা হৈছে। আজি ৫০ বছৰ পিচত অসমৰ জনসাধাৰণক শৈক্ষিক ভাবে, মানসিক ভাবে আগবঢ়াই লৈ যোৱাৰ কাৰণে যি ব্যৱস্থা লব লাগে সেইটো এই বাজেটৰ জৰিয়তে দাখিল কৰা হৈছে। শিক্ষা শিতানত যি সৰ্ব্ব শিক্ষা অভিযান আচঁনিৰ পৰিকল্পনা দাঙি ধৰিছে এই আচঁনিৰ জৰিয়তে সেই জনগোষ্ঠী সমূহৰ ভাৰতবৰ্ষত যিটো নিম্নগামী শৈক্ষিক হাৰ সেই হাৰৰ পৰা উৰ্দ্ধগামী হাৰ কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। এই বাস্তৱ পৰিস্থিতিৰ প্ৰতি লক্ষ ৰাখি শিক্ষা বিভাগৰ জৰিয়তে শিক্ষা শিতানত বিত্ত বিভাগৰ ফালৰ পৰা যি বাজেট প্ৰস্তুত কৰি উলিয়াইছে আৰু দাখিল কৰিছে সেই বাজেটৰ ক্ষেত্ৰত আমি ন-দি কব পাৰো যে আমাৰ অনুসূচীত জাতি আৰু জনজাতি লোক সকলৰ বাবে সৰ্ব্ব শিক্ষা অভিযান আচঁনি ফলপ্ৰসূ হব আৰু তেখেত সকলক বিশেষ ভাবে উপকৃত কৰিব। মুঠতে এই আচঁনিটোৱে তেখেত সকলক প্ৰতিফলিত কৰিব। স্ব-নিয়োজন যোজনা আচঁনিৰ ক্ষেত্ৰতো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰচেষ্টা হাতত লোৱাটো আমি দেখিবলৈ পাইছো। স্ব-নিয়োজন আচঁনিখনে এই বাজেটত এটা বিশেষ গুৰুত্বপূৰ্ণ দিশ লাভ কৰিছে। ইমান দিনে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যুৱক-যুৱতী সকলক আত্ম নিৰ্ভৰশীল হবলৈ আহ্বান জনাই আহিছিল। কিন্তু এই বাজেটৰ জৰিয়তে সেইটো বাস্তৱত ৰূপায়ণ কৰিবলৈ পৰিকল্পিত ভাবে আগবঢ়া হৈছে। দুগ্ধ পাম, মীন পালন, বস্ত্ৰ উৎপাদন আৰু হস্ত তাঁত শিল্পৰ জৰিয়তে সেই যুৱক-যুৱতী সকলক স্ব-নিয়োজিত কৰিবলৈ সা-সুবিধা আগবঢ়োৱাৰ কথা বাজেটত দাঙি ধৰা হৈছে। যোৱা ৫৩ বছৰে সৰহ ভাগ সময়ত নানা ধৰণৰ আচঁনি দাঙি ধৰা হৈছিল যদিও এই প্ৰথমবাৰৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্ব-নিয়োজনৰ ক্ষেত্ৰত এই বাজেটৰ জৰিয়তে বিভিন্ন ধৰণৰ সা-সুবিধা আগবঢ়াইছে। কিন্তু এই গুৰুত্বপূৰ্ণ বাজেট দাখিল কৰা আৰু আলোচনা কৰাৰ সময়তে বাজেটৰ বিৰোধীতা কৰি ৰাজনৈতিক ভাবে মুনাফা লবৰ বাবে বিৰোধী দলৰ সদস্যই ব্যৱস্থা লৈছে। এইটো অসমৰ সামাজিক জীৱনত এটা কলঙ্কিত অধ্যায় হিচাবে পৰিগণিত কৰিব বিচাৰিছো। যি সকলে সামাজিক ভাবে দায়বদ্ধতাৰ ক্ষেত্ৰত ৰাইজৰ প্ৰতিনিধি হৈ আহিছে সেই প্ৰতিনিধি সকলেই ৰাইজৰ দায়বদ্ধতাৰ কথা আওকাণ কৰি ৰাজনৈতিক লাভালাভৰ কাৰণে প্ৰচেষ্টা

চলোঁৱাতো প্ৰয়াস পাইছো। আজি ৰাইজৰ প্ৰতিনিধি হিচাবে বাজেটৰ দ্বৰে এটা গুৰুত্বপূৰ্ণ বিষয়ত তেখেত সকলে সহযোগিতা প্ৰকাশ কৰাতো সকলোৰে বাবে কাম্য আছিল। কিন্তু ৰাজনৈতিক লাভালাভৰ বাবে তেখেত সকলে যিটো ব্যৱস্থা লৈছে সেইটো অতি দূৰ্ভাগ্যজনক বিষয়। যোৱা দিন বিলাক আমি যদি বিশ্লেষণ কৰি চাও তেতিয়াহলে দেখা পাম যে এটা বুজন পৰিমাণৰ টকা দৰ্ম্মহাৰ শিতানত ব্যয় কৰিবলগীয়া হৈছে। ১৯৯৬ চনত দৰ্ম্মহা শিতানত ব্যয় কৰিবলগীয়া হৈছিল ২১৮১ কোটি টকা। তাৰ বিপৰীতে ২০০১-২০০২ চনত দৰ্ম্মহা শিতানত ৪৭৯৯ কোটি টকা ব্যয় হব। এই যিটো পাৰ্থক্য এই পাৰ্থক্যৰ বুনিয়াদ কি? এই পাৰ্থক্যৰ বুনিয়াদ যদি বিশ্লেষণ কৰিবলৈ যাও তেতিয়াহলে দেখিবলৈ পাও যে অপৰিকল্পিত নীতি আৰু সঠিক ভাবে দায়িত্ব পালন নকৰাৰ কাৰণে আজি ইমানখিনি টকা দৰ্ম্মহা শিতানত ব্যয় কৰিবলগীয়া হৈছে। নিৰ্দ্দিষ্ট কেইজনমান শিক্ষকে দৰ্ম্মহা নোপোৱাৰ অজুহাত লৈ বিৰোধী দলৰ সদস্যই ৰাজনৈতিক উদ্দেশ্য পূৰণ কৰিব বিচাৰিছে। কালি শিক্ষক কৰ্ম্মচাৰী সকলে আন্দোলনৰ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰি থকা সময়ত বিৰোধী দলৰ দলপতি চিলভিয়াচ কন্দপানে তাঁলৈ বক্তব্য ৰাখিবলৈ যাওতে সেই সন্থাৰ সভাপতি গৰাকীয়ে কন্দপান ডাঙৰীয়া জিন্দাবাদ বুলি ধ্বনি দিয়াত শিক্ষক কৰ্ম্মচাৰী সকলৰ বেচিভাগেই প্ৰতিবাদ কৰিছিল। এই বাজেটৰ বুজন সংখ্যক পৰিমাণৰ টকাই দৰ্ম্মহা শিতানত ব্যয় কৰিবলগীয়া হৈছে। নীতি বিগৰ্হিত ভাবে নিযুক্তি দিয়াৰ বাবেই এনেকুৱা হৈছে। পদ্ধতিগত ভাবে যি সকলে দৰ্ম্মহা প্ৰাব লাগে তেখেত সকলক দৰ্ম্মহা দিয়া হৈছে। কেৱল নিৰ্দ্দিষ্ট কেইজনমান শিক্ষক কৰ্ম্মচাৰীয়ে দৰ্ম্মহা নোপোৱাৰ অজুহাত লৈ বিৰোধী দলৰ সদস্য সকলে ৰাজনৈতিক লাভৰ বাবে যে চেষ্টা কৰিছে আৰু বাজেটৰ বিৰোধীতা কৰিছে সেইটো অসমৰ জনসাধাৰণে বুজি পাইছে। আজি অসমৰ জনসাধাৰণৰ কাৰণে সদনত যে এখন সুন্দৰ বাজেট দাখিল কৰা হৈছে তেওঁলোকে বাজেটৰ কিয় বিৰোধীতা কৰিছে সেই কথা অসমৰ জনসাধাৰণে, বুদ্ধিজীৱি মহলে বা সচেতন মহলে বুজি পাইছে।

মাননীয় সভাপতি মহোদয়, আমাৰ বাজেটত যি টকা ধৰা হয় তাৰ ৪৭ ভাগ দৰমহা দিওঁতে খৰচ হৈ যায়। আপোনালোকে জানে আজিৰ এই বাজেট আলোচনা হোৱাৰ বিপৰীতে তেখেতসকলে ৰাজনৈতিক মুনাফা আদায় কৰিবলৈ চেষ্টা কৰিছে। আজি আমাৰ বাজেটৰ সমৰ্থনৰ ক্ষেত্ৰত কবলৈ যাওঁতে মই আমাৰ

অসমৰ জনজীৱনৰ ক্ষেত্ৰত আগবাঢ়িযোৱাৰ কথা কম। শাসনাধীষ্ট দলে উৎথাপন কৰা আজিৰ বাজেটৰ আলোচনাৰ মাজেৰে আগবাঢ়ি যোৱা আৰু পৰামৰ্শ দাঙি ধৰাটো প্ৰয়োজন। তাৰ বিপৰীতে বিৰোধী পক্ষৰ বিধায়ক সকলে পলাতক মনোভাব লৈছে। আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কৈছিল এইটো আপোনালোকৰে সৃষ্ট ফল। আমাৰ চৰকাৰে যেতিয়া কাৰ্য্যভাৰ লৈছিল তেতিয়া ৰাজ্যখনৰ মুখ্য সচিবকে আদি কৰি ডি জি. পি লৈকে ৪ জন প্ৰধান বিষয়া পলাতক হল অৰ্ন্তধান হল। ৰাজ্যখনত কেনে পৰিস্থিতিত আমাৰ শাসনভাৰ লব লগা হৈছিল তেতিয়া কি অৰাজকতাৰ সৃষ্টি হৈছিল। সেই সময়ত তেওঁলোক অৰ্ন্তধান হৈছিল কিয়নো তেওঁলোকে নীতি-বৰ্হিৰভূত কাম কৰিছিল। আমাৰ চৰকাৰৰ দিনতে এইটো কৰা হৈছে যে পৰিকল্পনাৰ ধন যদি সময় মতে খৰচ কৰিব নোৱাৰে তেতিয়াহলে সেইটো কেন্দ্ৰীয় চৰকাৰলৈ ঘূৰাইপঠাব নেলাগে। সেইটো আমাৰ 'ননলেপচেবোল' ফাউণ্ডত জমা হব। শতকৰা ১০ ভাগ এইদৰে জমা হব। কিন্তু আজি বিৰোধী পক্ষৰ পৰা এইটোত পৰামৰ্শ আহিব লাগিছিল শতকৰা ১০ ভাগৰ ঠাইত শতকৰা ২০ ভাগলৈ এইটো বঢ়াই দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব লাগে। আজি আমি দেখিবলৈ পাইছো তেখেত সকলৰ যি সাংসদ নিৰ্ব্বাচিত হৈ গৈছে তেখেতসকল নিৰোত্তৰ, আমাৰ মাননীয় মুখ্য মন্ত্ৰীৰ দিনত এইটো প্ৰতিফলন হৈছে। আজিৰ এই বাজেট অসমৰ জনজীৱনৰ কাৰণে আস্থাৰ বাজেট আৰু ই সকলো মানুহৰ কাৰণে গ্ৰহণযোগ্য কৰিবলৈ প্ৰয়াস কৰিছে। বিৰোধী পক্ষই ইয়াৰ পৰাই ৰাজনৈতিক মুনাফা লাভ কৰিবলৈ বিচাৰিছে। তেখেতসকলে উপৰে উপৰে কথা কবলৈ বিচাৰিছে। তেখেতসকলৰ দলপতিয়ে যিটো কথা কৈছে সেই কথাটো সত্য নহয় বাজেট আমাৰ দাখিল কৰিব পাৰে। তেখেতসকলে জানিও নজনাৰ ভাও জুৰিছে, এনেকৈ জানিও নজনাৰ ভাও জুৰিলে তেখেতসকলৰ লগত কাম কৰিবলৈ বহুত অসুবিধা। তেখেতসকলে ৰাজনৈতিক লাভালাভৰ প্ৰয়াস কৰিছে। অসমৰ জনগনে কি বিচাৰিছে তেওঁলোকে কি উপলব্ধি কৰিছে বাজেটত সেই বিষয়ে আলোচনা হব লাগে। অসমৰ জনগণৰ কথা চিন্তা নকৰি কংগ্ৰেছ, বিজেপি দলে তেওঁলোকৰ ৰাজনৈতিক লাভালাভৰ কথা চিন্তা কৰিছে। অসমৰ আইন শৃংখলাৰ উন্নত হওক সেই কথা আলোচনা হব লাগে এই বিলাক পৰামৰ্শ তেওঁলোকে দিব লাগে নতুন নতুন দিশ চাব লাগে।

মাননীয় সভাপতি মহোদয়, মই এটা কথা উল্লেখ কৰিবলৈ বিচাৰিছো যে

এই বাজেটত আমাৰ অনুসুচিত জাতি আৰু অনুসুচিত জনজাতি আৰু সংখ্যা লঘুৰ কাৰণে আচঁনি লৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ সফলতা আৰু জন স্বাস্থ্য কাৰিকৰী বিভাগৰ সফলতাৰ কথা উল্লেখ কৰিছে। বিশেষকৈ পানী যোগানৰ ক্ষেত্ৰত বিশেষ ভাবে সফলতা লাভ কৰিছে। আমি দেখিবলৈ পাইছো যে আমাৰ এই বাজেটখন সকলোৰে বাবে এখন গ্ৰহণযোগ্য বাজেট ইয়াত ৰাজ্যৰ উন্নয়নৰ সকলো দিশ প্ৰতিফলিত হৈছে আৰু আজিৰ এই বাজেটৰ সমৰ্থনত মই এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

**Mr. Chairman (Andrias Hajoary) :** Now I request Mr. Sukhendu Shekhar Dutta to speak.

**Shri Sukhendu Shekhar Dutta :** Hon'ble Chairman, Sir, actually we donot want a fulfledged budget, we prefer one Vote on Accounts only. However, we have to accept the reality. Now coming to budget discussion my good friend Mr. Hemanta Kalita had mentioned certain points hopping that certain results should come out. S.C. and S.T. will be benefitted, water supply will be provided. But my point is that we have to look into the concept of budget itself. Whether this budget carries the seed of economic growth. That is to be seen. Here in the budget, Finance Minister has stated that the economy is now showing encouraging signs of growth. In the next para he has mentioned stating certain steps of growth. According to me this is reverse. The argument placed by the Hon'ble Finance Minister is connected mainly with the development in agricultural sector and he has also mentioned that the net State domestic product in NSD is 47% coming from Agriculture. Sir, what I would like to say, this contribution of agricultural sector does not show the state of economic growth. In Assam 43% coming from

agriculture and only 14% comes from Industries. That shows the extreme backwardness of the State. But the Hon'ble Finance Minister is said that the economy of Assam is showing encouraging signs of growth. After 50 years of Independence, Assam's growth of Industry is only 14% i.e. our organised sector's growth is only 14%.

But if we recollect the history of Japan, Sir, only after 15 years of dropping Atom bomb, Japan achieved the highest growth of economy in the World within a very short period. Many other countries also attained the growth of economy within a very short period. But in India after 53 years of Independence, we are lagging behind. So, I think the Hon'ble Finance Minister had no time to look into these aspects. It remains extremely backward. Assam's economy is not at all showing encouraging growth. Unless we do not look into that aspect there is no possibility of economic growth in Assam. Only supply of water will not serve purpose.

That Sir, in Education at page 5, it is seen that this Department in Assam is a most ill-managed Department of the present Government. The state of education in Assam is in a mess. It is in a horrible condition in Assam. The Govt. has no recruitment policy. However L.P. teachers have been appointed in Karimganj. But I know Sir, not a single teacher with 1st Division is appointed. Because they did not pay money. For recruitment of L.P. teacher proper advertisement should be given with preference to better

categories of candidates. But there we see while giving appointment to L.P. teacher the authority simply forgot all other criteria except one i.e., money. Person who have come with money will get appointment. There is a sad story sir. When I asked a question in the Assembly how many teachers have been appointed? Hon'ble Minister, Education replied 195. How the additional number came. This has become the subject of discussion. Then the present D.I. of Karimganj district, he raised the issue that is on record that we have appointed 112 L.P. teachers in the district. But some people of the Department prepared an another list consisting of more teachers. When the present D.I. objected the idea of preparing two lists some people rushed to Dispur for his suspension or transfer to out of that district because he is trying to eliminate the corrupt practices. There is none to look into the affairs of the Education Department. It is not at all a Department Sir, I tell you. Sir, my next point is Flood Control. Sir, we know what is happening in Dhemaji in upper Assam. In my own constituency Patharkandi there were consecutive floods. But not a single rupee has been given. These floods totally damaged the social structure. Since Govt. has not sanctioned money I have to face the music. But the Government shows Assam's economy is showing significant growth. The Power Minister issued a Circular giving the name of one G.P. in every constituency to be electrified. But nothing has been mentioned in the budget. Finance Minister says that there is a spark of economic

growth. In the Industrial sector, you look Sir, Assam Tea Corporation, you look ASTC, you see STATFED - all are closed. All the Deptts. are now at the verge of collapse and that is the pattern of growth of economy of our Finance Minister.

One more point is that in Ayurvedic Shastra Krishna Chaturmukh is the last treatment for saving a patient. We can try that in Assam. I will not take much time of the House. One more point that may help somebody regarding debt management. We know that the Govt. has lot of debt to pay. The budget paper does not indicate how much money has been taken from outside as productive loan and unproductive loan. Whether these are productive or unproductive, and the Government has no planning to come out of that trap. How much the huge amount the Govt. is getting from there. How to come out from that and how the total debt situation will be managed. There is another lapse on the part of this Budget. Govt.has no planning about that management and this budget has no new tax proposal. It is a deficit budget. But deficit budget is not a bad thing. This deficit budget is unnecessary. If the budget contains some elements of generationof economic growth than it could have yielded some results. But this is a budget, a deficit budget, and has no imagination has no planning and this budget shall not help any further economic growth. How this budget can take the economy to a high stage. It is just a docile budget. I would request the Finance Minister to make some modifications. This budget should be modified. Thank

you Sir.

**Mr. Chairman,(Shri Andrias Hajoary):** Now, I will request Mr. Mohan Das to speak.

* **শ্ৰী মোহন দাস ঃ** মাননীয় সভাপতি মহোদয়, বিত্তীয় বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্য মন্ত্ৰী মহন্ত ডাঙৰীয়াই যোৱা কালি সদনত দাখিল কৰা অসম চৰকাৰৰ ২০০১-২০০২ চনৰ বাজেটখন সমৰ্থনত মই চমুকৈ কিছু কথা কব বিচাৰিছো। আমাৰ মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই কলে যে বাজেট স্পীচত আমাৰ মাননীয় বিত্ত মন্ত্ৰী তথা মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অৰ্থনীতি দিশত কিছু এটা আশাৰ বতৰা প্ৰকাশ কৰিছে। তেখেতে সেইটোত একমত হোৱা নাই। তেখেতে কৈছে যে এগ্ৰিকালচাৰ প্ৰাইমাৰী চেক্টৰৰ পৰা আমাৰ জাতীয় আয় শতকৰা ৪৩ ভাগ আহে যত খুবেই নগন্য। কিন্তু এইখিনি কৰিলে বাজেট এখনৰ ক্ষেত্ৰত ৰাজ্যখনৰ অৰ্থনীতি ক্ষেত্ৰত আমূল পৰিবৰ্ত্তন কৰিব পৰা নাযায়। এইটো স্বীকাৰ্য্য যে আমাৰ কৃষি খন্ডত সফলতা লাভ কৰিছে সেইটো আমাৰ কাৰণে আশাৰ বতৰা। কাৰণ আমাৰ মূল খাদ্য চাউল বা ধান। দুবছৰৰ আগলৈকে ধানৰ মাটি বাজেট হৈছিল। যি কি নহওক খৰছ কৰা ধন বাহিৰৰ পৰা আনিবলগীয়া হৈছিল। চেল' টিউৱেল দিয়া হৈছে। ঠায়ে ঠায়ে ৩০ হাজাৰ চেল' টিউৱেল বহুওৱা হৈছে আৰু ৭০ হেজাৰ বহুওৱাৰ চেষ্টা কৰা হৈছে। কেৱল ধানেই হৈছে আমাৰ মূল খাদ্য। সেইটো যে বৃদ্ধি পাইছে সেইটো নহয়। গম,শাক পাচলিৰ ওপৰতো যথেষ্ট বৃদ্ধি পাইছে। আজি আমি দেখিবলৈ পাইছো ধান উৎপাদনকাৰী খেতিয়ক সকলে ধান বিক্ৰী কৰা সমস্যাত ভুগিবলগীয়া হৈছে।

* **Shri Sukhendu Shekhar Dutta :** I think the House is lacking of quorrum. This is a very bad thing.

(সদনত কোৰাম নাই)

(মাননীয় সভাপতি মহোদয় বেল বজোৱাতহে কোৰাম হয়)

* **শ্ৰী মোহন দাস ঃ** মাননীয় সভাপতি মহোদয়, মই এই কাৰণেই কব বিচাৰিছো যে খাদ্য শস্য উৎপাদন কৰা খেতিয়ক সকলে উচিত দামত সামগ্ৰীবিলাক বিক্ৰী কৰিব নোৱাৰা কাৰণে তেওঁলোক ক্ষতিগ্ৰস্থ হৈছে। এই ক্ষেত্ৰত চৰকাৰে নিশ্চয় কিবা এটা ব্যৱস্থা লব। উদ্যোগ খণ্ডতো তেনেকুৱা সমস্যাই দেখা দিছে। মাননীয় সদস্য সকলে নিশ্চয় জানে যে আমাৰ নিজা

* Speech not corrected

উদ্যোগে বাহিৰৰ পৰা অহা উদ্যোগী সকলক আকৰ্ষণ কৰিবৰ কাৰণে যিটো ব্যৱস্থা লোৱা হৈছিল আৰু আমাৰ ইয়াত যিটো অশান্তিৰ পৰিবেশ সৃষ্টি হৈছিল সেই ক্ষেত্ৰত কওঁ, বিশেষকৈ টেক্স, একজামিনেশ্যন দিয়াৰ পিচতো কাৰ্য্যক্ষম কৰি তুলিব পৰা নাই। মই আগতেই কৈছো যে এই বাজেটখন সকলোৰে কাৰণে উপযোগী হৈছে। পৰিস্থিতি সাপেক্ষে দাখিল কৰা এইখন এখন উৎকৃষ্ট বাজেট বুলি কব খুজিছো। আমাৰ চৰকাৰখনে সফলতা লাভ কৰিব বিচাৰিছে। উদ্যোগী ক্ষেত্ৰত আশানুৰোপ লাভ কৰিব পৰা নাই। প্ৰায়কেইটা খণ্ডতে এনেকুৱা অৱস্থা হৈছে। আমাৰ স্বাস্থ্য বিভাগ বা হেণ্ডলুম টেক্সটাইলত অৱশ্যে কিছু সফলতা লাভ কৰিছে। আমাৰ অসমৰ মানুহে ব্যৱহাৰ কৰা তামিলনাডুৰ পৰা অহা গামোচাবোৰ ইয়ালৈ অহাটো অলপ বন্ধ হৈছে। আজিকালি আমাৰ অসমতে গামোচা যথেষ্ট তৈয়াৰ কৰা হয়। তাৰোপৰি এড়ি, মুগা, পাট আদি কাপোৰ অসমৰ বাহিৰলৈ ৰপ্তানি কৰিবৰ কাৰণে সক্ষম হৈছো। এইটো এটা শুভ লক্ষণ।

আনহাতে উল্লেখযোগ্য কথা যে আমাৰ ইয়াৰ পৰা যথেষ্ট বস্ত্ৰ বিশেষকৈ পাট, এড়ি, মুগা আদি কোটি কোটি টকাৰ বাহিৰলৈ ৰপ্তানী কৰিবলৈ সমৰ্থ হৈছোঁ। এইটো এটা শুভ লক্ষণ। আগতে আমাৰ যোগাযোগ ব্যৱস্থা সিমান নাছিল যদিও এতিয়া যথেষ্ট হৈছে। গুৱাহাটীতে ধৰক যি বিলাক স্কীম অগ্ৰাধিকাৰ ভিত্তিত কৰা হৈ আছে তাৰ ভিতৰত ফ্লাই অভাৰ, ৰাস্তা বহলোৱা ইত্যাদি কাম চলি আছে। ইমান বছৰ পিছত ইমান সুন্দৰ এটা কাম হোৱাটো সকলোৱে স্বীকাৰ কৰিছে। এইটো নিশ্চয় সফলতা। অথচ বাজেটত ইয়াৰ ফলত তেনে কোনো হেচা পৰা নাই। কিয়নো ব্যয় হ্ৰাস কৰিবলৈ অহোপুৰুষাৰ্থ কৰি থকা হৈছে। ব্যয় বৃদ্ধি হব বুলিয়েই অন্যান্য খৰছ কম কৰি হলেও এনে বিলাক কাৰ্য্য কৰি পেলোৱা হৈছে। কিন্তু আমি চাব লাগিব আমাৰ ৰাজহ বৃদ্ধিৰ ওপৰত গুৰুত্ব দিবলগীয়া হৈছে। আমাৰ জনমুৰি আয় কম। ইয়াৰ কাৰণ বহুতো আৰু ইয়াৰ বৃদ্ধি কৰিবলৈও সুবিধা কম। সেই কাৰণে এই দিশত আমি অতি সাৱধানে আগবাঢ়িব লগা হৈছে। নতুন কৰৰ প্ৰস্তাৱ নাই কাৰণে কেইটামান ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ লবলগীয়া হৈছে। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত অন্য বছৰতকৈ শতকৰা ২৪ ভাগ বৃদ্ধি পাইছে। এইটো এটা উল্লেখযোগ্য সাফল্য। কৰৰ ক্ষেত্ৰত বিশেষকৈ ইউনিফৰ্ম প্লোৰেট যথেষ্ট লাভজনক হৈছে। আন এটা উল্লেখযোগ্য কথা অসম টেন্সেশ্যন চেটেলমেন্ট অফিছ কৰ এচেছ কৰা হয়। অডিট ৰিপৰ্টত পোৱা হয় আণ্ডাৰ এচেছ হৈছে বা ইলিগেল এচেছমেন্ট হৈছে বুলি। এইটো

ৰিজচেছমেন্ট কৰাৰ কাৰনে কৰ দাতা সকল হাইকোৰ্টলৈ যায় আৰু চেটেলমেন্ট ডিচ্পিউটৰ কাৰনে এক্ট কৰা হৈছে। ইয়াৰ ফলত আৰু বহু ৰাজহ সংগ্ৰহ কৰিব পৰা যাব। এইটো এটা উল্লেখযোগ্য কথা বুলিব পাৰি। ইয়াৰ উপৰিও আমোদ কৰ ইত্যাদিও সংশোধন কৰাৰ ব্যৱস্থা কৰা হৈছে। এইক্ষেত্ৰত মই আৰু দুটামান কথা কব খুজিছোঁ। কৰবাতে যে লুপ হ'ল বহি সেইটো নহয়। সেইটো আতৰাব পাৰিলে কৰ সংগ্ৰহ নিশ্চয় বাঢ়িব।

(সময়ৰ সংকেত)

কিছুমান চেক্গেট আমাৰ হাতত আছে। ঠিকমতে কাম কৰিবৰ কাৰনে আৰু ৰাজহ সংগ্ৰহ কৰিবৰ কাৰনে আন্তঃগাঠনিৰ অসুবিধা আছে। হাজাৰ হাজাৰ গাড়ী অহা যোৱা কৰিলেও পাৰ্কিং ব্যৱস্থা নাই আৰু চেক্আপৰ ব্যৱস্থা নাই। কিন্তু সিফালে পশ্চিমবঙ্গ সীমান্তত সেইবিলাক ব্যৱস্থা আছে। কম্পিউটাৰ ব্যৱস্থা ইন্ট্ৰডিউচ্ কৰিব পৰা নাই কাৰনে কৰ সংগ্ৰহৰ ক্ষেত্ৰতো যথেষ্ট ক্ষতিগ্ৰস্থ হৈছো। আন এটা কথা হৈছে চিকিউৰিটীৰ যথেষ্ট প্ৰয়োজন আছে। চেক্গেট বিলাক পৰ্য্যাপ্ত পৰিমানৰ চিকিউৰিটী নোহোৱাটো অসুবিধা হৈছে। দীমাৰ পৰা বহুত কয়লা গাড়ী অহা যোৱা কৰে। প্ৰতি ট্ৰাকত ২০-৩০ টকাকৈ হলেও ১৫০০ টকা হয়। কিন্তু গাড়ী বিলাক ৰখাবই নোখোজে। সেয়ে যথেষ্ট সংখ্যক চিকিউৰিটীৰ প্ৰয়োজন। আমাৰ ফালৰ পৰা গৃহ বিভাগৰ অনুৰোধ কৰিব পাৰোঁ যে চিকিউৰিটীৰ ব্যৱস্থা সঠিক কৰিলে ৰাজহ সংগ্ৰহ কিয় বেছি কৰিব নোৱাৰিব? আন এটা কথা কওঁ যে আমাৰ ইয়াতো এন্ট্ৰি টেক্স নাই কিন্তু বহু ৰাজ্যত আছে। অথচ আমাৰ ইয়ালৈ আহিবলৈ গাড়ী জাম লাগে। এন্ট্ৰি টেক্স লগালেই যে দুখীয়া ৰাইজ ক্ষতিগ্ৰস্থ হব তেনে নহয়। এন্ট্ৰিটেক্সটো চিকিউৰিটী টেক্স হিচাপেও লব পাৰে কিন্তু ঘৰদুৱাৰ বন্ধ কৰি হাজাৰ হাজাৰ বস্তা চিমেন্ট ৰাখে আমি এক পয়চাও টেক্স নাপাওঁ। কন্জুমাৰ গুড্চ্ৰ পৰাও আমি একো নাপাওঁ। ওৱাইনৰ ওপৰত যিটো টেক্স সেইটো আকৌ এক্সচাইজক দিয়া হৈছে। সেইটো পায় প্ৰডাক্সনৰ ওপৰতহে। ওৱাইনৰ ওপৰত চেলচ্টেক্স কৰিব লাগে। তেতিয়াহে আমি লাভবান হব পাৰিম বুলি আমি ভাবোঁ। কবলগীয়া আৰু বহু আছে কিন্তু এইখিনিৰে কৈয়ে বাজেটৰ সমৰ্থনত বক্তৃতা ৰাখি সামৰণি মাৰিছোঁ।

**Mr. Chairman :** Now Hon'ble Member Shri Nizamuddin Khan please.

**শ্ৰী নিজামুদ্দিন খান ঃ** মাননীয় সভাপতি মহোদয়, যোৱাকালি আমাৰ বিত্ত

বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট দাখিল কৰিলে তাৰ প্ৰতি সমৰ্থন জনাই মই কেইটামান কথা উল্লেখ কৰিব খুজিছোঁ। প্ৰথমতে মই নিয়োগ সম্পৰ্কে বাজেটখনত যি কথা কোৱা হৈছে তাত কোৱা হৈছে যে ১৯৯৯ চনৰ জুন মাহৰ শেষৰ পৰা ২০০০ চনৰ জুনলৈ ১৬, ২৪, ০২১ জনৰ পৰা ২০০০ চনৰ জুনত ১৬, ১৮, ২১০ লৈ হ্ৰাস পাইছে। এইযে সংখ্যাটো কমিল এইটো নিয়োগৰ দ্বাৰা কমিল নে এই ভয়াবহ নিবনুৱা সমস্যা অন্যান্য কৰ্ম্মসংস্থানৰ কাৰনে কমিল সেইটো উল্লেখ হোৱা নাই। যদিও মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা উল্লেখ কৰিছে যে মুখ্যমন্ত্ৰীৰ স্বনিয়োজন যোজনাত দুবছৰৰ ভিতৰত ভয়াবহ নিবনুৱা সমস্যাৰ সমাধানৰ কাৰনে কি কি কৰা হল আৰু কিমান নিবনুৱাক সামৰি লোৱা হব আৰু এইটো কি ভিত্তিত কৰা হব তাৰ কোনো উল্লেখ কৰা হোৱা নাই। নিয়োগ নীতি আৰু স্ব-নিয়োজন এই কোনটোত কিমান নিবনুৱা সামৰি লোৱা হব তাৰো কোনো ব্যাখ্যা কৰা হোৱা নাই।

সভাপতি মহোদয়, ইয়াত উল্লেখ কৰা হৈছে যে শিক্ষাৰ শিতানত প্ৰথম পদক্ষেপ হিচাপে সৰ্ব্ব শিক্ষা অভিযান আচঁনিত ধেমাজী, কৰিমগঞ্জ, তিনচুকীয়া আৰু নলবাৰী জিলাক সামৰি লৈছে। পিচত অন্যান্য জিলা সমূহো সামৰি লোৱা হব বুলি উল্লেখ কৰিছে। সৰ্ব্বশিক্ষা অভিযানত এইটো উল্লেখ কৰা হৈছে যে যি বিলাকত বিদ্যালয় নাই বিশেষকৈ চাহবাগান কিছু স্কুলক, সীমান্ত অঞ্চলৰ কিছু বিদ্যালয় প্ৰাদেশীকৰণ কৰাৰ কাৰনে ইয়াত কিন্তু কোনো উল্লেখ নকৰিলে। কি কাৰনত কৰা নাই সেইটো কথা মুখ্যমন্ত্ৰী মহোদয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছে যে এইটো চৰকাৰৰ বিবেচনাধীন হৈ আছে। কিন্তু বাজেটত এই কথাটো উল্লেখ নাই। আমি এইটো পাইছো কেন্দ্ৰীয় চৰকাৰৰ লগত যিটো চুক্তি সেইটো যে সম্পূৰ্ণ হব সেইটো সন্দেহ। এইক্ষেত্ৰত শিক্ষাৰ প্ৰসাৰৰ কাৰনে অন্ততঃ কিছু আচঁনি লোৱাৰ প্ৰয়োজন আছে বুলি মই ভাবোঁ। সভাপতি মহোদয়, আৰু এটা কথা উল্লেখ কৰিব খুজিছোঁ যে কৃষিৰ ক্ষেত্ৰত উন্নতি হোৱা দেখা গৈছে। কৃষি উৎপাদন বৃদ্ধি হৈছে। সেইটো হৈছে বিশ্ব বেঙ্ক বা নাবাৰ্ডৰ জৰিয়তে কিন্তু লাখ লাখ কৃষকক ন্যায্য মূল্য দিয়াৰ কাৰনে যি ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল তাৰ কোনো ইঙ্গিত ইয়াত নাই। উৎপাদন বৃদ্ধি হৈছে হয় কিন্তু এই বৰ্দ্ধিত উৎপাদন ন্যায্য মূল্য বিক্ৰী আৰু কৃষকে যাতে হাৰাশাস্তি পাবলগীয়া নহয় তেনে কোনো ইঙ্গিত ইয়াত নাই। ডিজেলৰ দাম বৃদ্ধি হোৱাৰ লগে লগে অন্যান্য সকলো আনুসঙ্গিক দাম বাঢ়ি গৈছে। অন্ধ্ৰ আৰু পাঞ্জাবৰ কৃষকে আত্মহত্যা কৰাৰ দৰে

আমাৰ ইয়াতো কৃষকে যাতে আত্মহত্যা কৰিবলগীয়া নহয় তাৰ কাৰনে এতিয়াই সজাগ হব লাগিব। উদ্যোগ সম্পৰ্কত আমাৰ মাননীয় সদস্য দাস ডাঙৰীয়াই কৈছে যে যি বিলাক ৰুগ্ন আৰু বন্ধ হৈ থকা উদ্যোগ সেইবিলাক পুনৰজীৱিত কৰিব লাগে। কিন্তু তাৰ কোনো ইঙ্গিত এই বাজেটত নাই। ৰুগ্ন আৰু বন্ধ উদ্যোগ সমূহ জীয়াই তুলিব পাৰিলে ভয়াবহ নিবনুৱা সমস্যাৰ ভালেখিনি ওৰ পৰিব। ইয়াত উল্লেখ কৰিছে যে "ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি চালি জাৰি চোৱাৰ বাবে ১৯৯৯ চনৰ মে মাহত একাদশ বিত্তীয় আয়োগে ৰাজ্যখন ভ্ৰমন কৰে। ৰাজ্য চৰকাৰে আশা কৰিছিল যে একাদশ বিত্তীয় আয়োগে ইয়াৰ অনুদান সমূহ আগবঢ়াওতে ৰাজ্যখনৰ সমস্যা সমূহ আৰু আৱশ্যকতাখিনিৰ বিষয়ে অনুধাৱন কৰিব কিন্তু দুভাৰ্গ্যজনক ভাবে বহু আশাৰে প্ৰতীক্ষা কৰি থকা একাদশ বিত্তীয় আয়োগৰ অনুদান সমূহ তিক্ততাপূৰ্ণহে হৈ পৰিল। ৰাজ্য চৰকাৰৰ পৰিকল্পনা বহিৰ্ভূত শিতানত অধীক মঞ্জুৰী প্ৰদানৰ বিপৰীতে একাদশ বিত্তীয় আয়োগে দুহেজাৰ-দুহেজাৰ পাচ চনৰ গোটেই কালছোৱাৰ বাবে দশম বিত্তীয় আয়োগে ১৯৯৫-২০০০ চনৰ বাবে আগবঢ়োৱা সৰ্ব্বমুঠ ৭১২.০৩ কোটি টকাৰ বিপৰীতে মাত্ৰ ১১০.৬৮ কোটি টকাৰ অনুদানহে আগবঢ়ায়"। এইটো আমাৰ কাৰনে সাংঘাটিক দুৰ্ভাগ্যৰ কথা। আজি বা দশম বা নৱম বিত্তীয় আয়োগে যিটো অনুদান দিছিল একাদশ বিত্তীয় আয়োগত আমাৰ ৰাজ্যখনৰ সমস্যাৰ প্ৰতি লক্ষ ৰাখি সেইটো বঢ়াব লাগিছিল। কিন্তু এইটো কমি যোৱাটো আমাৰ কাৰনে অতি দূৰ্ভাগ্যজনক। মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে এইটোত আমিও আক্ষেপ প্ৰকাশ কৰিছোঁ। নিশ্চয় ইয়াৰ লগত সকলোকে একমত হব পাৰিব। ইয়াত সেই কাৰনে উল্লেখ কৰিছে। "একাদশ বিত্তীয় আয়োগে যে অসমক অৱহেলা কৰি ৰাখিছে সেই কথা এটা কথাৰ পৰাই স্পষ্ট হৈ পৰিছে যে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰে পাব লগা যি অংশ তাৰ পৰা অসমক মাত্ৰ ৩০০৫ শতাংশহে হস্তান্তৰ কৰাৰ পৰামৰ্শ দিছে। আনহাতে নৱম বিত্তীয় আয়োগ আৰু দশম বিত্তীয় আয়োগে অসমলৈ হস্তান্তৰ কৰিবলগা সৰ্ব্বমুঠ ৰাজ্যিক অংশৰ ভিতৰত যথাক্ৰমে ৩.৭৩ শতাংশ আৰু ৩.৬৭ শতাংশ আগবঢ়াইছিল। এই দুৰৱস্থাৰ কাৰনে পৰামৰ্শ কি বুলি ভৱা নাছিলো। আৰু এইটো সফল কৰিবৰ কাৰণে আমি দল মত নিৰ্ব্বিশেষে একমত হব লাগিব। কংগ্ৰেছ দলে যদিও সদন ত্যাগ কৰিছে মই আশা কৰো যে এইটোৰ ক্ষেত্ৰত একমত হব এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

**Mr. Chairman** : Now, Hon'ble Member Shri Brindaban Goswami.

**শ্ৰী বৃন্দাবন গোস্বামী** ঃ সভাপতি মহোদয়, এইখন অসম গণ পৰিষদ চৰকাৰৰ কাৰ্য্যকালৰ অন্তিম অধিবেশন আৰু এইখনেই এই কাৰ্য্যকালৰ অন্তিম বাজেট। বৰ্তমানৰ যিটো পৰিস্থিতি এই পৰিস্থিতিত যিখন বাজেট উৎথাপন কৰা হৈছে ইয়াতকৈ অধিক উন্নত ধৰণৰ বাজেট কোনেও উপস্থাপন কৰিব নোৱাৰে। সেই কাৰণে যি বাজেট উৎথাপন কৰা হৈছে সেই বাজেটৰ প্ৰতি সমৰ্থন জনাই মই কেইটামান কথা ক'ব বিচাৰিছোঁ। ইতিমধ্যে কেইবাগৰাকী মাননীয় সদস্যই বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিছে। মই কেইটামান আন বিষয়ত ক'ব বিচাৰিছো।

আমাৰ ৰাজ্যখনত যিটো অৰ্থনৈতিক সংকট হৈছে সেই সংকট এদিন বা দুদিনতে হোৱা নহয়। ইয়াৰ এটা পশ্চাদপত আছে। বাজেটখনৰ কথাবিলাক চোৱা দৰ্কাৰ। যেনেধৰণে আন্তঃগাঁথনি কৰা দৰ্কাৰ আছিল সেই আন্তঃগাঁথনিত দৃষ্টি দিয়া নহ'ল। ১৯৫১ চনত আমাৰ পাৰ কেপিটা আছিল ৫ হাজাৰ ।যোৱা দশক কেইটাত আমাৰ অৱস্থাৰ উন্নতি নহ'ল বৰং নিম্নগামী হ'ল। জনশক্তিৰ লগত প্ৰশাসনিক সহযোগিতা নাছিল। পৰিকল্পনা কৰোঁতে আমি কোন অঞ্চলত গুৰুত্ব দিম সেই বিলাক চিনাক্ত কৰা নহ'ল। অপৰ্য্যাপ্ত সম্পদ থাকিও সম্পদৰ সৃষ্টি নহ'ল। ৰাজকোষ বাঢ়ি নগল। যত গুৰুত্ব দিব লাগিছিল দিয়া নহল। বিশেষকৈ জনকল্যাণৰ ক্ষেত্ৰত দূৰদৃষ্টিৰ অভাৱতে আজি অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছে। ইয়াৰ কাৰণে পুৰনি সেই সময়ৰ নেতা সকলক সমালোচনা কৰিব লাগিব।

আজি কংগ্ৰেছ দলৰ বন্ধুসকল ইয়াত উপস্থিত নাই। এই বাজেট উৎথাপন কৰাতো উচিত হোৱা নাই বুলি তেওঁলোকৰ আপত্তি আছে। তেখেতসকলে ইয়াত থাকি দৃঢ়তাৰে এই বিষয়টো আলোচনা কৰা দৰ্কাৰ আছিল। বিগত সময়ছোৱাত উদ্যোগীকৰণ আৰু বিদ্যুৎ উৎপাদনত গুৰুত্ব দিব লাগিছিল। অসম বিভাজনৰ সময়ত আৰু বিভাজনৰ পিছত যিবিলাক বিষয়ত গুৰুত্ব দিব লাগিছিল দিয়া নহ'ল। ৰঙা নদীত ৬ শ মেগাৱাত বিদ্যুৎ উৎপাদন হব। যিবিলাক কাম আমি কৰিব লাগিছিল কৰা নহ'ল। আজি যি পাৱাৰ উৎপাদন হয় তাৰে নচলে। পাৱাৰ আনিব লাগে পূৰ্বাঞ্চলৰ পৰা। উত্তৰ পূৰ্বাঞ্চলত পাৱাৰ থকা স্বত্বেও কোকৰাঝাৰৰ পৰা ধেমাজীলৈ অন্ধকাৰত থাকিব লাগে। কঠালগুৰিত ৬০ মেগাৱাত উৎপাদন

হব, তাৰৰূপ দিয়াৰ উপায় নাই। বিতৰণ কৰা কথা বাদেই। পৰিবহনৰ কাৰণে পৰিকল্পনা লেৰা নহল, যিবোৰ লয় সমষ্ট দুৰ্নীতি। ১৩২ মেগাৱাত কে ভি ৰ চাবষ্টেচন কৰা হৈছিল। যিখিনি মাটিৰ মূল্যত আদাবাৰী বাগানত খৰচ হলহেতেন মাত্ৰ আঢ়ৈ লাখ টকা, চাইডটো জলাশয় হোৱাৰ কাৰণে দহ কোটি টকা ব্যয় কৰা হৈছে। ট্ৰেন্সফৰ্মাৰৰ ৮৬ লাখ টকাৰ কাম নহল। হাইডেল প্ৰজেক্ট কৰাত গুৰুত্ব দিব লাগিছিল। আমাৰ আন্তঃগাঁথনিত সৰ্বাধিক গুৰুত্ব দিয়া হলে আজি এই অৱস্থাৰ সৃষ্টি নহয়। ৰাস্তা-ঘাট, যোগাযোগৰ কাৰণে সমগ্ৰ ভাৰতবৰ্ষৰ অন্য ৰাজ্যতকৈ বহু হাজাৰ কোটি টকা বেছি আগবঢ়াই গলেও তাৰ তুলনাত আমি বহু পিছ পৰি থাকিলো। এইখন এখন অন্ততঃ, ধনী ৰাজ্য বুলি কোৱা হৈছে। ৬শ খন চাহ বাগিছা আছে। তথাপিও ভাৰতবৰ্ষৰ আন ৰাজ্যৰ লগত আগবাঢ়ি যাব নোৱাৰে। তাৰ কাৰণ দীঘলীয়া সময় ধৰি আমাৰ প্লেনৰ ধনখিনি সেই সময়ত যথেষ্ট সুদ দি ঋনত লোৱা হৈছে। এই কথা আঞ্চলিক দলৰ চৰকাৰ অহাৰ পিছত উত্থাপন কৰা হৈছে। আমাৰ এক হাজাৰ কোটি টকাৰ ঋণ হৈছে। ইয়াৰ কাৰণে দায়ী কোন? ইয়াৰ কাৰণে দায়ী তেতিয়া পুৰণি যিখিনি নেতা আছিল তেওঁলোক দায়ী। তেওঁলোকে ষ্টেটফেড, এপেক্স বেংক, পৰিবহন নিগম প্ৰতিষ্ঠা কৰি ভাল কামেই কৰিছিল। কিন্তু কি হ'ল? পৰিবহন মন্ত্ৰীয়ে ইয়াক ধ্বংস কৰা নাই। ইয়াৰ মৃতদেহ কঢ়িয়াব লগা হৈছে। ৪০৭/৬০৯ গাড়ীবিলাক উদ্যোগপতিয়ে উলিয়াই দিলে। এইবিলাক বেলেগ চলিবলৈ ৰাস্তা লাগিল। কৰ্পোৰেচনে তেওঁলোকৰ লগত ফেৰ মাৰিব নোৱাৰিলে। এই অৱস্থাত ষ্টেট ট্ৰেন্সপোৰ্টৰ কেইটামান মেনেজমেন্ট বা ঠিকাদাৰৰ কাৰণে হোৱা নাই। গাড়ীবিলাক ডাঙৰ উদ্যোগপতিৰ ইন্টৰেষ্টত উলিয়াই দিছে। অনুজ্ঞাপত্ৰ ফ্ৰি কৰি দিছে। আজি মুকলি বজাৰৰ প্ৰতিযোগিতা চলিছে এতিয়া তিনিটা চাৰ্ভিচ আছে। ট্ৰেন্সপোৰ্টত মানুহ কিয় উঠিব। আজি যদি কথাবিলাক ভালকৈ চোৱা যায় কেতবোৰ গাফিলতি হৈছে, দুৰ্নীতি হৈছে। আজি যিটো বিপৰ্যয় হৈছে সেইটো মন্ত্ৰীয়ে লোৱা সিদ্ধান্ত নহয়।

ষ্টেটফেডত পুনৰ ৪৮ কোটি টকা অনা হৈছে দৰ্মা দিবৰ টকা নাই। ইয়াৰ নামত ধাৰ লোৱা হৈছে। সাধাৰণ জনপ্ৰিয়তাৰ কাৰণে দুটকীয়া চাউল দিয়া হৈছিল। দুটকাৰ চাউল কেইদিনমান দিয়াৰ বাহিৰে নিজেই সেই চৰকাৰৰ দিনত বন্ধ কৰি থব লগা হৈছে। দুটকাৰ চাউল দিবলৈ ঋণ লোৱা হৈছে। এনেধৰণৰ প্লেনিঙৰ যোগেদি সম্পদৰ সৃষ্টি নহয়। এই ঋণৰ ধনেৰে কৃষকক চেলো

টিউবওৱেল, বীজ দিয়া আৰু কৃষক সকলক শিক্ষিত কৰি তোলা ভাল আছিল। তাকে নকৰি ৰাজ্যখনক ঋণগ্ৰস্থ কৰিছে। দূৰদৃষ্টিৰ অভাৱতে সাময়িকভাৱে এই কাম বিলাক কৰিছে।

আজি এচকাৰ্দ বেংক নাইকীয়া হল। কাক কিমান ঋণ দিলে কোনেও নাজানে। ডাঙৰ ডাঙৰ ব্যৱসায়ীক ঋণ দিয়া হল আৰবান এৰিয়াত। এজনে ১ কোটি টকা দিবলৈ বাকী আছে আৰু কিমান জনে দিয়া নাই লিষ্ট চালেহে দেখা যাব। সেইকাৰণে এই বিষয়টো পষ্ট মৰটেম কৰাটো দৰকাৰ আজি শিক্ষকৰ ক্ষেত্ৰতো ইলিগেল, ইৰিগুলাৰ বুলি কোৱা হৈছে। মনোহৰণ কমিটিৰ মতে ৫০ হাজাৰ শিক্ষক অবৈধ। ৪০ হাজাৰ শিক্ষকৰ পদ ক্ৰিয়েট কৰাত প্লেনিং বিভগৰ অনুমোদন নাছিল। শিক্ষা বিভাগৰ বিষয়াই বিট্ৰে কৰিছে। ৪০ হাজাৰ শিক্ষকক নিয়ম অনুসৰি সোমোৱা হোৱা নাই। পষ্ট নোহোৱা কৰি তাৰ পিচত পুনৰ ১৫ হাজাৰ শিক্ষকক নিযুক্তি দিয়া হল। আজি শিক্ষকক সঠিক হিচাব বিত্ত বিভাগক শিক্ষা বিভাগে দিব পৰা নাই। ইয়াৰ কাৰণ কি? আজি আমাৰ ৰাজ্যখন কলাপচ্ হৈছে। আজি শিক্ষা বিভাগে শিক্ষক সকলক প্ৰতাৰণা কৰিব নালাগিছিল এই বিভাগটোৰ অপৰিকল্পিত ভাবে কৰা কামৰ বাবে আজি অৰ্থনৈতিক নাটনি হৈছে প্ৰায় ২ লাখ শিক্ষক কৰ্ম্মচাৰী সোমাই লোৱা হল আৰু এতিয়া চম্ভালিব পৰা নাই। যত পষ্ট নোহোৱাকৈ নিযুক্তি দিয়া হৈছে সেই বিলাকত বিত্ত বিভাগে দৰমহা কৰ পৰা দিব? শিক্ষা বিভাগে কৰ পৰা দিব? দৰমহা নোপোৱাৰ কাৰণেই আজি শিক্ষক সকলে ধৰ্না দিবলৈ আহিছে। এইটো বৰ লাজৰ কথা। এই দায়িত্বহীনতাৰ কাম কোনে কৰিছে? মই যেতিয়া শিক্ষা মন্ত্ৰী আছিলো সেই সময়তে অপাৰেচন ব্লেক বৰ্ডৰ আণ্ডাৰত কিছু পষ্ট আহিছিল। সেই পষ্ট বিলাক এবছৰৰ পিচৰ পৰা আমি দায়িত্ব লব লাগে কিন্তু সেই দায়িত্ব বহন কৰিব নোৱাৰিম বাবেই পষ্ট বিলাক ঘুৰাই দিয়া হল। চৰকাৰে দেশৰ অৰ্থনৈতিক প্ৰকৃত ছবি নোচোৱাৰ বাবে আজি এনে হৈছে। সেইদৰে এপেক্স বেংক এটা আঞ্চলিক বেংক, অসমৰ মানুহৰ বেংক আছিল। কথা নাই বতৰা নাই চুগাৰ মিল কিনিবলৈ অহা এজন মানুহক টকা উলিয়াই দিয়া হল আৰু মুল সূতিলৈ ঘুৰি অহা সকলো যধে মধে ঋণ দিয়া হল, ফলস্বৰূপে আজি বেংক নাইকীয়া হল। ৰাজ্যখনত প্ৰস্তুত কৰি মজুত ৰখা আৰু পিচত ৰাজ্যৰ বাহিৰলৈ চালান দিয়া বিলাসী সামগ্ৰীৰ পৰা কৰ সংগ্ৰহ কৰাৰ উদ্দেশ্যে অসম কৰ আইন সংশোধন কৰা হৈছে। তাৰোপৰি অসম কৰ গোচৰ মীমাংসা আইন নামৰ এখন আইন বলবৎ কৰা

হৈছে, লগতে এই গোচৰ সমূহৰ মীমাংসাৰ জৰিয়তে কিছু ৰাজহ সংগ্ৰহ কৰিব পৰা হব বুলি কৈছে। উক্ত আইনৰ যোগেদি মীমাংসাৰ বাবে কৰা আবেদন সমূহৰ নিস্পত্তিৰ কাৰণে ডেজিগনেটেদ কৰ্তৃপক্ষই বিবেচনা কৰি আছে। আমাৰ ৰাজ্যখনৰ এই সময়ছোৱাত ভালে কেইটা কৰ সংগ্ৰহৰ ব্যৱস্থা দেখা পাইছো। এতিয়া নিযুক্তি বন্ধ কৰা হৈছে আৰু ইয়াৰ কাৰণে চৰকাৰে জনপ্ৰিয়তা হেৰুৱাইছে। কিন্তু ৰাজ্যখনৰ বৰ্ত্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখি কিছুমান কঠোৰ সিদ্ধান্ত লোৱা দৰকাৰ হৈ পৰিছে। আজি আমি আত্ম সহায় নিজে কৰিব লাগিব। আজি আমি প্ৰয়োজনীয় সম্পদ নিজ ৰাজ্যতে থকা স্বত্বেও আহৰণ কৰিব পৰা নাই। আজি কনী ট্ৰাকে ট্ৰাকে অন্ধ্ৰ প্ৰদেশ আৰু কৰ্নাটকৰ পৰা অসমলৈ অনা হৈছে। আজি আমাৰ ৰাজ্যখন কৃষিখণ্ডত ধান উৎপাদন ক্ষেত্ৰত সম্পূৰ্ণ স্বাৱলম্বী হৈছে। যিসকলে উৎপাদন কৰিছে তেওঁলোকে উচিত মূল্য পোৱাটো দৰকাৰ। এইটোৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। হস্ততাত আৰু বস্ত্ৰ শিল্পৰ ক্ষেত্ৰতো আমাৰ ৰাজ্যখন যথেষ্ট আগবাঢ়িছে। মীন পালনৰ ক্ষেত্ৰতো মীন বিভাগে মাছৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে কেইবাখনো আচঁনি কাৰ্য্যকৰী কৰিছে। বিশ্ব বেংকৰ সহায়ত এই আচঁনিবিলাক কৰি থকা হৈছে। মানুহে সদায় বেয়া ঘৰৰ পৰা ভাল ঘৰলৈ যাব বিচাৰে। সেইদৰে আমাৰ ৰাজ্যখনেও বেয়া অৱস্থাৰ পৰা ভাল অৱস্থালৈ যাবৰ বাবে চেষ্টা চলাইছে। আমাৰ ৰাজ্যখনত শতকৰা ২৭ শতাংশ মাটিহে খেতিৰ বাবে ব্যৱহাৰ হয় বাকী অংশত নানা ধৰণৰ জলাশয়, খাল বিল আদিয়ে আগুৰি আছে। কোন দেশী, কোন বিদেশী মই কবলৈ যোৱা নাই। আজি আমাৰ খিলঞ্জীয়া লোকেও বনাঞ্চলত থাকিবলগীয়া হৈছে। বনাঞ্চলৰ অভাৱ হোৱাত হাতীৰ জাক টাউন অঞ্চললৈ আহিব ধৰিছে। হাতীৰ খাদ্য কলগছ, তৰা গছ আদিৰ অভাৱ হৈছে। জংঘল নাইকীয়া হৈছে। আজি এটা প্ৰজাতি শেষ হৈ যাব ধৰিছে। চৰকাৰে কোনো সুবিধা দিব পৰা নাই। আজি হাতীয়ে মানুহ মাৰিছে, শস্য নষ্ট কৰিছে, চৰকাৰে একো কৰিব পৰা নাই। আজি বনাঞ্চল ৰক্ষা কৰাৰ বাবে চেষ্টা কৰক। আজি আমাৰ ৰাজ্যত চেন্ট্ৰেল ইউনিভাৰচিটি কৰা হল তাতো প্ৰয়োজনীয় টকা দিব পৰা নাই। বাজেটত কোনো প্ৰভিজন নাই। ইতিমধ্যে ১০১ কোটি টকা দিয়া হল। এতিয়া আমাৰ ৰাষ্ট্ৰীয় প্ৰতিস্থান এটা বন্ধ হৈ যাব। আমাৰ ৰাজ্যখন প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ হৈ থকা স্বত্বেও আমি আমাৰ চাহপাত, তেল, জলসম্পদৰ নিচিনা বহুত সম্পদৰাজি ব্যৱহাৰ কৰিব পৰা নাই।

আজি আমি বিধান সভালৈ এই কাৰণেই এই কথাখিনি আনিছো যে আজি

আমাৰ ৰাজ্যখনত বনাঞ্চল নোহোৱাৰ কাৰণেই বানপানী হৈছে, বনাঞ্চল নোহোৱাৰ কাৰণে হাতী বিলাকে থাকিবলৈ বা খাবলৈ নোপোৱা হৈ চাৰিওফালে ওলাই আহিছে। মই নিজেও হাতী খেদিবলৈ গৈছো আৰু হাতীৰ উপদ্ৰব দেখিছো। গতিকে এনে সমস্যাবোৰ আমি চিনাক্ত কৰিব লাগে আৰু তাৰ সমাধানৰ কাৰণে ইতিবাচক দৃষ্টিভঙ্গী গ্ৰহন কৰিব লাগে। ইয়াৰোপৰি আমাৰ চৰকাৰৰ যি কেইটা দিন বাকী আছে সেই কেইটা দিনত ৰাজ্যখনৰ ৰাজহ বৃদ্ধি কৰাৰ কাৰণে প্ৰচেষ্টা হাতত লব লাগে। আজি আমাৰ ইয়াত তেলৰ দাম দুবছৰে/তিনি বছৰে নিৰ্দ্ধাৰিত ব্যৱস্থা প্ৰত্যাহাৰ কৰি প্ৰতি বছৰে নিৰ্দ্ধাৰিত কৰাৰ ব্যৱস্থা হব লাগে। চাহৰ দাম যোৱা বছৰ কিছু কমিছে যদিও ভবিষ্যতে সেইটোৱেই নাথাকে গতিকে অৱস্থা বিশেষে চাহৰ খেতিয়ক সকলক সুবিধা দিব লাগে। তেতিয়াহে আমাৰ ৰাজকোষ উন্নত হব পৰা ব্যৱস্থা হব। আমি প্ৰশাসন, চৰকাৰ আৰু জনসাধাৰণৰ সংযোগ ঘটাব নোৱাৰিলে আমি পৰিকল্পনাৰ কাম বিলাকত আগবাঢ়ি যাব নোৱাৰিম। আমি শাসনলৈ অহা প্ৰথম দুটা বছৰ আছিল অস্থিৰতাৰ বছৰ। এই অস্থিৰতাৰ কাৰণে আমাৰ কাম কাজত বহুতো বাধাৰ সৃষ্টি হৈছিল। শান্তিৰ বাতাবৰণ নহলে আমাৰ কোনোপধ্যেই উন্নত নহব। সেইকাৰণে মই ভাবো আমি সকলো কথা যুক্তিৰে বিচাৰ বিবেচনা কৰা দৰকাৰ আৰু আমাৰ অৰ্থনৈতিক বুনিয়াদ ঘঢ়াত সকলোৱে আগ ভাগ লোৱা দৰকাৰ। গতিকে এই বাজেটত যিখিনি কথা উল্লেখ কৰা হৈছে তাৰ বিৰোধিতা কৰাৰ পৰিৱৰ্তে বাজেটখনক এখন সময়োপযোগী বাজেট বুলি আমি সকলোৱে ইতিবাচক দৃষ্টিভঙ্গীৰে এইখন গ্ৰহন কৰা উচিত। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

**Mr. Chairman :** Now, Hon'ble Member Shri Hamendra Nath Brahma.

* **শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিধান সভাত যিখন বাজেট উত্থাপন কৰিছে সেই বাজেটখনত আমি দেখিবলৈ পাইছো বহুতো বিভাগত বহুতো টকা ধাৰ্য্য কৰা হৈছে। মই আটাইবোৰ বিভাগৰ কথা কবলৈ নাযাও - মাত্ৰ দুটা বা তিনিটা বিভাগৰ ওপৰত মোৰ বক্তব্য ৰাখি মোৰ ভাষণ সামৰিব খুজিছো। মই বিশেষকৈ অনুসূচিত জাতি আৰু অন্যান্য পিচপৰা জাতি সমূহৰ

* Speech not corrected

কল্যান বিভাগৰ শিতানত বড়ো স্বায়ত্ব শাসিত পৰিষদৰ বিষয়ে অলপ কব খুজিছো। বিগত চাৰি বছৰত বড়ো স্বায়ত্ব পৰিষদৰ কাৰণে যিটো পৰিকল্পনাৰ ধন আৱন্টিত কৰা হৈছিল সেই ধন যোৱা ১৯৯৬ চনৰ পৰা আজিলৈকে এটাও টকা মোকলাই দিয়া নাই। সেই কাৰণে মই এই বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো যে বি.এ.চি. এলেকাৰ প্লেন মানি মুকলি কৰি নিদিয়াৰ কাৰণে সেই অঞ্চলৰ উন্নয়নমূলক কাম কাজ সমূহ স্থবিৰ হৈ পৰিছে। এইবাৰ বাজেটত বি.এ.চি. এলেকাৰ কাৰণে কিমান ধন ধাৰ্য্য কৰা হৈছে সেইটো পোনপটীয়াকৈ উল্লেখ কৰা নাই। মাত্ৰ চৰকাৰে এটা কথা কৈছে যে এইবাৰ পৰিকল্পনাত প্ৰাক কলনত যথেষ্ট ধন ধাৰ্য্য কৰা হৈছে। যোৱা বছৰ পৰিকল্পনাত যিমান ধন ধৰা হৈছিল এইবাৰ কিমান ধৰা হৈছে সেইটো সুকীয়াকৈ কিয় দেখুওৱা নহল আমি বুজি পোৱা নাই। মই এই কাৰণেই কথাটো কব খুজিছো যে বি.এ.চি. এলেকাৰ ক্ষেত্ৰত প্ৰথমতে একৰ্ড হওতে ৪১ কোটি টকা ধাৰ্য্য কৰা হৈছিল, দ্বিতীয়তে ৩৮ কোটি টকা ধাৰ্য্য কৰা হৈছিল আৰু তাৰ পিছত এইটো আহি বোধকৰো ৩৪ কোটি টকাত পৰিছেগৈ। আজি যিহেতু দিনক দিনে টকাৰ ভেলু কমি গৈ আছে সেইক্ষেত্ৰত এই ধন আগতকৈ বৃদ্ধি হব লাগিছিল কিন্তু তাৰ বিপৰীত হৈ এইটো বছৰে বছৰে কমিহে যাব ধৰিছে। আমি আশা ৰাখিছো বি.এ.চি. এলেকাৰ উন্নয়নৰ কাৰণে যাতে এই চৰকাৰে ভালদৰে চকু দিয়ে আৰু তাৰ লগতে বি.এ.চি. এলেকাৰ কাৰণে যিমানখিনি ধন মোকলাই দিয়া হয় সেই ধন কেনেকৈ ব্যৱহাৰ হৈছে সেই বিষয়টো চৰকাৰে মনিটৰিংৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখিলো। লগতে বি.এ.চি. এলেকাত যিবিলাক ধন মুকলি কৰি দিয়া হয় সেইবিলাক কেনে ধৰণেৰে ব্যৱহাৰ কৰিছে উন্নয়নৰ কামত লগাইছে নে মিচইউজ কৰিছে চৰকাৰৰ ফালৰ পৰা মন কৰিব বুলি আশা ৰাখিছো। সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত যিহেতু আদিবাসী আৰু বড়ো মানুহৰ মাজত সংঘৰ্ষ হৈ যিটো অৱস্থাত এতিয়া পৰি আছে এই অৱস্থা কবলৈ গলে যথেষ্ট দুখ লগা জনক। বড়ো আৰু আদিবাসী সকল কোনো কালেই ৰিলিফ কেম্পত থকা নাছিল আৰু এতিয়া ও থকাৰ অভ্যাস নাই। কিন্তু কিছুমান এলেকাত বানপানী হৈ থকাৰ ফলত ৰিলিফ কেম্পত থাকিব লগা হয়। এই মানুহখিনিক পুনৰ সংস্থাপন কেনেকৈ কৰিব পৰা যায় এই বিষয়ে বিধান সভাত প্ৰশ্ন কৰি আহিছো, চৰকাৰেও আমাক আশ্বাস দি আহিছে কিন্তু পুনৰ সংস্থাপনৰ কাৰণে যেনে ধৰণেৰে আগবাঢ়ি আহিব লাগিছিল সেই ধৰণেৰে আগবঢ়া আমাৰ পৰিলক্ষিত হোৱা নাই। ৰিলিফ কেম্পত বসবাস কৰা মানুহখিনিক চৰকাৰৰ হিচাব মতে মাহত ১০ দিনকৈ খাদ্য বস্তুৰ যোগান

ধৰা বুলি কলেও ৫ দিন হে যোগান ধৰা আমি দেখা পাই আহিছো। অতি সোনকালে যাতে নিজ নিজ গাৱত পুণৰ সংস্থাপনৰ ব্যৱস্থা কৰে তাৰ বাবে চৰকাৰক টানি অনুৰোধ জনালো, কাৰণ তেওঁলোক অতিষ্ঠ হৈ আছে আৰু নিৰাপত্তাৰ অভাৱ অনুভৱ কৰি আছে। সেইবাবে তেওঁলোক ঘুৰি যাবলৈও অনিচ্ছুক। ১০ হেজাৰ টকা চৰকাৰী অনুদান লৈ ঘূৰি গাওঁত কিছুমান উগ্ৰপন্থীয়ে ভাবুকি দিয়াৰ কাৰণে পুণৰ আহিব লগা হৈছে। ইয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লবলৈ মই অনুৰোধ জনালো।

সভাপতি মহোদয়, নাবাৰ্দৰ পৰা লাখ লাখ কোটি কোটি টকা ঋণলৈ ৰাজ্যখনৰ পথ, দলং আদি নিৰ্মাণ চলি থকা বুলি আলোচনা কৰিছে আৰু পকী দলং নিৰ্মাণৰ কথা আলোচনা কৰিছে কিন্তু দুখৰ বিষয় দৰং জিলাৰ আৰম্ভ কৰা আৰু কোকৰাঝাৰ জিলাৰ উত্তৰ পাৰৰ যিবিলাক ৰাস্তা সেইবোৰৰ দুৰবস্থাৰ কথা মুখ্যমন্ত্ৰী বা বিভাগীয় মন্ত্ৰীয়ে জানে, সেইবোৰ মটৰেবোল বুলি কব নোৱাৰি। বানপানীয়ে কিছুমান দলং উঠাই লৈ গৈছে আৰু ৰাস্তাবিলাক যথেষ্ট বেয়া হৈছে। এইবিলাক নিৰ্মাণৰ কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নাযায়। নাবাৰ্দৰ পৰা ঋণ লোৱা টকাৰে দুৰ্গম অঞ্চল বাটপথ মেৰামতিৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে। মই আশা ৰাখিছিলো ৰিজিঅ'নেল পাৰ্টি হিচাবে গাওঁ অঞ্চলৰ বাট-পথৰ কথা তেওঁলোকে বুজি পাব কাৰণ আমি সকলো গাৱঁৰ পৰাই আহিছো। গুৱাহাটীত বহুত ফ্লাই অভাৰ আৰু দলং নিৰ্মাণ হৈ আছে, আমি সেই কাম বেয়া হৈছে বুলি নকওঁ। কিন্তু ইয়াৰ লগতে গাওঁ অঞ্চলৰ যিবিলাক বাট-পথৰ অৱস্থা শোচনীয় হৈ পৰিছে বিগত চাৰি বছৰৰ পৰা মই এম.এল.এ. হৈ আমাৰ পৰা প্ৰশ্ন কৰি জনাইছো যে গুৰুত্বপূৰ্ণ কিছুমান জিলাত দৰং বনোৱাৰ কাৰণে, সেই বিলাক অঞ্চল দলংৰ অভাৱত সংযোগ বিচ্ছিন্ন হৈ আছে। এই পবিত্ৰ সদনৰ সেইবিলাকৰ ব্যৱস্থা লোৱা হব বুলি আশ্বাসো পাইছিলো কিন্তু আজিলৈ কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নাই। এই বাজেটত যথেষ্ট টকা ধৰা যেন পাইছো। চৰকাৰে যাতে বহল দৃষ্টিভঙ্গীৰে কোকৰাঝাৰ আৰু দৰং জিলাৰ দলং আৰু ৰাস্তাঘাট নিৰ্মাণৰ ব্যৱস্থা কৰে তাৰ আশা ৰাখিলো।

বানপানী বুলিলে আচঁলতে ব্ৰহ্মপুত্ৰৰ পৰা অহা বানপানীকে গণ্য কৰা হয়। কিছু সৰু সুৰা নৈ বিলাকৰ পৰা বানপানী হৈ খেতি পথাৰ আৰু ৰাস্তা নষ্ট হৈ আছে সেইবোৰক বানপানী বুলি গণ্য কৰা নহয়। এই সৰু সুৰা নৈ বিলাকৰ পৰা বানপানী হৈ গড়া খহনীয়া হৈ আছে, খেতি বাতি নষ্ট হৈ আছে এইবোৰৰ

প্ৰতিও যেন তেওঁলোকে লক্ষ্য ৰাখে। এই শিতানত বাজেটত যিমান ধন ধাৰ্য্য কৰা হৈছে সেইবোৰৰ যেন প্ৰপাৰ ডিষ্ট্ৰিবিউট হয় আৰু দুৰ্গম অঞ্চলৰ ৰাস্তা-ঘাট দলং আদি নিৰ্মাণ হয় তাৰ প্ৰতি চৰকাৰে নজৰ দিব বুলি আশা ৰাখিছো। মই আৰু বিশেষ নকও, ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় সদস্যা শ্ৰীমতী অলকা শৰ্ম্মাই কব।

*** শ্ৰীমতী অলকা শৰ্ম্মা ঃ** মাননীয় চেয়াৰমেন মহোদয়, প্ৰথমেই মই এটা কথা কব বিচাৰিছো, বাজেট সম্পৰ্কে আলোচনা কৰাৰ আগতে আমাৰ ৰাজ্যখনৰ এটা বেক গ্ৰাউণ্ডৰ কথা কব বিচাৰিছো। ১৯৫১চনত আমাৰ ৰাজ্যখনৰ জনমুৰি আয় যিমান পৰিমান আছিল সেই অনুপাতে ভাৰতবৰ্ষৰ জনমুৰি আয়তকৈ আমাৰ ৰাজ্যত বেচি আছিল। ১৯৫১ চনত আমাৰ ৰাজ্যৰ ইণ্ডাস্ট্ৰিয়েল চেক্টৰ ভাৰতবৰ্ষৰ ভিতৰতে শক্তিশালী আছিল। আমাৰ জুট ইণ্ডাষ্ট্ৰি, অয়ল ইণ্ডাষ্ট্ৰি টি ইত্যাদি উদ্যোগৰ ক্ষেত্ৰত আমি আগবাঢ়ি আছিলো। এই দিশত আমি ভাৰতবৰ্ষৰ ভিতৰতে শক্তিশালী আছিলো। কিন্তু আজি আমি কি দেখিছো, আজি অসম চৰকাৰে বাধ্যতামূলক ভাবে চেলাৰ আৰু ওৱেইজৰ কাৰণে আমাৰ বাজেটৰ শিতানৰ পৰা শতকৰা ৪৭ ভাগ এলোট কৰিবলৈ বাধ্য হৈছো, এডমিনিষ্টেটিভ চেক্টৰৰ কাৰণে শতকৰা ৯ ভাগ আৰু দেষ্ট এক্সপেণ্ডিচাৰৰ কাৰণে শতকৰা ২৩ ভাগ আৰু ডেভোলপমেণ্টৰ কাৰণে মাত্ৰ শতকৰা ২১ ভাগ ৰাখিব লগা হৈছো। ভাৰত চৰকাৰে এইযে দেষ্ট এক্সপেণ্ডিচাৰৰ কাৰণে মাত্ৰ ২৩ ভাগ এলোট কৰিবলগা হৈছে তাৰ কাৰণ কি? মই এটা কথা কবলৈ বিচাৰিছো আজি বিৰোধী দলে সদনত কেৱল বিৰোধিতা কৰিব লাগে বুলিয়েই বাজেটৰ বিৰোধিতা কৰিছে কিন্তু তাকে নকৰি বাজেটৰ ওপৰত বৰ্ত্তমান সদনত যিবিলাক অতি প্ৰয়োজনীয় কথা আলোচনা কৰা হৈছে সেইবিলাক ইচুৰ ওপৰত বিস্তৃত ভাবে আলোচনা কৰি পৰামৰ্শ দিয়া হলে আমি সকলোয়ে লগ লাগি এখন সুন্দৰ অসম এখন শক্তিশালী অসম অতিসোনকালে গঢ়ি লব সক্ষম হলোহেতেন। সভাপতি মহোদয় মই কব বিচাৰিছো আমি ৰাজ্যখনে এটা অতি জটিল পৰিস্থিতিৰ মাজেৰে অতিক্ৰম কৰিব লগা হৈছো এই জটিল পৰিস্থিতি বিলাক আমি কেনেকৈ মোকাবিলা কৰিব পাৰো সেই ক্ষেত্ৰত আমি সতৰ্ক হব লগীয়া হৈছে। প্ৰধানকৈ আমাৰ অসমত চাইল্ড মৰটেলিটিৰ যিটো ৰেট সেইটো ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ বেছি। অসমৰ ক্ৰেডিটৰ যিটো ৰেচিয়ো সেইটোৰ কাৰণে আমি সকলো ক্ষেত্ৰতে আগবঢ়াত অসুবিধা হৈছে। আমাৰ মানুহে বেঙ্কত যিমান

যিমান ডিপোজিট দিয়ে তাতকৈ আমি বহুত কম পৰিমানে ক্ৰেডিট পাই আছো। তাৰ মানে যিমানখিনি ধন সংগ্ৰহ কৰো তাতকৈ বহু বেচি পৰিমানৰ ধন বাহিৰলৈ টানি নি আছে। অথচ এনে এটা অৱস্থাতো, এনে এটা জটিল পৰিস্থিতিৰ মাজত চৰকাৰে এনে এখন বাজেট দাখিল কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী মহোদয়ক শলাগ লব লগীয়া। এনে এখন বাজেট দাখিল কৰাৰ পাচতো বিৰোধী পক্ষই ইতিবাচক সমালোচনা নকৰি কেৱল বিৰোধিতা কৰিব লাগে কাৰণেই বাজেট খনৰ বিৰোধিতা কৰি অংশ গ্ৰহন কৰা নাই। সভাপতি মহোদয়, আমাৰ অসমত প্ৰডাকটিভিটি হিচাবৰ কোনো স্থান নাই আৰু কনজিউমাৰ হিচাবেও স্থান নাই, গতিকে আমাৰ কষ্ট অব প্ৰডাকশ্যন হাই থাকিব লাগে। কিয়নো সুদুৰ অন্ধ্ৰপ্ৰদেশৰ পৰা আমাৰ ৰাজ্যলৈ কণী, মাছ ইত্যাদি সামগ্ৰী বিলাক আহে। তাৰ পাচত বাজেটত উল্লেখ কৰা মতে স্বনিয়োজনৰ যিটো আচঁনি লৈছে তাৰ বাবে চৰকাৰৰ শলাগ লবলগীয়া। ইকোনমিকচৰ স্টুদেণ্টৰ কাৰণে বাজেটখন উটা বিউকিট। বাজেটখন যিমানে ভাল নহওক ' দিয়াৰ ইজ ন' চাবস্টিটিউড অব হাৰ্ড ওৱৰ্ক'। আমাৰ চৰকাৰে যিটো ইতিবাচক পদক্ষেপ লৈছে সেইটো গ্ৰহন কৰাৰ কাৰণে আমি উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত বিশেষ ভাবে আগবাঢ়িব লাগিব। অসমীয়াতে এষাৰ কথা আছে ' ৰাইজে নখ জোকাৰিলে নৈ বয়' আমি ফলপ্ৰসু আচঁনি লোৱাৰ ক্ষেত্ৰত ৰাইজৰ মাজত অধিক জনমত গঢ়াৰ কাৰণে চেষ্টা কৰিব লাগে যাতে আমাৰ উৎপাদন বৃদ্ধি আৰু এইক্ষেত্ৰত দেখা যায় বাজেটখনত ইয়াৰ ইতিবাচক দিশ আছে। প্ৰতিটো ক্ষেত্ৰতেই বাজেটখনত ইতিবাচক দিশটো আমি দেখিবলৈ পাইছো। সম্পূৰ্ণ দায়িত্ব সহকাৰে আমাৰ চৰকাৰে বাজেটখন দাঙি ধৰিছে। অসমৰ জনসাধাৰণৰ কাৰণে এই বাজেটখনে কাম দিব আৰু ৰাইজৰ আশা-আকাংখা পূৰণ হব বুলি আশা কৰিব পাৰো। এইখিনিকে কৈ মই মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় সদস্য ডাক্টৰ মনোৰঞ্জন দাস ডাঙৰীয়াই কব।

*** ডঃ মনোৰঞ্জন দাস ঃ** মাননীয় চেয়াৰমেন মহোদয়, যোৱা কালি মাননীয় মুখ্যমন্ত্ৰী তথা বিত্ত বিভাগৰ দায়িত্বত থকা মন্ত্ৰী মহোদয়ে যিখন বাজেট উত্থাপন কৰিলে এই বাজেটখনৰ সমৰ্থনত মই দুটামান কথা কব বিচাৰিছো। এই বাজেটখন দৰাচলতে উপযুক্ত আৰু সময়োপযোগী বাজেট হৈছে আৰু এই

* Speech not corrected

বাজেটখন উন্নয়নমুখী বাজেট হোৱাৰ কাৰণে বিৰোধী পক্ষই ইয়াত অংশ গ্ৰহন কৰিবলৈ টান পাইছে, এনেকুৱা বাজেট তেওঁলোকে বিধান সভাত কোনো দিনেই দাখিল কৰিব পৰা নাছিল বুলি আমাৰ বিশ্বাস হয়। ইয়াত বিভিন্ন দিশ সন্নিৱিষ্ট কৰা হৈছে আৰু ইয়াৰ দ্বাৰা অসমৰ সামগ্ৰিক উন্নয়নৰ কাৰণে প্ৰয়োজনীয় যথেষ্ট সুবিধা ওলাব আৰু এই সুবিধাখিনি যদি আমি উপযুক্ত ভাবে ব্যৱহাৰ কৰিব পাৰো তেতিয়াহলে অসমখন নিশ্চয় উপকৃত হব। অসমৰ ভয়াবহ নিবনুৱা সমস্যা ৰোধ কৰিবৰ কাৰণে বাজেটত যি আচঁনিৰ ব্যৱস্থা কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি স্বনিয়োজন আচঁনিৰ কথা ইয়াত উল্লেখ কৰিছে তেনেধৰণৰ আচঁনি আগতে কোনো বাজেটত আমি দেখিবলৈ পোৱা নাই। মীন পালন, পশু পালন ইত্যাদিৰ জৰীয়তে আমাৰ নিবনুৱা সকল স্বনিয়োজন হোৱাত যথেষ্ট উপকৃত হব। এইখিনিতে মুখ্যমন্ত্ৰী মহোদয়ৰ শলাগ লবলগীয়া। ইতিমধ্যে এই বাজেটত আমি দেখিবলৈ পাইছো অসমৰ অনুসূচিত জাতি জনজাতিকে ধৰি পাহাৰীয়া জিলা কেইখন সামৰি আৰু জেনেৰেল এৰিয়া গোটেইখিনি সামৰি সকলোতে উন্নয়ন কৰিব পৰাকৈ সকলোৰে কল্যাণৰ কাৰণে পৰিকল্পনাত ধাৰ্য্য কৰা দেখা গৈছে ঠিক সেই দৰে নন বেচিদেন্ট চেন্ট্ৰেল পুলৰ জৰিয়তে অসমৰ বিত্ব উন্নতি সাধনৰ কাৰণে চেষ্টা কৰা হৈছে আৰু সেই কথাবিলাক ইয়াত সুন্দৰ ভাবে সন্নিবিষ্ট হৈছে। শিক্ষাৰ ক্ষেত্ৰতো এই বাজেটখনত সুন্দৰ ভাবে আচঁনি লোৱা দেখা গৈছে আৰু আশা কৰো এই আচঁনিৰ জৰিয়তে শিক্ষাৰ প্ৰসাৰ মূল্যায়নৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰিম বুলি বিশ্বাস হয়। ইয়াত উল্লেখ কৰা মতে আৰম্ভণীতে ধেমাজী, তিনিচুকীয়া, কৰিমগঞ্জ আৰু নলবাৰী জিলাক সামৰিব তাৰ পাচত পৰ্য্যায়ক্ৰমে আন আন জিলালৈ সম্প্ৰসাৰণ কৰা হব। এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি ডি.পি.ই.পিৰ জৰিয়তে বিভিন্ন কাম-কাজ বিলাক কাৰ্য্যকৰী হোৱা দেখিবলৈ পোৱা গৈছে। শিক্ষা বিকাশৰ কাৰণে ডি.পি.ই.পিৰ জৰিয়তে গ্ৰহন কৰা প্ৰাথমিক স্কুলৰ পৰা আৰম্ভ কৰি তাত শৌচালয় ইত্যাদি অৰ্ন্তভুক্ত কৰা হৈছে আৰু আন আন যাৱতীয় ব্যৱস্থা কৰা হৈছে যিটো নেকি আগতে এনেবিলাক ব্যৱস্থা কৰা হোৱা নাছিল। এই আচঁনি বিলাক ফলপ্ৰসু কৰিবলৈ যাওতে কিছুমান বিষয়া কৰ্ম্মচাৰীৰ গাফিলতি আৰু দূৰ্নীতিৰ কাৰণে বাধা আহিব পাৰে গতিকে এই দিশত চোকা নজৰ দিয়াতো প্ৰয়োজন হৈ পৰিছে। আমি উল্লেখ কৰিব পাৰো ভাৰত "স্বাধীন হোৱাৰ পাচত ভাৰতবৰ্ষৰ সংবিধানৰ ৪৫নং অনুচ্ছেদ অনুসৰি প্ৰাথমিক শিক্ষাকে ধৰি আন আন কেতবোৰ বিষয়

বাধ্যতামূলক আছিল কিন্তু পৰবৰ্ত্তি কালত কংগ্ৰেছ চৰকাৰে সেইবিলাক আমাৰ ৰাজ্যত বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হ'ল। এতিয়া ডি.পি.ই.পিৰ জৰিয়তে যিটো প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বিনামূলীয়া ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰাৰ কাৰণে চিন্তা কৰিছে তাৰ দ্বাৰা আমি নিশ্চয় উপকৃত হব পাৰিম। তাৰ পাচত ৰাজ্যখনৰ সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত ভালেখিনি আচঁনি চৰকাৰে হাতত লৈছে এই আচঁনি বিলাক ফলপ্ৰসূ কৰাৰ কাৰণে বাজেটত ইয়াৰ প্ৰভিজন দেখিবলৈ পাইছো আৰু এইবিলাক যদি আমি প্ৰয়োগ কৰিব পাৰো তেতিয়াহলে ৰাজ্যখনৰ সাংস্কৃতিক পৰম্পৰা ৰক্ষা পৰিব। চেয়াৰমেন মহোদয় মই দুটা কথা কব বিচাৰিছো কৃষি আৰু স্বাস্থ্য ও পৰিয়াল কল্যাণৰ ক্ষেত্ৰত, ইতিমধ্যে কৈ গৈছে যে কৃষক ৰাইজে চৰকাৰৰ আচঁনিৰ জৰিয়তে যথেষ্ট উপকৃত হৈছে, কৃষিৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনত উৎপাদন বৃদ্ধি হৈছে এইটো সঁচা কিন্তু আমাৰ কৃষক সকলে উপযুক্ত দাম পোৱা নাই, এইক্ষেত্ৰত বাস্তৱ ব্যৱস্থা লোৱাতো প্ৰয়োজন আছে, উপযুক্ত বজাৰৰ সৃষ্টি কৰিব পৰা ব্যৱস্থা আছে তাৰোপৰি আমাৰ যিবিলাক কেচাঁ সামগ্ৰী সেইবোৰ প্ৰিজাৰ্ভ কৰাৰ কাৰণে 'কোল্ড-ষ্টোৰেজৰ' ব্যৱস্থা কৰিব পাৰিলে আমাৰ ৰাজ্যখনৰ কৃষক ৰাইজ নিশ্চয় উপকৃত হব।

আজি কৃষি উন্নয়ন ক্ষেত্ৰত যি পদক্ষেপ লোৱা হৈছে এই পদক্ষেপ বাজেটখন সুন্দৰ কৰি তুলিছে। অকল সেয়ে নহয়, সমগ্ৰ জনসাধাৰণৰ কাৰণে বাজেটত যিবিলাক আচঁনি দাঙি ধৰা হৈছে সেই আচঁনি বিলাক যাতে উপযুক্ত ভাবে ব্যৱহাৰ কৰিব পৰা যায় তাৰ কাৰণে নিশ্চয় বাস্তৱ পদক্ষেপ লব লাগিব। এইখিনিতে এটা কথা মই উল্লেখ কৰিব বিচাৰিছো যে বিজ্ঞান সন্মত সা-সজুলিৰে খেতি কৰাৰ কাৰণে কৃষক ৰাইজক যেনেকৈ জড়িত কৰা হৈছে সেইক্ষেত্ৰত কিন্তু ডিজেলৰ দাম বৃদ্ধি কৰা হৈছে। কৃষি উৎপাদনৰ ক্ষেত্ৰত ডিজেলৰ প্ৰয়োজন আছে। ডিজেলৰ দাম কমোৱাৰ কাৰণে আমাৰ চৰকাৰে বাৰম্বাৰ দাবী জনোৱা স্বত্বেও ডিজেলৰ দাম কমোৱা নাই। গতিকে ডিজেলৰ দাম কমোৱাৰ ক্ষেত্ৰত চিন্তা চৰ্চ্চা কৰাৰ প্ৰয়োজন আছে। আন এটা বিভাগ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত যথেষ্ট কাম কৰা আমি দেখিবলৈ পাইছো। চিকিৎসা শিতানত ৰখা এই ফাণ্ডৰ জৰিয়তে বিভিন্ন হস্পিতাল বিলাক উন্নত কৰি তোলাৰ কাৰণে অনুদান দিয়াৰ কথা কোৱা কৈছে। কেন্দ্ৰীয় ৰাজহৰ নন্ লেপচেবুল পুল ফাণ্ডৰ সাহায্যৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত এটা ইনটেনচিভ কেয়াৰ গোটৰ সৈতে এটা জৰুৰীকালীন চিকিৎসা ওৱাৰ্ড খোলাৰ ব্যৱস্থা কৰা হৈছে। বৰ্ত্তমান গুৱাহাটী

চিকিৎসা মহাবিদ্যালয়ত যিবিলাক আচঁনি লোৱা হৈছে আৰু কাৰ্য্যত পৰিণত কৰা হৈছে সেইবিলাক কথা বাজেটত প্ৰকাশ পাইছে। এনেকুৱা পূৰ্ণাঙ্গ আৰু সৰ্ব্বাঙ্গ সুন্দৰ বাজেট উত্থাপন কৰাতো কংগ্ৰেছ দলে বিৰোধীতা কৰিছে। এই বিৰোধীতা কেতিয়াও যুক্তিপূৰ্ণ হব নোৱাৰে। ইয়াতকৈ আৰু সুন্দৰ বাজেট দাখিল কৰিব পৰা নাযায়। কথাটো হ'ল এই বাজেটৰ ওপৰত যদি বিৰোধী দলৰ সদস্য সকলে পৰামৰ্শ দিলেহেতেন তেতিয়াহলে ৰাজ্যখনৰ উন্নতি হলহেতেন। কিন্তু তাকে নকৰি তেওঁলোকে বাজেটৰ বিৰোধীতা কৰিছে আৰু সদন ত্যাগ কৰিছে। লগতে বাজেট আলোচনাতো তেখেত সকলে অংশ গ্ৰহণ কৰা নাই। আমাৰ কেইবাজনো মাননীয় সদস্যই তেখেত সকলৰ বক্তব্যত কিছুমান ঠাইত ৰাষ্টা-ঘাটৰ উন্নতি হোৱা নাই বুলি কৈছে আৰু কিছুমান ঠাইত উন্নতি হৈছে বুলি কৈছে। বৰ্ত্তমান পিচপৰা অঞ্চল সমূহত ৰাষ্টা-ঘাট নিৰ্ম্মাণৰ কাৰণে বৰ্ত্তমান ব্যৱস্থা লোৱা হৈছে। নাবাৰ্ডৰ জৰিয়তে যিবিলাক দলং নিৰ্ম্মাণ কৰা হৈছে সেই দলং অকল গুৱাহাটীতেই নিৰ্ম্মাণ কৰা নাই, অসমৰ অন্য ঠাইতো তেনেকুৱা দলং নিৰ্ম্মাণ কৰা হৈছে। গতিকে ৰাজ্যখন উন্নতিৰ কাৰণে বিভিন্ন ধৰণৰ আচঁনি ৰূপায়ন কৰাৰ ব্যৱস্থা ৰখাৰ কথা বাজেটত উল্লেখ কৰা হৈছে। আমি আশা ৰাখিছো পিচপৰা অঞ্চল সমুহতো যাতে বাটপথ গঢ়ি তুলিব পৰা যায় সেই কথা বিলাকো চাব লাগিব। একে সময়তে সকলো বিলাক ৰাষ্টা-ঘাট, দলং কেতিয়াও নিৰ্ম্মাণ কৰি উলিয়াব পৰা নাযায়। অসম চৰকাৰে আজি ৰাষ্টা-ঘাট, দলং আদি নিৰ্ম্মাণ কৰাৰ কাৰণে যি ব্যৱস্থা লৈছে তাৰ কাৰণে নিশ্চয় শলাগিব লাগিব। এই বাজেটখনত ৰাজ্যখনৰ উন্নতিৰ কাৰণে বিভিন্ন ধৰণৰ কথা উত্থাপন কৰিছে। বানপানী নিয়ন্ত্ৰণৰ পৰা আৰম্ভ কৰি দৰিদ্ৰতা নিবাৰণলৈকে সকলো বিলাক কথা ইয়াত উল্লেখ কৰিছে। এইবিলাক কথাৰ পৰাই গম পোৱা যায় যে এইখন সৰ্ব্বাঙ্গ সুন্দৰ বাজেট আৰু এই বাজেটখনে অসমক উন্নতিৰ পথত আগুৱাই নিয়াত সহায় কৰিব। সেয়েহে আমি দেখিবলৈ পাইছো যে যিখন বাজেট ইয়াত উত্থাপন কৰিছে সেই বাজেটখন এখন সময়োপযোগী বাজেট হৈছে। হস্ততাত শিল্পৰ পৰা আৰম্ভ কৰি পৰিবহনলৈকে সকলো বিলাক কথা ইয়াত সন্নিবিষ্ট কৰা হৈছে। সেইকাৰণে এই বাজেটখনক এখন দলিল বুলি অভিহিত কৰিব পাৰি। যিহেতু আমিয়েই চৰকাৰ গঠন কৰিম সেয়েহে মাননীয় বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে এই বাজেটখন উপযুক্ত ভাবে উত্থাপন কৰিছে। যদি কোনোবাই এই বাজেটত আসোৱা বৈ যোৱা বুলি ভাবিছে তেতিয়াহলে সেই আসোৱা সদনত উপস্থিত থাকি আঙুলিয়াই দিলে ভালহলহেতেন। যিহেতু

মাননীয় বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে এই বাজেটখন উপযুক্ত ভাবে সদনত উত্থাপন কৰিছে সেয়েহে এই বাজেটখন আমি সমৰ্থন জনাইছো। ধন্যবাদ।

**Mr. Chairman :** Now, Hon'ble Member Shri Abdul Rouf

* **শ্ৰী আব্দুৰ ৰৌফ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰীৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন পুৰ্নাঙ্গ বাজেট উৎথাপন কৰিছে সেই বাজেটখন সম্পৰ্কত মোৰ কিছু কথা কবলগীয়া আছে। এই বাজেটখনত খুব বেচি নতুনত্ব দেখিবলৈ পোৱা নাই। দেখা গৈছে যে শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যি সৰ্ব্বশিক্ষা অভিযান আচঁনি গ্ৰহণ কৰা বুলি কৈছে সেই ক্ষেত্ৰত বৰপেটা জিলাখন আগতেই লব লাগিছিল। আৰু আই.ডি.এফ ফাণ্ডৰ জৰিয়তে কামৰূপ জিলাকে ধৰি কিছুমান জিলাক সামৰি লোৱা হৈছে যদিও বৰপেটা জিলাক সামৰি লোৱা নাই। যিবিলাক জিলাত বাটপথৰ অৱস্থা বেয়া আৰু বাট-পথ নাই সেইবিলাক জিলাত বিশ্ব বেংকৰ টকাৰে আচঁনি লোৱাতো পৰিলক্ষিত হোৱা নাই। এইখিনিতে মই সাহায্য আৰু পুনৰ সংস্থাপন সম্পৰ্কত কিছু কথা কব বিচাৰিছো। বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বানপানীত আক্ৰান্ত আৰু সাম্প্ৰদায়িক সংঘৰ্ষত ক্ষতিগ্ৰস্থ লোকক সাহায্য দিয়াৰ কথাটো বাজেটত উল্লেখ কৰিছে আৰু সেইটো ঠিকেই আছে। কিন্তু গড়া গহনীয়াত আক্ৰান্ত হোৱা লোকক সাহায্য দিয়াৰ কথাটো বাজেটত উল্লেখ নাই। বৰপেটা জিলাৰ বাঘবৰ, জনীয়া আৰু ধুবুৰী জিলাৰ নৰ্থ শালমাৰা আদি ঠাইৰ বহুত মানুহ গড়াগহনীয়াত আক্ৰান্ত হৈছে। সেইকাৰণে এই গড়াখহনীয়াত আক্ৰান্ত মানুহখিনিৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিওতে কিছু কথা অৰ্ন্তভূক্ত কৰিব বুলি আশা ৰাখিছো আৰু সাহায্য আৰু পুনৰ সংস্থাপন দিয়াৰ কথাটো উল্লেখ কৰাৰ অনুৰোধ জনাইছো। কৃষিৰ ক্ষেত্ৰত মই দুটামান কথা কব বিচাৰিছো। কৃষিৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনে যি অভূতপূৰ্ব সাফল্য লাভ কৰিছে এইক্ষেত্ৰত অকল মইয়েই নহয় সকলোৰে কৃতজ্ঞতা প্ৰকাশ কৰিছে। কৃষিৰ ক্ষেত্ৰত সময়োপযোগী যিটো পদক্ষেপ লোৱা হৈছে তাৰ কাৰণে চৰকাৰক প্ৰশংসা কৰিছো। কিন্তু এই সম্পৰ্কত মই যোৱা বিধান সভাৰ অধিবেশনত জিৰো আৱাৰত এটা কথা দৃষ্টিগোচৰ কৰিছিলো যে কৃষিৰ ক্ষেত্ৰত ডিজেলৰ মূল্যৰ

---

* Speech not corrected

ওপৰত চাবচিডি দিব লাগে। তেতিয়া তেখেতে কৈছিল যে এইক্ষেত্ৰত চেন্ট্ৰেল গভৰ্ণমেন্টৰ পাৰ্মিচন লাগে। গতিকে পথাৰত ডিজেলৰ সলনি ইলেকট্ৰিকৰ জৰিয়তে যাতে কৃষি কাৰ্য্য সম্পন্ন কৰিব পাৰে তাৰ কাৰণে ইলেক্ট্ৰিক চাপ্লাইৰ ব্যৱস্থা কৰিব লাগে। এই বছৰো ডিজেলৰ মূল্য বৃদ্ধি কৰা হৈছে আৰু এই বৰ্দ্ধিত মূল্য বৃদ্ধিৰ ডিজেলেৰে খেতি কৰিলে কৃষক সকল লোকচানৰ সন্মুখীন হ'ব। কিয়নো আগতকৈ তুলনামূলক ভাবে এইবাৰ ধানৰ দাম কমিছে। ইয়াৰ আগতেও কৃষক সকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্যৰ সলনি যথেষ্ট কম দাম পোৱা কাৰণে চহুচাইড কৰিবলগীয়া হৈছিল। তেনেকুৱা পৰ্য্যালয়লৈ যাতে নাহে তাৰ কাৰণে ডিজেলৰ পৰিবৰ্ত্তে ইলেক্ট্ৰিক চাপ্লাই দি খেতি কৰাৰ ব্যৱস্থা কৰাৰ কাৰণে পদক্ষেপ লবলৈ বিশেষ অনুৰোধ জনাইছো।

মাননীয় সভাপতি মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাবলৈ বিচাৰিছো যে কৃষকসকলক যি ডিজেল চালিত ইঞ্জিন দিছে কৃষিকাৰ্য্যত কিছু অসুবিধা হয় তাৰ ঠাইত যদি ইলেক্টিক চাপ্লাই কৰি দিয়ে তেতিয়া কৃষক সকলৰ সুবিধা হ'ব। তাৰ কাৰণে মই বিশেষ ভাবে অনুৰোধ কৰিছো। এইটো কৰিলে গোটেই অসমৰ কাৰণে সুবিধা কৰি দিয়া হ'ব। এটা কথা মই বৰকৈ লক্ষ্য কৰিছো - আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ৰুৰেল ডেভেলমেন্ট বিভাগে যথেষ্টখিনি কৰিছে যদিও এইবোৰ ইয়াত উল্লেখ নাই। অসম চৰকাৰে যিটো 'ষ্টেট' চেয়াৰ সেইটো নিদিয়াৰ কাৰণে কিছুমান শিতানত টকা পোৱা নাই। আৰু যিখিনি পাইছে সেইখিনি ভগালে ব্লকে প্ৰতি ৩/৪ লাখ মান টকাহে হয়। মই 'মেটচি চেয়াৰ' দিয়াৰ বাবে অনুৰোধ ৰাখিছো। মই আৰু এটা কথা নকৈ নোৱাৰিলো গৃহৰক্ষী বাহিনীৰ কথা এই গৃহৰক্ষী বাহিনী যিটো আছে তেওঁলোক কম দক্ষতা থকা লোক আৰু দক্ষতাৰ অৱলোপন হৈছে। গৃহৰক্ষীৰ লগত বেটেলীয়ান আৰু পুলিচৰ মানুহ থাকিব লাগে। এই গৃহৰক্ষী বাহিনীটো কৰ্ম্মদক্ষ কৰাৰ কাৰণে দৃষ্টিপাত কৰিব বুলি আশা ৰাখিলো আৰু এই বিষয়ে এই পবিত্ৰ সদনতে তেখেতৰ বক্তব্য ৰাখিব বুলি আশা ৰাখিলো। মই এইখিনিতে আৰু এটা কথা মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো - ডি.পি.ই.পিৰ মাধ্যমত প্ৰাইমাৰী শিক্ষাৰ উন্নয়ন সাধন কৰিবলৈ বিচাৰে, কিন্তু আমি দেখা পাইছো এই ডি.পি.ই.পিয়ে বহু টকা অপব্যয়হে কৰে। তেওঁলোকে যিখিনি টকা পায় তাৰে শতকৰা ৭৬ ভাগ টকা 'প্ৰপাগেণ্ডা' আৰু খোৱা-লোৱাত খৰচ কৰে। তেওঁলোকৰ মিটিং হলে ৰাজকীয় ভাবে খোৱা-লোৱাৰ ব্যৱস্থা কৰা হয়। তেওঁলোকে বাকী

শতকৰা ২৪ ভাগ গৃহনিৰ্ম্মাণৰ বাবে খৰচ কৰে। আমাৰ প্ৰাইমাৰী স্কুল বিলাক যি গৃহত শিক্ষা দিব লাগে সেই পৰিবেশ পোৱা নাই। যিহেতু চৰকাৰৰ ১৫ ভাগ চেয়াৰ আছে তেতিয়াহলে স্কুল ঘৰ নিৰ্ম্মাণৰ কাৰণে ৫০ ভাগ ৰাখি বাকী ৫০ ভাগ প্ৰশিক্ষনৰ কাৰণে ললে স্কীম বিলাক ফলৱতী হব। মই আৰু এটা কথা কৈছো যে আমাৰ প্ৰাইমাৰী স্কুল বিলাকত গাই ঠাইতে ১ জন কৈ শিক্ষক আছে। তাৰ তুলনাত চহৰৰ স্কুল বিলাকত বেছি শিক্ষক। গুৱাহাটীৰ হাতীগাৰৰ এল.পি. স্কুলত ২৬ জন শিক্ষক আছে, এই বিলাক 'ডিচক্ৰিমিনেচন' চলি আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইবিলাক যাতে নহয় তাক চাব লাগে আৰু এইবিলাক ৰূপায়ন কৰিবলৈ বলিষ্ঠ পদক্ষেপ লব লাগে। এইখিনি কৈ মই বাজেট সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Chairman :** I would request the Chief Minister to reply.

*** শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, ২০০১ আৰু ২০০২ চনৰ বাবে চৰকাৰী বাজেট যোৱাকালি মাননীয় সদনত উত্থাপন কৰা হৈছিল। এই বাজেট গ্ৰহণ কৰি মাননীয় সদস্য সকলে বিভিন্ন পৰামৰ্শ আগবঢ়োৱাত মই তেখেতসকলক ধন্যবাদ জনাইছোঁ। মাননীয় সদস্যসকলে জানে যে ৯৬-৯৭ চনৰ পৰা বৰ্ত্তমানলৈকে ৰাজ্যখনৰ গাঠনীত বিত্তীয় পৰিস্থিতিৰ কথা সদনত উল্লেখ কৰা হৈছে। ইয়াত কথা হৈছে আয়ৰ উৎসতকৈ ব্যয় অধিক হোৱা বাবে বিত্তীয় পৰিস্থিতি ভয়ানক পৰিস্থিতি হৈ পৰিছে। যদিও ৰাজ্যখন কৰযুক্ত ৰাজহক কৰ বিহীন ৰাজহ কৰা হৈছে তথাপিতো পৰিকল্পনা বৰ্হিভূত ব্যয়হীন পৰিকল্পনাৰে বিত্তীয় পৰিস্থিতি আচলতে অধীক অৱনতি ঘটাইছে। দৰমহা মঞ্জুৰী আৰু পেঞ্চন বদ্ধৃত ঋণ সেৱা, ৰাজহুৱা খণ্ড সমূহক চৰকাৰী অনুদান আগবঢ়োৱা আইন শৃংখলা, শান্তি অব্যাহত ৰখা আৰু সন্ত্ৰাসবাদী কাৰ্য্যবোৰ ৰোধ কৰাৰ বাবে পৰিকল্পনা বৰ্হিভূত শিতানৰ ব্যয় সমূহ উৰ্দ্ধগামী হোৱাৰ ই মূল কাৰণ আৰু সেই পৰিকল্পনা বৰ্হিভূত শিতানত ঘাটী আৰু অন্যান্য ৰাজহুৱা ঘাটী বছৰৰ পিচত বছৰ ধৰি ক্ৰমান্বয়ে 'একোমুলেটেড' হৈ গৈছে বা গোট হৈ গৈছে। ৰাজহৰ ঘাটী পূৰণৰ বাবে ধাৰ লব লগা ব্যৱস্থাটোৱে আমাৰ কাৰণে উত্তেজনামূলক ব্যৱস্থাত পেলাইছে। বেছি পৰিমানে ঋণ ললে ঋণ পৰিশোধ কৰাৰ দায়িত্ব সিমানে বাঢ়ি যায় আৰু বাৰে বাৰে লোৱা ঋণ পৰিশোধ কৰিবলৈ যাওতে বাজহৰ ঘাটিত সিমানে বাঢ়ি যায়। গতিকে ক্ৰমাগত ভাবে ঋণ

* Speech not corrected

লোৱাৰ ব্যৱস্থাটো ইটোৰ লগত সিটোৰ সম্পৰ্ক ওতঃপুত ভাবে জড়িত। মাননীয় সদস্য কোনোবাই কোনোবাই কৈছে বৰ্ত্তমান এইখন নিৰ্ব্বাচনমুখী বাজেট, বিশেষকৈ কংগ্ৰেছৰ সদস্য সকলে কৈছিল। কিন্তু তেখেত সকলে বাজেটখন পঢ়ি ছোৱা নাছিল। নোচোৱাকৈ তেখেতসকলে আগত নিৰ্বাচন আহি আছে বুলি বক্তব্য ৰাখিছিল ৰাজনৈতিক কাৰণত অন্য কাৰণে নহয়। কিন্ত বাজেটখন পঢ়াৰ পিচত তেখেতসকলৰ প্ৰত্যেকৰ অনুভৱ হৈছে আৰু ব্যক্তিগত ভাৱে মোক কেইবাজনেও কৈছে-এই বাজেটখন আচলতে নিৰ্ব্বাচনমুখী বাজেট নহয়। এইখন প্ৰকৃততে বাস্তৱমুখী বাজেট আৰু ইয়াত কোৱা হৈছে 'ল'ন ফৰ্ম দি চেণ্টাৰ' আমি কৰ কৰ পৰা পইচা পাম। কেন্দ্ৰৰ ল'ন ৮০৯ কোটি, কেন্দ্ৰৰ গ্ৰাণ্ট - চি এত এচ এচত ৮০০২ কোটি, ননপ্লেন গ্ৰাণ্টৰ পৰা ৫২৮ কোটি, স্টেট প্লেন-১৪২৯ কোটি, কেন্দ্ৰৰ চেয়াৰ টেস্ক ১৭৬০ কোটি, নন টেক্স ৰেভিনিও ৫৩০ কোটি, টেক্স ১৬০৬ কোটি, অন্যান্য কেপিটেল ৰিচিপট ১২৫৮ কোটি আৰু ঠিক কেনেকৈ আউট ফল্বৰ ক্ষেত্ৰত কোৱা হৈছে ২০০১-২০০২ এ.এচ.ই.বি.ৰ কাৰণে ৭৬ কোটি, জলসিঞ্চন আৰু বান নিয়ন্ত্ৰনৰ কাৰণে ৩৪৪ কোটি, ক্পচহাচবেগুৰী ১৭১ কোটি, উদ্যোগ ১৬৪ কোটি, সমাজ কল্যান ১৩৫ কোটি, স্বাস্থ্য ৪০৯ কোটি, ৰাস্তা, দলং, পৰিবহন ৪৬৫ কোটি, পুলিচ ৭২৫ কোটি, ওৱেটচ এণ্ড মিট্চ ৬৫০ কোটি ড্ৰিপ চুইংক ৭৬৬, শিক্ষা, ক্ৰীয়া, কালচাৰ ২,৬১৫ আৰু অন্যান্য ২৭৪৮ কোটি টকা।

The year 2001-2002 is expected to close with a negative balance of Rs. 1316-62 crores. This significant increase estimated an improvement of over Rs. 18,41,28 crores for 2001-02 orginally made. The revised estimates for the year 2001 indicate a great improvement over the original estimate budget during the current financial year 2000-01 i.e., for the same year. During the financial year 2000-01 the budget estimates is projected to decline Rs. 282-07 crores from the orginal estimated Rs. 954.84 crores. The shortfall in the budget deficit for the current year as per the revised estimate as per grant of financial

* Speech not corrected

management and enforcement of fiscal discipline. This has resulted in the substantial reproduction in the closing balance for the same year from the minus from Rs. 1,841.28 crores to minus Rs. 424.07 crores despite the grant of additional dearness allowance and despite supplementary demand of Rs. 526 crores revenue expenditure during the current financial year has been allowed to increase from Rs. 7455.15 for the current year. The only Rs. 7623 crores which represents the increase of Rs. 232%. Stress has been put on increasing revenue collection from the widening and dependance of the tax based and better tax administration. These efforts has have shown a very positive results which is collected in our revised estimate of tax revenue for the current year. The revised estimates for the tax collection for the current year are estimated to Rs. 1606 as against the original estimats of Rs. 1425. Similarly, the revised non-plan revenue records are an improvement over the original estimate. The increases in our own tax revenue is expected to come not from any new tax as such but through better tax administration. I have also mentioned in the budget proposal on film surchage have been on the basic of 20 amusement tax to be lavied with a view to raising corpus under the control of the Assam Finance Development Corporation.

**Mr. Speaker :** Extra time is given for completion of the speech.

**Shri Prafulla Kumar Mahanta (Chief Minister):** The corporation having finance for production of regional films. For this purpose a bill has been introduced in the current Session of the Assembly. I have also

mentioned about the entry tax Bill, has been introduced after receiving the consent of the President of India. It is expected that on the introduction and enactment of Assam Entry Tax Act., an additional revenue of Rs. 20 crores will be generated under this Act. The State Government is making a concerted efforts to manage it effectively and to achieve greater inter - generation equity. As part of these successive efforts the budget provision for the consolidated fund is sinking fast which is to be used for the amelioration of the state Government open market loans, is propose to increase to Rs. 60 crores from 2001-02. The economy of the state Government witness in part in growth in the year, 1999-2000 after a dismal performance of 1998-99. The net State domestic production during 1999-2000 is estimated to have increased by about 8.19% with constant price over the year 1998-99. In 1998-99 NSDP at constant price has registered a decline of 22% over the 1997-98. The Government expected that there will be no let up during the current financial year in the rate at which the economy is growing. Possibly it is expected that the Government will be in a position to give increased emphasis on welfare and developmental activities. This was a financial constrant.

মাননীয় অধ্যক্ষ মহোদয়, অকল এই ক্ষেত্ৰতেই নহয় যে তাত এই কথা উল্লেখ কৰিছে। এই এক্সপেন্ডিচাৰৰ কথা ইয়াত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰোপৰি কিন্তু আমি ১৯৯৬-৯৭ চনত চৰকাৰ গঠন কৰিছিলো। চেলাৰী ওৱেজ এণ্ড পেন্চন ১৯৯৫-৯৬ চনৰ এহেজাৰ ৩শ ৩৯ কোটি টকা খৰচ আছিল। এতিয়া দেখা গৈছে যে দিবলগীয়া হোৱা নাই। চেলাৰীৰ ১ হেজাৰ ৩শ ৩৯ কোটি টকাৰ পৰা ২০০১-২০০২ চনত সম্পূৰ্ণ খৰচ হব ৪৭৯৯ কোটি টকা। এইটো এমপ্লয়জ চেলাৰী ওৱেজ এণ্ড পেঞ্চন। গতিকে এইটো মাননীয়

সদস্য সকলৰ বোধগম্য হৈছে। ইয়াৰোপৰি ৰাজ্যৰ বিত্তীয় অৱস্থাৰ কথা কোৱা হৈছে। মই ইতিমধ্যে উল্লেখ কৰিছোৱেই। বিত্ত বিভাগৰ পৰা বিত্তীয় শৃঙ্খলা আনিবৰ কাৰণে সকলো প্ৰকাৰৰ চেষ্টা হাতত লোৱা হৈছে। ৰাজ্যৰ বিত্তীয় পৰিস্থিতি চালি-জাৰি চোৱাৰ বাবে ১৯৯৯ চনৰ মে মাহৰ একাদশ বিত্ত আয়োগে ৰাজ্যখন ভ্ৰমণ কৰিছিল। ৰাজ্য চৰকাৰে আশা কৰিছিল যে একাদশ বিত্ত আয়োগে ইয়াৰ অনুদান সমূহ আগবঢ়াব। ৰাজ্যখনৰ সমস্যা সমাধান আৱশ্যকতাখিনিৰ বিষয়ে নৱম একাদশ বিত্ত আয়োগে সম্পূৰ্ণ অনুধাৱন কৰিব। কিন্তু আমাৰ কাৰণে দুৰ্ভাগ্যজনক কথা যে বহুত আশা প্ৰত্যক্ষ কৰি থাকি একাদশ বিত্ত আয়োগৰ অনুদান সমূহ আমাৰ কাৰণে তিক্ততাপূৰ্ণ হৈ পৰিল। ৰাজ্য চৰকাৰৰ পৰিকল্পনা বৰ্হিভূত হোৱাৰ গৰিষ্ঠ সংখ্যক ঘাটি জোৰা মাৰিবলৈ দিব লাগে। পৰিকল্পনা বৰ্হিভূত শিতানত অধিক মঞ্জুৰী প্ৰদানৰ বিৰোধিতাত একাদশ বিত্ত আয়োগৰ ২০০০ চনৰ পৰা ২০০২ চনলৈ গোটেই কাল চোৱাৰ বাবে দশম বিত্ত আয়োগে ১৯৯৫ চনৰ পৰা আগবঢ়ায় সৰ্ব্বমুঠ ৭১২.০৩ কোটি টকাৰ বিপৰীতে ১১০.৬৮ কোটি টকা। গতিকে এইক্ষেত্ৰত একাদশ বিত্ত আয়োগে অসমৰ ক্ষেত্ৰত অন্যায় কৰিছে। প্ৰকৃততে এই কথাটো আমি কেন্দ্ৰীয় চৰকাৰক কৈছো যে এই ক্ষেত্ৰত ব্যৱস্থা লব লাগে। কিন্তু এতিয়া কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা লব নোৱাৰাৰ কাৰণে এই ক্ষেত্ৰত আমাৰ ৰাজ্যখন ক্ষতিগ্ৰস্থ হবলগীয়া হৈছে। একাদশ বিত্ত আয়োগে অসমক এলাগী কৰি ৰাখিছে। এই কথাটো এটা কথাৰ পৰা স্পষ্ট হৈ পৰিছে যে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰে পাব লগা যি অংশ তাৰ পৰা অসমে মাত্ৰ ৩.০৫ শতাংশ বা পাৰচেন্ট হস্তান্তৰ কৰাৰ পৰামৰ্শ দিছে। আনহাতে নৱম বিত্ত আয়োগে দশম বিত্ত আয়োগক হস্তান্তৰ কৰিবলগীয়া সৰ্ব্বমুঠ ৰাজ্যিক অংশৰ ভিতৰত ৩.৭৩ শতাংশ বা ৩.৬৭ শতাংশ আগ বঢ়াইছিল। সেয়ে এই ক্ষেত্ৰত অসমে যি ন্যায় পাব লাগিছিল সেই ন্যায় একাদশ বিত্ত আয়োগৰ পৰা বঞ্চিত হব লগা হৈছে। আমাৰ ৰাজ্যখনে ইয়াত পাব পৰা নাই। যি ন্যায় পাব লাগিছিল আমাৰ ৰাজ্যখনে পোৱা নাই।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰী সুখেন্দু শেখৰ দত্ত ডাঙৰীয়াই উল্লেখ কৰিছে যে বাজেটখন ডেভলাপ অৰিয়েনন্টেড বাজেট নহয়। কিন্তু এইটো শুদ্ধ নহয়। এই বাজেট ডেভলাপ অৰিয়েনন্টেড কৰিবলৈ আমি সৰ্ব্বপ্ৰকাৰৰ চেষ্টা কৰিছো। আৰু পপুলিষ্ট বা নিৰ্ব্বাচনমুখী বাজেট কৰিবলৈ

বিচৰা নাই। ইয়াক বাস্তৱধৰ্ম্মী, ইয়াৰ সচা ছবি ডাঙি ধৰা হৈছে, ইয়াৰোপৰি, আমি কনচ'লিডেটেড চিকিং ফাণ্ড আমাৰ চৰকাৰৰ তৰফৰ পৰা কৰা হৈছে। মাৰ্কেটিঙ বৰ্‌'ইঙৰ কাৰণে আৰু ইয়াক ২০ কোটি টকালৈ ৰিভাইজ কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। আৰু ২০ কোটি টকাৰ পৰা ২০০০-২০০১ চনৰ পৰা ২০০১-২০০২ চনলৈ ৬০ কোটি টকা হব।

অধ্যক্ষ ডাঙৰীয়া, ইয়াৰোপৰি এ,টি,চি, এ,এচ,টি,চি, চৰকাৰৰ কাৰণে চিন্তাৰ বিষয় হৈ পৰিছে। কাৰণ ইয়াৰ বিত্তীয় অৱস্থা ভাল নহয়। সেই কাৰণে চৰকাৰে ইয়াৰ বিভিন্ন সমস্যা সম্পৰ্কে পৰীক্ষা কৰি আছে।

অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ বাহিৰেও বি,এ,চি, এৰিয়াৰ কেইটামান কথা উল্লেখ কৰিছে। শেষতীয়া ভাবে কেন্দ্ৰীয় চৰকাৰৰপৰা কেইটামান অনুমোদন পোৱা গৈছে। বি,এ,চি, এৰিয়াত হায়াৰ চেকেণ্ডাৰী স্কুল বিল্ডিং ১৫ খনৰ কাৰণে ১৫ টা কৰাৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে যত ৭৫ লাখ টকা দিয়া হব। এইটো শেহতীয়া ভাবে ইয়াত অনুমোদন পোৱা গৈছে। এই বাজেটৰ ক্ষেত্ৰত আমি এইটো স্পষ্ট ভাবে কব বিচাৰিছো।

মাননীয় অধ্যক্ষ ডাঙৰীয়াষ ইতিমধ্যে মাননীয় কেইবা গৰাকী সদস্যাই এই কথা উল্লেখ কৰিছে যে "নাবাদ বা ওৱাল্ড "বেঙ্কৰ সহায় লৈ যি ৰাস্তা পদুলি আমি বনোৱা হৈছে ইয়াক পৰ্য্যায়ক্ৰমে আন আন জিলালৈ গৈ যোৱাৰ এটা প্ৰপজেল আছে। আৰু কিছুমান কাম চাৰে চাৰি বছৰতে কৰা হৈছে। যিবিলাক কাম কংগ্ৰেছে ৪৫ বছৰতো কৰা নাই। সম্পূৰ্ণ কৈ ডেভলপমেণ্টৰ কাম কৰাটো সম্ভৱ নহয়। কিন্তু আমাৰ চৰকাৰৰ তৰফৰ পৰা পৰ্য্যায়ক্ৰমে ইয়াৰ আচনি হাতত লোৱা হৈছে। আৰু সেইকাৰণেই মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ক কনভিন্স কৰোৱা হৈছিল যে বি এ চি এৰিয়াৰ ডেভলপমেণ্টৰ কাৰণেও বছৰি ৩০ কোটি টকা স্পীচিয়েল গ্ৰাণ্ট দিয়ে যিটো কেন্দ্ৰীয় চৰকাৰ বা প্ৰাইম মিনিষ্টাৰে ঘোষণা কৰিছিলে। ঠিক তেনেকুৱাকৈ আন আন ক্ষেত্ৰতো এই ব্যৱস্থাটো হাতত লবৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক কৈ আছো। আমাৰ মাননীয় সদস্য সকলে জানে যে সম্পদৰ অধিকাৰ হৈছে কেন্দ্ৰ। যি চৰকাৰে নাথাকক সমস্যাৰ গৰাকী হৈছে ৰাজ্য। গতিকে ৰাজ্য খনৰ সমস্যাবিলাক সমাধন কৰিবলৈ যাওঁতে আমি বহু পৰিমাণে কেন্দ্ৰৰ ওচৰত নিৰ্ভৰশীল হবলগা হয়। আৰু সেইকাৰণে কেন্দ্ৰৰ এই ক্ষেত্ৰত বিশেষকৈ বিত্তীয় ব্যৱস্থাৰ ক্ষেত্ৰত যে কেন্দ্ৰৰ সহযোগ নহলে ৰাজ্য খনৰ অৰ্থনৈতিক দিশত আগবঢ়াই লৈ যোৱাটো যথেষ্ট কষ্টকৰ হয়। এইটো কথা ঠিক

যে আমাৰ মানুহে কাম কৰিবই লাগিব।

আপোনালোকে জানে যে যোৱা ৫০ বছৰৰ ভিতৰত প্ৰথমবাৰ আমাৰ ৰাজ্যখন ধানৰ উৎপাদনৰ ক্ষেত্ৰত এক স্বাৱলম্বী ৰাজ্য হিচাবে পৰিগণিত হৈছে। ইয়াক ধৰি ৰাখিব লাগিব আৰু ইয়াৰ জৰিয়তে আমি আন আন ক্ষেত্ৰতো স্বাৱলম্বী হবৰ কাৰণে আগুৱাই যাব লাগিব। শিক্ষাৰ ক্ষেত্ৰতো এএইবাৰ গুৰুত্ব আৰূপ কৰা হৈছে যদিও ইয়াতো বিভিন্ন সমস্যা আছে। শিক্ষা ব্যৱস্থাটোক আৰু বেছি গ্ৰহণযোগ্য কৰি তুলিবৰ কাৰণে এই বিভাগটোক ব্যৱস্থা লবৰ কাৰণে ইতিমধ্যে চৰকাৰৰ তৰফৰ পৰা পৰামৰ্শ আগবঢ়োৱা হৈছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যখনত সংঘটিত হোৱা কেতবোৰ হত্যাকাণ্ডৰ কথা উল্লেখ কৰা হৈছে। যোৱা বাজেট বক্তৃতাত আৰম্ভ কৰাৰ লগে লগে অসম বিধান সভাৰ কংগ্ৰেছ দলৰ সদস্য সকলে ৰাজ্যখনৰ আৰক্ষীৰ ওপৰতো তেওঁলোকে অভিযোগ আনিছিলে। তেওঁলোকে কব বিচাৰিছিলে যে ৰাজ্যখনত অপৰাধ নিয়ন্ত্ৰণত অসম আৰক্ষী সকল সম্পূৰ্ণৰূপে সফল হৈছে বুলি মই আজি কব বিচৰা নাই। কিন্তু এই অভিযোগ তেওঁলোকেহে আনিছিল। হত্যাকাণ্ডৰ সৈতে জড়িত অপৰাধীক চিনাক্ত বা কৰায়ত্ব হোৱা বুলি অভিযোগ কৰিছিলে। এতিয়া কিছুমান লোক দুৰ্ভাগ্যজনকভাৱে সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ হেৰুৱাবলগীয়া হৈছে। কিন্তু এইটো কথাও সত্য যে এই অৱস্থাৰ পৰা এতিয়া ভালেখিনি পৰিবৰ্ত্তন হৈছে। ১৯৯৬ চনত আমি ৰাজ্য ভাৰ গ্ৰহণ কৰা সময়তকৈ ১৯৯৬ চনৰ ঘটনা সংক্ৰান্তত এই মাননীয় সদনতে এগৰাকী মাননীয় সদস্যই উল্লেখ কৰিছে। এতিয়া অৱস্থাৰ বহুখিনি উন্নতি ঘটিছে। সেই সময়ত প্ৰায় শ্বাস ৰুদ্ধ হৈ পৰা ৰাজ্যৰ অৱস্থা আজি যিখিনি সলনি হৈছে বা উন্নতি হৈছে সেইখিনি কৃতিত্বৰ পৰা অসম আৰক্ষীক বঞ্চিত কৰিব নোৱাৰি। আৰু কবলৈ গলে হিংসা, সন্ত্ৰাসৰ বিৰুদ্ধে আমি গ্ৰহণ কৰা কঠোৰ স্থিতিৰ বাবে সাহস ঘুৰাই পোৱা অসম আৰক্ষীয়ে এক বিশেষ ভূমিকা পালন কৰিছে। সন্ত্ৰাসৰ ৰাজত্বৰ পৰা ৰাজ্যখনৰ জনসাধাৰণক মুক্ত কৰিবৰ কাৰণে কিছুমান অভিযানত অংশ গ্ৰহণ কৰি অসমত বহুত কেইজন নিষ্ঠাবান বিষয়া, কনিষ্টবল নিজৰ প্ৰাণ পৰ্য্যন্ত বিসৰ্জন দিব লগা হৈছে। তথাপিও নিজৰ দায়িত্ব পালনত অসম আৰক্ষী লোক থমকি ৰোৱা নাই। বৰং বহুত তৎপৰতাৰে অসম আৰক্ষীয়ে বহুত দুৰ্য্যোগৰ পৰা অসমত জনসাধাৰণক ৰক্ষা কৰি আহিছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনালোকৰ নিশ্চয় মনত আছে ২০০০

চনৰ ২৬ জানুৱাৰী তাৰিখে দিশপুৰ আৰক্ষীয়ে সোনাপুৰত বৃহত পৰিমাণৰ বিস্ফোৰক সামগ্ৰী জব্দ কৰে। প্ৰায় ২ কুইন্টল ওজনৰ এই বিস্ফোৰক সামগ্ৰী অনা হৈছিল মহানগৰীত কুটাঘাটমূলক কাৰ্য্য সংঘটিত কৰাৰ কাৰণে। ১৬ আগষ্ট তাৰিখে বাংলাদেশ সীমান্ত অঞ্চলৰ এঠাইৰ পৰা পশ্চিমবঙ্গ আৰক্ষীৰ সহযোগত অসম আৰক্ষীয়ে ৩০ কেজি ওজনৰ 'আৰ.ডি.এক্স' জব্দ কৰে। পাকিস্থানী উগ্ৰপন্থী সংগঠনৰ এজন উগ্ৰপন্থী হৰকটউল্লা মুজাহীদ্দিনে এই সমগ্ৰ অসমতে ধ্বংসাত্মক কাৰ্য্য সংগঠিত কৰাৰ প্ৰস্তুতি চলাইছে। ইয়াৰ আগতে ৫ আগষ্ট তাৰিখে অসম আৰক্ষীৰ তৎপৰতাত গুৱাহাটীত দুৰ্দ্দষ্য আলফা সদস্য বাবুল ইংতি নিহত হয়। নিহত আলফা সদস্য গৰাকীজনৰ জিম্মাৰ পৰা আৰক্ষীয়ে বিপুল পৰিমাণৰ 'আৰ.ডি.এক্স.' তথা আগ্নেয়াস্ত্ৰ স্বাধীনতা দিবসৰ বা তাৰ আগে আগে ৰাজ্যখনত ব্যাপক ধ্বংসলীলা সংঘটিত কৰাৰ উদ্দেশ্যে আলফাই বিস্ফোৰক সামগ্ৰীখিনি গুৱাহাটীলৈ কঢ়িয়াই আনিছিল। ইয়াৰোপৰিও গুৱাহাটী মহানগৰীত অসম আৰক্ষী লোকে পাকিস্থানী চোৰাংচোৰা 'আই.এচ.আই.' বিষয়া তথা এজেন্টক আটক কৰা কথাও নিশ্চয় মনত আছে। আৰু নকলেও হব যে কেৱল অসমে নহয় সমগ্ৰ দেশখনৰ বিৰুদ্ধে ব্যাপক ক্ষতিকৰ আৰু ষড়যন্ত্ৰ ৰচনা কৰা উদ্দেশ্যে 'আই.এচ.আই.' বিষয়া এজেন্ট সকলে গুৱাহাটীত বাহৰ পাতিছে। ইয়াৰ পিচত আৰক্ষীয়ে আই.এচ.আইৰ বিৰুদ্ধে আৰু সন্ত্ৰাসবাদীৰ বিৰূদ্ধে ব্যৱস্থা লৈছে।

এই কথাও ঠিক যে তেতিয়া সেই সময়ত কংগ্ৰেছী সদস্যই অসম আৰক্ষীৰ বিৰুদ্ধে সাম্প্ৰদায়িক বা আনৰ ধৰ্ম্মত বা ধৰ্ম্মৰ বিৰুদ্ধে আঘাত সনা বুলি অভিযোগ আনিছিল যদিও সকলোৱে জানে যে দেশৰ নিৰাপত্তা স্বাৰ্থতে আৰক্ষীয়ে ইয়াৰ বিৰুদ্ধে ব্যৱস্থা লবৰ কাৰণে বাধ্য হৈছে। সন্ত্ৰাসৰ বিৰূদ্ধে, হিংসাৰ বিৰূদ্ধে অসম আৰক্ষীয়ে গ্ৰহণ কৰা স্থিতিৰ বুলি অসম জনসাধাৰণে সমৰ্থন জনাইছিল। ৰাইজে আজি সন্ত্ৰাসৰ বিৰুদ্ধে, ৰাইজে আজি খা-খবৰ দিছে। অভিযান সহায় কৰিছে।

যোৰহাটকে ধৰি ৰাজ্যখনৰ বহুতো ঠাইৰ আৰক্ষীকে ধৰি জনসাধাৰণে সহায় কৰিছে। এনে সহায় সহযোগ আৰু সমৰ্থনৰ কথা বাতৰি কাকতত প্ৰকাশ পাইছে। এই কথাও ঠিক যে অৱস্থামতে নিয়ন্ত্ৰণ হোৱা নাই। এতিয়াও ৰাজ্যখনৰ কেতবোৰ ঠাইত অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈ আছে। ইয়াৰে কিছুমানত সংঘটিত হৈছে ভাতৃঘাটি সংঘাটৰ ফলত। কিছুমান সংঘটিত হৈছে বিভিন্ন ক্ষুদ্ৰ

স্বাৰ্থ পূৰণৰ উদ্দেশ্যে। কোনো কোনো ৰাজনৈতিক দলে দিয়া উচটনিৰ ফলত। এনে হত্যাকাণ্ড প্ৰতিহত কৰা বা হত্যাকাৰী সকলক চিনাক্ত কৰিবৰ বাবে অসম আৰক্ষীয়ে সফলতা লাভ কৰিছে আৰু কৰবাত কৰবাত সফলতা লাভ কৰিব পৰা নাই। সেইবুলি একেবাৰে ব্যৰ্থ হোৱা বুলি কব নোৱাৰি । সংঘটিত অপৰাধ প্ৰতিহত কৰাত বা জগৰীয়া অপৰাধীক চিনাক্ত বা কৰায়ত্ব কৰাত আৰক্ষী বিভাগ কেতিয়াবা সক্ষম আৰু কেতিয়াবা সফল হয় আৰু কেতিয়াবা হয়তো ব্যৰ্থ হব লগা হয়। এইটো আজিৰ কথা নহয়।

আজি যিসকল কংগ্ৰেছে এই কথাটোকে সদনত হুলস্থুল কৰিছে যত তেওঁলোকে এদিন ক্ষমতাত আছিল। প্ৰশাসন চলাইছিল আৰু সেইখিনি সময়তে মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা কালি উল্লেখ কৰিছিলে যে নিষিদ্ধ ঘোষিত আলফা স্বয়ম্ভূ সৰ্ব্বাধিনায়ক পৰেশ বৰুৱাৰ ভাতৃ দীনেশ বৰুৱাক হত্যা হৈছে। চৰকাৰী বিষয়া বিমল ভূঞাৰ হত্যা হৈছে। এইবোৰ ঘটনা কংগ্ৰেছ চৰকাৰৰ দিনতে ঘটিছে। তেওঁলোকেও এইবোৰ ঘটনা প্ৰতিহত কৰিব পাৰিছিল নে? এইবোৰ ঘটনাৰ সৈতে জড়িত অপৰাধী সকলক চিনাক্ত বা কৰায়ত্ব কৰিব পাৰিছিল নে?

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাত্ৰ কেইটামান উদাহৰণহে দিছো। এনে বহুতো উদাহৰণ আছে যিবোৰ স্পষ্টকৈ অসম আৰক্ষীৰ তৎপৰতাৰ ফলত বহু ভয়ঙ্কৰ দুৰ্ঘটনাৰ পৰা ধ্বংসলীলাৰ পৰা অসমবাসীক ৰক্ষা কৰিছিল। ব্যৰ্থতাৰ বাবে আৰক্ষীক যিদৰে সমালোচনা কৰা হয় সেইবোৰ সফলতাৰ বাবে কংগ্ৰেছ দলে কেতিয়াবা প্ৰশংসা কৰি তেওঁলোকে পাইছে নে?

অধ্যক্ষ মহোদয়, মই বেছি কথা কব খোজা নাই। ইতিমধ্যে মাননীয় সদস্য সকলে যি বিলাক কথা উত্থাপন কৰিছে তাৰ প্ৰাসঙ্গিক সমূহ পৰীক্ষা কৰি চাই তাৰ ওপৰত কি ব্যৱস্থা লব পাৰি চৰকাৰৰ তৰফৰ পৰা লোৱা হব। কিন্তু সকলোবিলাক কথাই মানি লব পৰা হব বুলি সদনত কব নোৱাৰি। অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ চৰকাৰৰ তৰফৰ পৰা ৰাজ্যখনৰ কৰ সংগ্ৰহৰ যন্ত্ৰটো সফল কৰি তোলাৰ জৰিয়তে ৰাজ্যখনৰ যি অৰ্থনৈতিক কাঠামো সেইটো আৰু আগবঢ়াই নিব পৰা যাব বুলি আশা কৰিছো। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো সমুদায় ৰাজহ সংগ্ৰহ কৰাৰ লগতে অনাদায়ী হৈ থকা ৰাজহখিনিও সংগ্ৰহৰ কাৰনে চিন্তা কৰি থকা হৈছে। এইক্ষেত্ৰত আমি আৰু বেছি ৰাজহ সংগ্ৰহ হব বুলি আশা কৰিব পাৰো। চৰকাৰে এইক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। গড়কাপ্তানী আদি বিভাগৰ ক্ষেত্ৰতো কামকাজ নিয়াৰিকৈ চলাবৰ কাৰণে চৰকাৰৰ তৰফৰ

পৰা ব্যৱস্থা হাতত লোৱা হৈছে। জটিল পৰিস্থিতিৰ মাজতো চৰকাৰে এখন পূৰ্ণাঙ্গ বাজেট দাখিল কৰিব পাৰিছে যাতে ফাইনেন্সিয়েল ডিচিপ্লিন অটুট থাকিব পাৰে। আমাৰ সদনত মাননীয় কংগ্ৰেছী সদস্য সকলে কৈছে যে এখন হোৱাইট পেপাৰ চাব্‌মিট কৰিব লাগে। সদনত বাজেট দাখিল কৰাৰ পাচত এইটো স্পষ্ট যে আমি চৰকাৰ চলোৱাৰ ক্ষেত্ৰত বিত্ত বিভাগৰ পৰা কোনোধৰনৰ চিক্ৰেচী সদনত লুকুৱাই ৰখা নাই। সেয়েহে ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিৰ সম্পৰ্কত মাননীয় সদস্যসকলক অৱগত কৰোৱা হৈছে আৰু ইয়াৰ আয়ো দাখিল কৰা হৈছে। আয় আৰু ব্যয়ৰ মাজত সঙ্গতি বিচাৰিলেই সকলো কথা ওলাই পৰিব। অথচ এই বিষয়ত কোনো এজন মাননীয় কংগ্ৰেছী সদস্যই এটা প্ৰশ্নও সোধা নাই। সদন শেষ হব কিন্তু সদনৰ বাহিৰত বিভিন্ন প্ৰশ্ন উত্থাপন কৰিব পাৰে। যাৰ কোনো প্ৰতিক্ৰিয়া নহব। ইয়াৰ কাৰণ হৈছে বা ইয়াৰ মূলতে গণতান্ত্ৰিক পদ্ধতিটোৰ ওপৰত কংগ্ৰেছী সদস্য সকলৰ আস্থা নাই। সন্ত্ৰাসবাদকহে পোষকতা কৰি আছে। মাননীয় সদস্য ভালেকেইজনেও কিছুমান পৰামৰ্শ আগবঢ়াইছে। তেখেতসকল মই ধন্যবাধ জ্ঞাপন কৰিছো আৰু সেই সমূহ প্ৰশাসনীয় ক্ষেত্ৰত কাৰ্য্যকৰী কৰিবলৈ আমি সততে মনত ৰাখিম। ইয়াৰ লগতে আশা ৰাখিছো সমূহ মাননীয় সদস্যৰ তেনেধৰনৰ পৰামৰ্শ আৰু সহযোগিতাই অৰ্থনৈতিকভাবে আৰু সামাজিকভাবে ৰাজ্যখনত আগবঢ়াই নিয়াত সহায়ক হৈ উঠিব। ধন্যবাদ।

**Mr. Speaker :** Now, the House stand adjourned till 4.00 P.M on Monday, the 19th February, 2001.

# Adjournment

The House stood adjourned at 8.45 P.M. till 4.00 P.M. on 19th February, 2001.

Dispur :
The 13th February, 2001

D. Talukdar
Secretary
Assam Lagislative Assembly

# ANNEXURE

## Annexure - I

### Statement of Scheme

| | |
|---|---|
| 1. JAMUNAMUKH L.A.C. | |
| A. Jamuna I.S. for 1998-99 | |
| 1. F.D.R. to CCFE in river Jamuna | Rs. 12,94,750.00 |
| 2. E/W in cannal M ½, water courses 2/0/0/7 and 2/0/0/10 | Rs. 1,64,130.00 |
| 3. E/W in cannal SM 1/3/3 and SM 1/0/1 | Rs. 29,137.00 |
| 4. E/W in cannal SM 1/3/6 and SM 2/0/4 | Rs. 1,15,801.00 |
| 5. E/W in filling for closing of breaches $D_2$ and cannal SM 1/2/1 | Rs. 1,36,000.00 |
| B. Burigana F.I.S. | Rs. 10,00,000.00 |
| | Rs. 27,39,818.00 (A) |
| Jamuna I.S. for 1999-2000 | |
| 1. Repairing and strengthening under Pirbargar Section. | Rs. 2,97,000.00 |
| 2. Repairing of damaged structure of SM cannal 1/3/4 for draining out water logging at village Pubjarani and Pachim Jarani. | Rs. 8,20,000.00 |

## Annexure - I

| | |
|---|---|
| 3. Improvement of water course No. 2/1/0/0/B by brick lining covering villages Pub-Bandarmala and Karoini Amjar area. | Rs. 8,00,000.00 |
| 4. F.D.R. works under Murajhar section. | Rs. 2,00,000.00 |
| | Rs. 21,17,000.00 (B) |
| Total of Jamunamukh L.A. Constituency = (A)+(B) | Rs. 48,568 lakh |

2. HOJAI L.A.C.

| | |
|---|---|
| **Jamuna L.S. for 1998-1999** | |
| 1. E/W in filling in cannal $D_3$ and SM 2/0/3 | Rs 1,32,650.00 |
| 2. E/W in filling in cannal $D_3$ | Rs. 51,900.00 |
| | Rs. 1,84,550.00 (C) |
| **Jamuna I.S. for 1999-2000** | |
| 1. F.D.R. works in Jurapukhuri section. | Rs. 2,68,000.00 |
| 2. F.D.R. works at Pachim Nilbagan section and Hojai cannal section. | Rs. 4,39,000.00 |
| 3. F.D.R. works at Hojai cannal section. | Rs. 4,00,000.00 |
| | Rs. 11,07,000.00 (D) |
| Total Hojai L.A. Constituency = (C)+(D) | Rs. 12,915 lakh |

## Annexure - II

(ক) শিলঘাগৰি বান্ধৰ বছৰেকীয়া সাধাৰণ মেৰামতিৰ মাটিৰ কাম কৰা হয়। বানপানীত ক্ষতিগ্ৰস্থ হোৱা শিলঘাগৰি বান্ধৰ কাম ঃ-

(ক) বান্ধৰ মাটিৰ কাম।
(খ) ক্ষতিগ্ৰস্থ বান্ধৰ দুৰত্বৰ পৰা ট্ৰাকেৰে মাটি কঢ়িওৱা কাম।
(গ) জৰুৰী কালীন বেম্বো পেলাছিডিংৰ কাম।
(ঘ) সাম্ভাব্য বান্ধৰ ক্ষয় ক্ষতিৰ ৰোধ কৰাৰ বাবে বালি মাটি ভৰোৱা চিমেণ্টৰ বস্তা পেলোৱা কাম ইত্যাদি কৰা হৈছিল।

| | খ | ৰ | ছ |
|---|---|---|---|
| | ১৯৯৭-৯৮ | ১৯৯৮-৯৯ | ১৯৯৯-২০০০ |
| ১। বানপানীত ক্ষতিগ্ৰস্থ বান্ধৰ মাটিৰ কামৰ বাবদ | ৪৮,১৩২.০০ | ৪০,১৯৯.০০ | ১৫,৩৯০০০/- |
| ২। বান্ধৰ দুৰত্বৰ পৰা ট্ৰাকেৰে মাটি কঢ়িওৱাৰ বাবদ। | ২৪,৭৬১.০০ | —— | —— |
| ৩। জৰুৰী কালীন ভাৱে ক্ষতিগ্ৰস্থ বান্ধৰ দাঁতিত গছৰ (বোসীট্ৰি) পেলোৱা কামৰ বাবদ | ৮,২৪০.০০ | ৪,৩৬০.০০ | ৭৬০০০/- |
| ৪। বাহঁৰ হেঙাৰ (বেম্বো পেলাছিডিং) কামৰ বাবদ | ৫,২৬০.০০ | ৫,৮৭০.০০ | ১,৬৮০০০/- |
| ৫। সাম্ভাব্য বান্ধৰ ক্ষয়ক্ষতি ৰোধ কৰাৰ বাবদ বালি মাটি ভৰোৱা চিমেন্টৰ বস্তা পেলোৱা কামৰ বাবদ। | ৪,১৯০.০০ | ৬,৭২০.০০ | ৫৬,০০০/- |
| ৬। বান্ধৰ ঘাঁহ লগোৱা কামৰ বাবদ। | ৪,১১০.০০ | ৩,৮৪০.০০ | ৯৫০০০/- |
| মুঠ খৰছ = | ৯৪,৬৯৩.০০ | ৬০,৮৯৯.০০ | ১৯,৩৯০০০/- |

## Annexure - III

### LIST OF SUBJECT TEACHER APPOINTED DURING THE PRESENT GOVT.

| Name of incumbent | Subject | Name of School |
|---|---|---|
| 1. Smti Bandana Barua | Assamese | Pithubar Girls Higher Secondary School, Dibrugarh, Moran Constituency. |
| 2. Shri Samhita Malibi Barua | English | Lengeri Higher Secondary School, Dibrugarh, Tingkhong Constituency. |
| 3. Smti Rekhamoni Das | Chemistry | Rajgarh Higher Secondary School, Dibrugarh, Tingkhong Constituency. |
| 4. Smti Anunima Baruah Phukah | History | Rahmoria Higher Secondary School, Dibrugarh, Tingkhong Lahowal Constituency. |
| 5. Shri Rajib Kumar Das | Assamese | Chasani Higher Secondary School Dibrugarh, Naharkatia Constituency. |
| 6. Smti Anja Bhattacharjee | Economic | B.N.P. Higher Secondary School, Dibrugarh, Dibrugarh Constituency. |

**Annexure - III-A**

## VACANCY POSITION OF SUBJECT TEACHER OF DIBRUGARH DIST.

| | | |
|---|---|---|
| 1. Lengeri Higher Secondary School | 1 (one) | Tingkhong Constituency. |
| 2. Chachani Higher Secondary School | 1 (one) | Naharkatia Constituency. |
| 3. Rahmeria Higher Secondary School | 1 (one) | Lahowal Constituency. |
| 4. Joypur Higher Secondary School | 1 (one) | Naharkatia Constituency. |
| 5. Victoria Girls Higher Secondary School | 1 (one) | Dibrugarh Constituency. |

## Annexure - IV

**Name of Junior Colleges Permitted/Recognised by the Assam Higher Secondary Education Council.**

**NALBARI DISTRICT** -

1. Swahid Sowarani College
2. Tamulpur College
3. Dakhin Nalbari College
4. Uttar Kampith College
5. Gyanpith College
6. Dhamdhama College
7. Swahid Smriti College
8. Barkhetri College
9. Pub-Nalbari College
10. Tamulpur Commerce College
11. Bonbhag College

**DHEMAJI DISTRICT** -

12. Dhemaji Girls College

**GOLAGHAT DISTRICT** -

13. Melamara College
14. Barpathar College

**SONITPUR DISTRICT** -

15. Chatia College
16. Behali College
17. A.C. Agarwala College
18. Asom Jyoti College

**BARPETA DISTRICT** -

19. Salbari College
20. Madhya Bajali College
21. Janapriya College
22. Pathsala Mahavidyalaya

**Annexure - IV**

**<u>KARBI ANGLONG DISTRICT</u> -**

23. Rangsina College

**<u>LAKHIMPUR DISTRICT</u> -**

24. Brahmaputra College
25. Nowboicha College
26. Kherajkhat College
27. Machkhowa College
28. Dhakuakhana Commerce College
29. Bordoloni College

**<u>KAMRUP DISTRICT</u> -**

30. P.B. Anchalik College
31. Madhya Kampith College
32. Bezera Anchalik College
33. Bamundi Mahavidyalaya

**<u>DHUBRI DISTRICT</u> -**

34. Hamidabad College

**<u>DARRANG DISTRICT</u> -**

35. Kalaguru Bishnu Rava College
36. Duni College
37. Burhi Nagar College
38. Kalaigaon College

**<u>JORHAT DISTRICT</u> -**

39. Sarbodoya College
40. Baligaon Sumbori Bora College
41. C.K.B. College
42. Bishnu Dev Janajati College
43. P.D. Goswami College
44. Namani Majuli College

## Annexure - IV

**NAGAON DISTRICT** -

45. Kataguri College

**SIBSAGAR DISTRICT** -

46. Patsaku College
47. Galeky College

**KOKRAJHAR DISTRICT** -

48. Hatidhura College

| | | |
|---|---|---|
| BARPETA | 49. | Koyakuchi College, Koyakuchi. |
| | 50. | Krishna Guru College, Sarthabari |
| | 51. | Rati Kanta Lahkar College, Rampur |
| | 52. | G.L. Choudhury College, Barpeta Road |
| BONGAIGAON | 53. | Birjhora Kanym Mahavidyalaya, Bongaigaon. |
| DIBRUGARH | 54. | Salt Break Academy, Dibrugarh (Private) |
| | 55. | Deomornoi College, Deomornoi. |
| | 56. | North Darrang College, Tangla. |
| | 57. | Sipajhar Janata Mahavidyalaya, Sipajhar. |
| | 58. | Bornoi College, Maruawachowki. |
| | 59. | Mangaldoi Commerce College, Mangaldoi. |
| DHEMAJI | 60. | Sissiborgaon College, Sissiborgaon. |
| DHUBRI | 61. | Alamganj Rangamati College, Alamganj. |
| | 62. | Tipkai College, Tipkai. |
| | 63. | Dyamkesh Memorial College Bilasipara. |

## Annexure - IV

| | |
|---|---|
| GOLAGHAT | 64. Golaghat Purbanchalik College, Golaghat. |
| | 65. Marangi Mahavidyalaya, Daigrung. |
| JORHAT | 66. Mahatma Gandhi College, Uttar Jorhat. |
| | 67. Purva Bharati College (Private) |
| KAMRUP | 68. Kalatali Kathmi Anchalik College, Kalatoli Bazar. |
| | 69. Srimanta Shankar Academy, Guwahati. (Private) |
| | 70. Bidyabharati College. Kandua. |
| | 71. Uttar Kamrup Adadrsha College, Balisatra. |
| | 72. Swadeshi Academy, Guwahati (private) |
| | 73. Narangi Anchalik College,Narengi. |
| | 74. Patidarrang College, Loch. |
| KOKRAJHAR | 75. Kokrajhar Commerce College, Kokrajhar. |
| | 76. Kokrajhar Science College(permitted) |
| K.ANGLONG | 77. Thong Nokbe College, Dokmoka. |
| LAKHIMPUR | 78. Bhibiram Hazarika College, Dhalpur. |
| | 79. Kekuri College, Kekuri Pamua Miri. |
| | 80. Rajgarh College, Simaluguri. |
| | 81. Rongam Sibansiri College, Patrichuk. |
| | 82. Pub Dikrong College, Laholial. |
| | 83. Laluk College, Laluk. |
| | 84. Uttar Purbanchal College, Phulbari. |
| MORIGAON | 85. Bhubandha College, Bhurandha. |

## Annexure - IV

86. Laharighat College, Laharighat.
87. Nagabandha College, Nagabandha.

NAGAON

88. Hojai Girls College, Hojai.
89. Kaki Jr. College, Kaki.

NALBARI

90. Barbhag College, Kalag.
91. Sarbeswar Das College, Tihu.
92. Khetri Dharmapur College, Solmara.
93. Kampeath College, Kaithalkuchi.
94. Mushalpur College, Mushalpur.
95. Thamna Anchalik College, Thamna.

SIVASAGAR

96. Betbari Sukanpukhuri College, Sukanpukhuri.
97. Biswanath Commerce College, Chariali.
98. Janata Mahavidyalaya, Tinsukia.

*****